# বাংলাৰ বাতিল ফিৰকা ফুৰফুৰা

pdf By Syed Mostafa Sakib

"যদি তোমালোকে নাজানা তেন্তে আহ্লে ইল্ম (জ্ঞানী) সকলৰ পৰা জানি লোৱা।" (ছুৰা নাহল, আঃ ৪৩)

"মু'মিনসকলে কোনো তিৰস্কাৰকাৰীৰ তিৰস্কাৰক ভয় নকৰে।" (ছুৰা মাইদাহ)

"বাতিল আৰু গোমৰাহ সম্প্ৰদায় কেতিয়াও হক্বপন্থীসকলৰ ওপৰত প্ৰাধান্য লাভ কৰিব নোৱাৰে।" (মিশ্বকাত, আবু দাউদ শ্বৰীফ)

"যিসকলে সৎ কাৰ্যৰ আদেশ আৰু অসৎ কাৰ্যক বাধা নিদিয়ে তেওঁলোক মুছলমান নহয়।" (আহমদ, তিৰমিজী)

"শ্বয়তান মানুহৰ আকৃতি ধাৰণ কৰি মানুহৰ ওচৰত আহে আৰু মিছা কথা কৈ মানুহক ধোকা দিয়ে।" (মুছলিম শ্বৰীফ)

"আল্লাহৰ বাবে সত্য কথা কওঁতে কাকোৱে ভয় নকৰিবা।" (আহমদ)

সম্পাদনা

মুসাম্মদ ফাৰুক আব্দুল্লাহ নূৰী

৭৮৬/৯২

# বাংলাৰ বাতিল ফিৰকা ফুৰফুৰা

মুফ্তীয়ে আ'যম বাঙ্গাল, খলিফা হুজুৰ তাজুশ্ব শ্বৰীআ'হ, খলিফা হুজুৰ জামালে মিল্লত, সম্পাদক ছুন্নী জাগৰণ, বিশিষ্ট ইছ্লামী চিন্তাবিদ, সু-লেখক, বহু ধৰ্মীয় গ্ৰন্থ প্ৰণেতা, হযৰত আলহাজ শ্বাইখ গোলাম ছামদানী ৰিজৱী চাহেবৰ ইযাযত আৰু পৰামৰ্শ মতে

pdf By Syed Mostafa Sakib

সম্পাদনা

মুসাম্মদ ফাৰুক আব্দুল্লাহ নূৰী

pdf By Syed Mostafa Sakib

'Banglar Batil Firqah Furfura' : A booklet compiled by Muhammad Faruk Abdullah Noori an essayist on Islamic topics following the Advice of Hazarat Muftiye A'jam-Bengal Alhaj Golam Samdani Rezbee Saheb, Islamic Scholar, Islampur, Murshidabad (W.B) and published by 'Reza Darul Ifta Society', Murshidabad (W.B) PIN- 742304, published: July, 2015

সম্পাদনা ঃ খাঁক পায়ে ৰাজা মুসাম্মদ ফাৰুক আব্দুল্লাহ নূৰী
চলভাষ - ৯৮৬৪৮০৮৬৭৭, ৯৮৫৪৮০৭০৪১
E-mail id : farukabdullahnoori@gmail.com

প্ৰকাশ কাল ঃ জুলাই, ২০১৫ খ্ৰীঃ

হাদিয়া ঃ ৩০/- ( ত্ৰিশ) টকা মাত্ৰ

© ঃ লেখকৰ দ্বাৰা সৰ্বস্বত্ত সংৰক্ষিত।

প্ৰকাশক ঃ ৰেজা দাৰুল ইফতা ছ'ছাইটি
ইছলামপুৰ কলেজ ৰোড, মুৰ্শিদাবাদ, পশ্চিমবঙ্গ (ভাৰত)
পিন নং- ৭৪২৩০৪
চলভাষ- ০৯৭৩২৭০৪৩৩৮
E-mail id : rezadarulifta92@gmail.com

পৰিবেশক ঃ 'ৰেজৱী খাযানা', ইছলামপুৰ কলেজ ৰোড,
মুৰ্শিদাবাদ, পশ্চিমবঙ্গ, পিন নং- ৭৪২৩০৪

প্ৰাপ্তিস্থান ঃ আল্ যামিআ'তুল ইছলামীয়্যাহ নূৰীয়্যাহ মাদ্ৰাছা,
খেতাশ্বৰ, খাৰুপেটীয়া, দৰং (অসম)
'ৰাজা ফাউণ্ডেশ্বন' (গৱেষণা আৰু প্ৰকাশন কেন্দ্ৰ)
মুছলিমঘোপা, ছিপাঝাৰ, দৰং, অসম- ৭৮৪১৪৫
তেহছিনী কুতুবখানা, ৰিজৱী মঞ্জিল,
নাহাৰকাতি, ডিব্ৰুগড়, অসম- ৭৮৬৬১০

ছুন্নী দ্বীনী Internet সেৱা ঃ Internet ত ল'গ অন কৰক Amar islam.com, Madina 24. com, al-hikmah.net আৰু ইয়াৰ জৰিয়তে আপুনি লাভ কৰিব ছুন্নী মাছআলা-মাছাইল, গ্ৰন্থ আদি বঙালী ভাষাত।





# ঈছালে চাৱাব/কৃতজ্ঞতা

এই পুস্তিকাখনি মৰহুম ছৈয়্যদ চাহাদত হুছেইন চাহেব আৰু মৰহুমা আলহাজিন তহ্মিনা বেগম (হাতীগাঁও, গুৱাহাটী)ৰ ঈছালে চাৱাবৰ নামত উচৰ্গা কৰা হ'ল। যি ইছলাম আৰু ছুন্নত তথা আল্লাহ আৰু প্ৰিয় নবী হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ওৱা ছাল্লামৰ প্ৰেমেৰে এক আদৰ্শ জীৱন অতিবাহিত কৰিছিল।

আল্লাহ পাকে তেখেত দুজনাক মাগ্ফিৰাত দান কৰি যান্নাত নচিব কৰক লগতে তেওঁলোকৰ ইন্তেকাল হৈ যোৱা বংশ পৰিয়ালৰ বাবে এই খিদ্মত ঈছালে চাৱাব হিচাপে পৰিগণিত হওক।

উল্লেখ্য যে তেখেতৰ পুত্ৰ আলহাজ মঃ ছৈয়্যদ গোলাম ইয়াছীন চাহেবে পুস্তিকাখনি প্ৰকাশৰ ক্ষেত্ৰত এক বিশেষ গুৰুত্ব আৰু সহায়ৰ হাত আগবঢ়াইছে। ইয়াৰ বাবে তেখেতৰ প্ৰতি আমাৰ কৃতজ্ঞতা আৰু দুআ' থাকিল যাতে আল্লাহ পাকে তেখেতৰ সৰ্বাঙ্গীন মঙ্গল দান কৰে। আ-মীন, বিজাহে ছায়্যিদিল মুৰ্ছালিন স্বাল্লাল্লাহু আ'লাইহি ওৱা ছাল্লাম।

— লেখক



pdf By Syed Mostafa Sakib



Mob - 09732704338

**REZA DARUL IFTA SOCIETY**

ISLAMPUR COLLEGE ROAD

ISLAMPUR, MURSHIDABAD, W.B India Pin- 742304

Ref............................ Date 5/2/015

From,

Mufti-e-A'zam-e-Bangal Shaikh Golam Samdani Rezvi
Islampur, Murshidabad (W.B.)

মোহতারাম জনাব ফারুক আব্দুল্লাহ নূরী সাহেব (মুসলিমঘোপা, দরং, আসাম)! আপনার দ্বীনী খিদমাতের একাংশ আমার হাতে পৌছিয়াছে, সে গুলি পাঠ করতঃ আমি অত্যন্ত আনন্দিত হইয়াছি যে, আপনি মাসলাকে আ'লা হযৰত অনুযায়ী আহ্‌লে সুন্নাতের উপরে কলমি কাজ করিয়া চলিয়াছেন। আমি আপনার জন্য আন্তরিক দোয়া করিতেছি যে, আল্লাহতায়ালা আপনাকে দীর্ঘায়ু করতঃ দ্বীনী খিদ্‌মাত করিবার তাওফীক দান করিয়া থাকেন এবং সমগ্র আসামবাসী যেন আপনার খিদ্‌মতে উপকৃত হইয়া থাকেন— আমীন, ইয়া রব্বাল আ'লামীন! বেজাহে সাইয়েদিল মুরসালিন।

(গোলাম ছামদানী রেজবী)





## সদৌ অসম ছুন্নী উ'লামা কাউন্সিলৰ সভাপতি, বিশিষ্ট ইছলামী চিন্তাবিদ, লেখক, প্ৰবন্ধকাৰ হযৰত মাওলানা মুসাম্মদ নবীউল হক ৰিজৱী চাহেবৰ অভিমত

বিছমিল্লাহিৰ ৰাস্‌মানিৰ ৰাসীম

আল্লাহু ৰাব্বু মুসাম্মাদিন স্বাল্লা আ'লাইহি ওৱা ছাল্লামা,
নাসনু ই'বাদু মুসাম্মাদিন স্বাল্লা আ'লাইহি ওৱা ছাল্লামা।
নাস্‌মাদুহু ওৱা নুস্বাল্লি আ'লা ৰাছূলিহিল কাৰীম,

বিশিষ্ট ইছলামী চিন্তাবিদ, সু-লেখক, মুসাম্মদ ফাৰুক আব্দুল্লাহ নূৰী চাহেবৰ সম্পাদিত 'বাংলাৰ বাতিল ফিৰকা ফুৰফুৰা' শীৰ্ষক পুস্তিকাখনি মনোযোগেৰে পঢ়ি চালো। পুস্তিকাখন তথ্য সমৃদ্ধ হৈছে। ইয়াত ফুৰফুৰা সম্পৰ্কত কেইবাটাও বিশেষ দিশত দৃষ্টিপাত কৰি তাৰ স্পষ্ট বিশ্লেষণ দাঙি ধৰিবলৈ লেখক যত্নপৰ হৈছে আৰু বিভিন্ন গ্ৰন্থৰ উদ্ধৃতি প্ৰদান কৰিছে। তথ্যগধুৰ এই পুস্তিকাখনি কিছুমান দোমোজাত থকা বিষয়ত এটি স্পষ্ট ধাৰণা দিবলৈ লেখক নূৰী সক্ষম হোৱা বুলি ক'ব পাৰি। কাৰণ নূৰী চাহেব এজন অতি অধ্যয়নশীল আৰু পৰিশ্ৰমী লেখক। ইছলামৰ বৈ যোৱা প্ৰকৃত সোঁত বিচাৰি তেখেতে দিন-ৰাতি পাত কৰা দেখা যায়। সেয়ে ইয়াতকৈ অধিক অধ্যয়নশীলতা আৰু বিশ্লেষণমুখিতা সন্মুখত নহা পৰ্যন্ত নূৰী চাহেবৰ এই পুস্তিকাই দেখুওৱা বাট আমাৰ অনুকৰণীয় হ'ব বুলি ভাব হয়। লেখকৰ ইতিমধ্যে প্ৰকাশিত গ্ৰন্থ সমূহত বেৰেলৱী ধাৰাৰে ইছলামী জাগৰণৰ চিত্ৰখনি আমি দেখিবলৈ পাওঁ। গ্ৰন্থ প্ৰকাশ, বাতৰি কাকতত প্ৰবন্ধ লিখন আদিৰ মাধ্যমেৰে আমি তেখেতক এই যাত্ৰাত মজবুতকৈ আগবাঢ়ি থকা দেখা পাইছো। আশা ৰাখিছো তেখেতৰ এই শ্ৰম সাৰ্থক হ'ব। ইছলামৰ পৰা ফিত্‌না গুচক, সকলো এক আৰু নেক হওক এই কামনাৰে...

মুসাম্মদ নবীউল হক ৰিজৱী
হাতীগাঁও, গুৱাহাটী- ৭৮১০৩৮
তাং ঃ ০১/০৬/২০১৫ খ্ৰীঃ

pdf By Syed Mostafa Sakib



# বিশিষ্ট প্ৰবন্ধকাৰ, লেখক, কবি, ৰাজঘাট এম.ই স্কুলৰ সহঃ শিক্ষক মঃ আৰিফ আলি চাহেবৰ অভিমত

বিছমিল্লাহিৰ ৰাস্‌মানিৰ ৰাসীম

বিশিষ্ট ইছলামী চিন্তাবিদ, লেখক, মুসাম্মদ ফাৰুক আব্দুল্লাহ নূৰী চাহেবৰ সম্পাদিত 'বাংলাৰ বাতিল ফিৰকা ফুৰফুৰা' পুস্তিকাখনি পাণ্ডুলিপি অৱস্থাতে সম্পূৰ্ণকৈ পঢ়ি চালো। ফুৰফুৰাবীসকল সম্পৰ্কত কিছু অধ্যয়নপুষ্ট খবৰ সৰ্বসাধাৰণক জনোৱাৰ উদ্দেশ্যে এই পুস্তিকাখনি নূৰী চাহেবে সম্পাদনা কৰিছে। ইয়াৰ মাধ্যমেৰে অনুসন্ধিৎসু পাঠকে যথেষ্ট সত্য সম্পৰ্কে অৱহিত হ'ব পাৰিব। কিতাপখনৰ মূল উদ্দেশ্য সততা সম্পৰ্কত সন্দেহাতীত ধাৰণা আমাৰ আছে। ইয়াত উল্লেখ আছে ফুৰফুৰাবীসকলৰ আৰম্ভণি হোতাসকলৰ প্ৰকৃত পৰিচয়, তেওঁলোকৰ জীৱন আৰু কৰ্মৰ উদ্দেশ্য সমূহৰ কিয়দাংশ। ইয়াৰ উপৰিও টীকা সমূহৰ মাধ্যমেৰে পাঠক সমাজে যথেষ্ট কিতাপৰ ঠিকনা পাব। পুস্তিকাখনৰ দ্বাৰা মুছলিমঘোপা গাঁৱৰ এজন শিক্ষিত ব্যক্তিৰ ৰচিত 'ফুৰফুৰা শ্বৰীফ আকিদা আৰু চিলছিলা' গ্ৰন্থখনিত থকা ভ্ৰান্তিমূলক কথাসমূহ উদঙাই দিবলৈ চেষ্টা কৰা হৈছে। লেখক নূৰী ইয়াত সফল হোৱা বুলি ভাবিছো। 'মজমুয়া ফাতাওয়ায় আমিনিয়া', 'ছৈয়্যদ আহমদ শ্বহীদ', 'হায়াতে তাইয়েবা', 'মুকাদ্দামায় হায়াতে ছৈয়্যদ আহমদ', 'মাকালাতে ছাৰ ছৈয়্যদ', 'তাফ্‌ছীৰে হাক্বানী', 'ছীৰাতে আহমদ শ্বহীদ', 'চাৱানিহে আহমদী', 'মাকতুবাত ছৈয়্যদ আহমদ শ্বহীদ', 'ইতিহাসে কথা কয়'... ইত্যাদি কিতাপৰ উদ্ধৃতি দি ফুৰফুৰাবীসকলৰ প্ৰকৃত কৰ্ম কোন দিশে গৈ আছে তাক উনুকিয়াই দিয়া হৈছে। আশা ৰাখিছো সৰ্বসাধাৰণ ৰাইজে পুস্তিকাখনি আকোঁৱালি লৈ সুপথ বিচাৰি পাব। লেখকৰ শ্ৰম সাৰ্থক হওক। এই কামনাৰে...

মঃ আৰিফ আলি
তাং ০৭/০৫/২০১৫





আল্‌হাম্‌দুলিল্লাহ, আল্‌হাম্‌দুলিল্লাহি কাফা ৱা ছালামুন আ'লা ই'বাদিহিল লাজিনাছ ত্বাফা, আ'ম্মা বাঅ'দ, ফা আউ'যুবিল্লাহি মিনাশ্ব শ্বাইত্বানিৰ ৰাযীম, বিছমিল্লাহিৰ ৰাস্‌মানিৰ ৰাসীম

বিৰাদৰাণ-ই-ইছলাম, আচ্ছালামু আলাইকুম ওৱা ৰাস্‌মাতুল্লাহি ওৱা বাৰাকাতুহ।

'ৰাজা ফাউণ্ডেশ্বন' (গৱেষণা আৰু প্ৰকাশন কেন্দ্ৰ) মুছলিমঘোপা, ছিপাঝাৰ, দৰং (অসম)ৰ দ্বাৰা প্ৰকাশিত 'ফুৰফুৰাৰ পীৰ আৰু বৰ্তমান অৱস্থা— ১' শীৰ্ষক ৰেজা দাৰুল ইফ্‌তা ছ'ছাইটি মুৰ্শিদাবাদ (পশ্চিমবঙ্গ)ৰ ফত্‌ৱাৰ প্ৰত্যুত্তৰ স্বৰূপে যোৱা ইং ০১-০২-২০১৫ তাৰিখে 'ফুৰফুৰা শ্বৰীফ আকিদা আৰু চিলছিলা' (প্ৰকাশক ঃ মুজাদ্দিদ ৱে'লফেয়াৰ ছ'ছাইটি, গুৱাহাটী) নামেৰে এখনি গ্ৰন্থ প্ৰকাশ হৈছে। এই গ্ৰন্থখনিত ভালেমান তথ্য বিভ্ৰাট হোৱা আমি পাইছো। এই সম্পৰ্কত মুৰ্শিদাবাদ (পশ্চিমবঙ্গ)ৰ 'ৰেজা দাৰুল ইফ্‌তা ছ'ছাইটি'ৰ লগত যোগাযোগ কৰাত হযৰত আলহাজ মুফ্‌তী খলিফা হুজুৰ তাজুশ্ব শ্বৰীআ'হ গোলাম ছামদানী ৰিজৱী চাহেবে আমাক লিখিত ভাবে জনায় যে- যোৱা ইং ৭ আৰু ৮ মাৰ্চ, ২০১৫ তাৰিখত ছিপাঝাৰ, দৰং, অসমৰ মুছলিমঘোপা গাঁৱৰ আনোৱাৰুল উ'লুম মাদ্ৰাছা প্ৰাঙ্গণত অনুষ্ঠিত হৈ যোৱা ৪ৰ্থ সংখ্যক মুছলিমঘোপা আঞ্চলিক ছীৰাতুন্নবী স্বাল্লাল্লাহু আলাইহি ৱা ছাল্লাম জলছাহ মোবাৰকত আমাক বিশিষ্ট অতিথি হিচাপে আমন্ত্ৰণ কৰি মুছলিমঘোপাবাসী ৰাইজে যিদৰে সাদৰ সম্ভাষণ কৰিলে তাৰ বাবে সমূহ গাঁওবাসীৰ ওচৰত চিৰ কৃতজ্ঞ। লগতে বিশিষ্ট ইছলামী চিন্তাবিদ, লেখক, মোৰ অতি মৰমৰ মুসাম্মদ ফাৰুক আব্দুল্লাহ নূৰী, জলছাহ উদ্‌যাপন সমিতিৰ সভাপতি মৌঃ আলহাজ মঃ ইক্ৰামুল মযীদ চাহেব, উদ্‌যাপন সমিতিৰ সম্পাদক প্ৰমুখ্যে বিষয়ববীয়া সকলোৰে শলাগ ল'লো। আল্লাহৰ ওচৰত দুআ' ৰাখিছো যেন গাঁওবাসীক সকলো ধৰণৰ বালা মচিবতৰ পৰা হিফাজত ৰাখে।

কেইদিনমান আগতে মুছলিমঘোপা, দৰং নিবাসী মুহাঃ চফিকুল হক চাহেবে ফোন কৰি লেখক মুসাম্মদ ফাৰুক আব্দুল্লাহ নূৰীৰ বিষয়ে কিছু কথা অৱগত কৰে। এই বিষয়ে মই অনুসন্ধান কৰি দেখিলো যে, নূৰী সম্পৰ্কে এই চফিকুল হক চাহেবে মোক বিকৃত কথা কৈ বিপথে পৰিচালিত কৰিবৰ চেষ্টা কৰিছে। আমি জনা অনুসৰি নূৰী চাহেবে তেওঁৰ কলমৰ যোগেদি অসমত মছলকে আ'লা হযৰত অনুযায়ী আহ্‌লে ছুন্নত ওৱাল যামাআ'তৰ হৈ বিশেষভাৱে কাম কৰি আছে। আমাৰ দুআ' থাকিল লেখক নূৰীৰ কলমত আল্লাহ পাকে বৰকত দান কৰক।

যোৱা ০৬/০৪/২০১৫ তাৰিখ সোমবাৰে মুজাদ্দিদ ৱে'লফেয়াৰ ছ'ছাইটি,

pdf By Syed Mostafa Sakib



গুৱাহাটী, অসমৰ পৰা প্ৰকাশিত 'ফুৰফুৰা শ্বৰীফ আকিদা আৰু চিলছিলা' (প্ৰকাশ কাল ঃ প্ৰথম ফেব্ৰুৱাৰী, ২০১৫) নামৰ গ্ৰন্থখন পালো। গ্ৰন্থখনত লেখকে বহু সত্য তথ্য গোপন কৰিছে আৰু প্ৰকৃত ইতিহাস বিকৃত কৰিছে। আমাৰ 'ৰেজা দাৰুল ইফ্‌তা ছ'ছাইটি', মুৰ্শিদাবাদ, পশ্চিমবঙ্গ - ৭৪২৩০৪ ৰ পৰা মুসাম্মদ ফাৰুক আব্দুল্লাহ নূৰী চাহেবৰ ফুৰফুৰা সম্পৰ্কীয় প্ৰশ্নৰ উত্তৰত যোৱা ৫ মে', ২০১৪ ত প্ৰেৰিত ফত্‌ৱা 'ফুৰফুৰাৰ পীৰ আৰু বৰ্তমান অৱস্থা— ১' (অসমীয়া ভাষান্তৰ ৪ জুলাই, ২০১৪) ৰ শীৰ্ষত এই গ্ৰন্থখনি লিখা হৈছে। লেখকে আমাৰ এই ফত্‌ৱাটিক 'সমালোচনা আৰু মিথ্যাচাৰ' (False propaganda) বুলি কৈছে (২১ পৃঃ)। লেখকে আমাক ফুৰফুৰাৰ পীৰ আৰু ছৈয়্যদ আহমদ ৰায় বেৰেলৱীৰ বিষয়ে কিছু জ্ঞান আহৰণ কৰিবলৈ পৰামৰ্শ দিছে। লেখকৰ পৰামৰ্শ অনুসৰি আমি ফুৰফুৰাৰ পীৰ আৰু ছৈয়্যদ আহমদ ৰায় বেৰেলৱী সম্পৰ্কত তেখেত সকলৰ জীৱনী গ্ৰন্থ আৰু ফুৰফুৰাৰ পৰা প্ৰকাশিত গ্ৰন্থ সমূহৰ আলমত এই পৰ্যালোচনাটি আগবঢ়ালো। অৱশ্যে আমাৰ এই পৰ্যালোচনাত সকলো ধৰণৰ বাহিৰা কিতাপৰ উদ্ধৃতি বাদ দিয়া হৈছে। সহায়ক গ্ৰন্থসমূহ— যেনেঃ 'মজমুয়া ফাতাওয়ায় আমিনিয়া'- মৌঃ ৰুহুল আমীন, 'দেওবন্দীদেৰ কতিপয় ভ্ৰান্ত মতবাদ ও তাৰ ৰদ্দ' - মৌঃ আব্দুল কাইয়্যুম, 'ছৈয়্যদ আহমদ শ্বহীদ বাংলা' - মৌঃ আব্দুল কাইয়্যুম, 'হায়াতে তাইয়েবা' - মিৰ্যা হায়ৰাত দেহ্‌লৱী', 'ছীৰাতে আহমদ শ্বহীদ' - মৌঃ আবুল হাচান আলী নাদৱী, 'চাৱানিহে আহমদী' - মৌঃ জাফৰ থানেশ্বৰী .... ইত্যাদি। এই গ্ৰন্থসমূহৰ লেখক সকল ফুৰফুৰা ছিলছিলাৰ ছৈয়্যদ আহমদৰ ভক্ত।

ইয়াত মুঠেই সন্দেহ নাই ফুৰফুৰা ছিলছিলা পশ্চিমবংগৰ বাতিল ফিৰকা। এই ছিলছিলাৰ গোমৰাহী সম্পৰ্কে আমাৰ 'ইমাম আহমদ ৰেজা' পত্ৰিকাৰ ২য় সংখ্যাৰ সমীক্ষাত আৰু ৩য় সংখ্যাৰ 'দিশহাৰা ফুৰফুৰা' শিৰোনামাত বিস্তাৰিত আলোচনা কৰা হৈছে। আলসামদুলিল্লাহ! যিসকলে ঈমান আৰু ইছলামৰ যথাৰ্থ মূল্য দিয়ে এই প্ৰকাৰ হাজাৰ হাজাৰ মানুহ এওঁলোকৰ গোমৰাহী চৰিত্ৰ সম্পৰ্কে অৱগত হৈ ফুৰফুৰাৰ ছিলছিলাৰ সৈতে সকলো প্ৰকাৰ সম্পৰ্ক ত্যাগ কৰি উ'লামাএ আহ্‌লে ছুন্নত বেৰেলৱী সকলৰ ওচৰত আশ্ৰয় গ্ৰহণ কৰিছে। আজি পৰ্যন্ত এই ছিলছিলাৰ সকলোতকৈ ডাঙৰ আলীম মেজো হুজুৰ মৌঃ আবু জাফৰ ছিদ্দিকীৰ পৰা আৰম্ভ কৰি এই পীৰৰ বংশৰ কোনো চাহেবজাদা পৰ্যন্ত আমাৰ পত্ৰিকাৰ বিৰুদ্ধে কলম ধৰি নিজৰ ছিলছিলাক গোমৰাহী মুক্ত কৰিব পৰা নাই। কিন্তু তেওঁলোকে আমাৰ বিৰুদ্ধে বিষোদগাৰ কৰিবলৈ কম কৰা নাই।

অধিকাংশ ফুৰফুৰা পন্থীয়ে নাজানে যে তেওঁলোকৰ ছিলছিলাৰ স্বৰূপ





কি? মৌঃ কুতুবুদ্দিন ছিদ্দিকীয়ে 'ফুৰফুৰা শ্বৰীফৰ ছিলছিলাৰ পৰিচয়' নামেৰে এখন ইস্তাহাৰ প্ৰকাশ কৰিছিল। এই ইস্তাহাৰত ১৮ টা বিষয় অন্তৰ্ভুক্ত হৈছে। এই ১৮ টি বিষয়েই হ'ল ফুৰফুৰাৰ বুনিয়াদ। এই পন্থীৰ সাধাৰণ মানুহ আৰু একাংশ আলীমে মৰ্মে মৰ্মে উপলব্ধি কৰিছে যে তেওঁলোকৰ বুনিয়াদ সমূহ অত্যন্ত ক্ষীণ। এই দুৰ্বল বুনিয়াদ বিলাকৰ ভিত্তিত এটি বৃহৎ যামাআ'তৰ বাহিৰত থকা মুঠেই উচিত নহয়। সেয়ে এওঁলোকে ব্যাপকভাৱে দেওবন্দ মুখী হৈ গৈছে। মুঠ কথা দেওবন্দীসকলৰ লগত ফুৰফুৰাবী সকলৰ কোনো মৌলিক বিষয়ত মতভেদ নাই। অথচ এওঁলোকে পৰস্পৰে পৰস্পৰক প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে কাফিৰ, মুশ্বৰিক আখ্যা দিছে। এয়াই হ'ল এই ছিলছিলাৰ গোমৰাহী আৰু বাতিল (পথভ্ৰষ্ট) ফিৰকা হোৱাৰ মূল কাৰণ।

<u>মৌঃ ৰুহুল আমীন চাহেবৰ ইছলাম দৰ্শন ঃ</u>

মৌঃ ৰুহুল আমীন চাহেব ফুৰফুৰাৰ প্ৰাণ। লেখনীৰ ময়দানত তেওঁ প্ৰধান। ফুৰফুৰাবী সকলক সাৱধান কৰি তেওঁ লিখিছে- "মযহব দ্ৰোহী দল আৰবৰ পৰা বিতাৰিত হৈ কাবুল প্ৰদেশত আশ্ৰয় গ্ৰহণ কৰে। পিছত তাৰ পৰা বিতাৰিত হৈ ভাৰতত গুপ্তভাৱে অৱস্থান কৰে। তেওঁলোকৰ লগত যিবিলাক কিতাপ আহিছিল তাৰ ভিতৰত 'কিতাবুত তাওহীদ' অন্যতম। এওঁলোকৰ প্ৰসিদ্ধ আলীম মৌঃ ইছমাঈল দেহ্‌লৱীয়ে এই গ্ৰন্থৰ উৰ্দু অনুবাদ কৰি নাম দিলে 'তাক্বৱিয়াতুল ঈমান' এই গ্ৰন্থ অনুসৰি প্ৰণয়নকাৰীৰ শিক্ষক সকলৰ পৰা নবী কৰীম (স্বাঃ) পৰ্যন্ত কোনোৱে শ্বিৰ্কৰ মহাপাপৰ পৰা মুক্ত থাকিব পৰা নাই। যিসকলে এই গ্ৰন্থ আৰু পূৰ্ব বৰ্ণিত মযহব দ্ৰোহী সকলৰ মতামত বিলাক সত্য বুলি জ্ঞান কৰে, এওঁলোকৰ আক্বীদা সমৰ্থন কৰে তেওঁলোক প্ৰকৃতপক্ষে ওৱাহাবী আৰু লা মযহাবী। এওঁলোক ঘোৰ ধৰ্মদ্ৰোহী, এই মযহব অমান্য কাৰী সকল ওৱাহাবী আৰু লা মযহাবী, গাইৰ মুকাল্লিদ, আহ্‌লে হাদীচ, মুহাম্মদী ও দেওবন্দী কাছিমী। এওঁলোক নানা দলত বিভক্ত হৈছে। এওঁলোকে নিজকে ছুন্নত যামাআ'ত এনেকি হানাফী বুলি পৰিচয় দিবলৈ কুণ্ঠাবোধ নকৰে। কিন্তু এওঁলোকৰ আক্বীদা (ধ্যান ধাৰণা) সম্পূৰ্ণ ৰূপে ছুন্নাতুল যামাআ'তৰ ৪ মযহবৰ বিপৰীত। ছুন্নাতুল যামাআ'তৰ আলীমসকলে এওঁলোকৰ ভ্ৰান্ত ধাৰণা আৰু কুমত সমূহৰ অখণ্ডনীয় যুক্তি আৰু দলীলৰ দ্বাৰা আঁতি গুৰি মাৰি খণ্ডন কৰিছে। এওঁলোক যে পথভ্ৰষ্ট, ধৰ্মদ্ৰোহী সেয়া তেওঁলোকৰ ২০ খন গ্ৰন্থৰ দ্বাৰা প্ৰমাণিত হৈছে। এই দলবিলাকৰ লগত সকলো প্ৰকাৰ সম্বন্ধ নৰখা অতি অত্যাৱশ্যক।" (ইছলাম দৰ্শন, ২য় সংখ্যা, ফাগুন, ১৩২২ সাল, অভিশপ্ত মযহব পৃঃ ১১৬/১১৭)

ফুৰফুৰাপন্থীসকল, উপৰোক্ত উদ্ধৃতিটি এবাৰ শীতল মস্তিস্কৰে ভাবি

pdf By Syed Mostafa Sakib



চাওঁক । ওৱাহাবীসকল কি মুছলমান? বৰ্তমান এই ওৱাহাবী সম্প্ৰদায় 'আহ্‌লে হাদীচ', 'দেওবন্দী' প্ৰভৃতি দলত বিভক্ত হৈছে যি আপোনালোকৰ মৌলানাই চিনাক্ত কৰিছে। অথচ মৌঃ ৰুহুল আমীন চাহেবে স্বয়ং দেওবন্দী সকলৰ পৃষ্ঠপোষকতা কৰিছে। ফুৰফুৰাৰ বড় হুজুৰ মৌঃ আব্দুল হাই ছিদ্দিকীয়ে ১৯৭৫ চনৰ ২২ ফাগুনত ঈছালে চাৱাবত প্ৰকাশ্যভাৱে 'আহ্‌লে হাদীচ'পন্থী সকলক ভাই বুলি কৈছে। তেখেতৰ ডাঙৰ চাহেবজাদা আনছাৰ চাহেবে অনেক জলছাহত কৈছে– "মই হযৰত থানৱীৰ জোতা মূৰত লৈ ওৱাজ কৰিম।" আমাৰ প্ৰচেষ্টাত ইছলামপুৰ কলেজ ৰোড, মুৰ্শ্বিদাবাদত যোৱা ২০ নৱেম্বৰ, ২০১১ তাৰিখ ৰবিবাৰে 'ঐতিহাসিক হানাফী সন্মিলন' অনুষ্ঠিত হৈ যায়। এই সন্মিলনৰ বিৰোধিতা কৰি ফুৰফুৰাপন্থীসকলে 'ঐতিহাসিক বিশাল দ্বীনী সমাবেশ' কৰিছিল। সমাবেশৰ সভাপতি আছিল ফুৰফুৰাপন্থী আলিম মৌঃ খলিলুৰ ৰহমান। প্ৰধান বক্তা আছিল বিখ্যাত দেওবন্দী বক্তা গোলাম মোৰ্তজা মেমৰী, মুৰ্শ্বিদাবাদৰ কুখ্যাত গায়ৰ মুকাল্লিদ ইমৰুল কায়েছ। আমাৰ সন্মিলন ব্যৰ্থ কৰিবৰ বাবে ওচৰা ওচৰিকৈ প্ৰায় ১৫-২০ খন জলছাহ অনুষ্ঠিত কৰিছিল। এই বিৰোধিতাৰ পিছতো ৫০-৬০ হাজাৰ লোক, ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তৰ পৰা সহস্ৰাধিক আলীম উপস্থিত হৈছিল। সংবাদ পত্ৰত আৰু অধিক লোক হোৱা বুলি কোৱা হৈছিল। বৰ্তমান এই পন্থীৰ সমস্ত আলীমে ওৱাহাবী দেওবন্দী সম্প্ৰদায়ক আহ্‌লে ছুন্নত বুলি কৈছে। এইবাৰ কওঁক এওঁলোকৰ প্ৰতি আপোনাৰ ধাৰণা কি?

মৌঃ ৰুহুল আমীন চাহেবৰ 'মজমুয়া ফাতাওয়ায় আমিনিয়া'ৰ ৪ৰ্থ খণ্ডৰ ৪৯ পৃষ্ঠাত আছে– প্ৰশ্ন ঃ দেওবন্দ মাদ্ৰাছা ওৱাহাবী সকলৰ নেকি? মৌঃ আশ্ৰফ আলী থানৱী, মৌঃ ৰচিদ আহমদ গংগুহী, ছৈয়্যদ আহমদ ৰায় বেৰেলৱী, মৌঃ কাছিম নানথৱী, মৌঃ খলিল আহমদ আম্বেঠী, মৌঃ ইছমাঈল দেহ্‌লৱী আদি ওৱাহাবী নে ছুন্নী? ওৱাহাবী সকলৰ উৎপত্তি ক'ৰ পৰা আৰু তেওঁলোকৰ পৰিচয় কি?

উত্তৰ ঃ দেওবন্দ মাদ্ৰাছা ওৱাহাবীসকলৰ মাদ্ৰাছা নহয়। যিসকলে মযহৱ অমান্য কৰে, ইমামসকলৰ মযহৱ মান্য কৰা শ্বিৰ্ক বোলে তেওঁলোকেই ওৱাহাবী। উল্লেখিত আলীমসকল কোনোৱেই এই শ্ৰেণীভূক্ত নহয়। মৌঃ ইছমাঈল দেহ্‌লৱী প্ৰথম ওৱাহাবী আছিল। সেই সময়ত তেওঁ 'তনবিৰুল আখওয়ান' ইত্যাদি কিতাপ লিখিছিল। পিছত তেওঁ ছৈয়্যদ আহমদ ৰায়বেৰেলৱীৰ হাতত মুৰীদ হৈ ত্বৰীক্বত পন্থী হয় আৰু তেওঁৰ উপদেশ মতে ওৱাহাবী মত পৰিত্যাগ কৰি হানাফী হৈছিল। দেওবন্দী মৌলানা সকলৰ লগত আমাৰ কেইটামান ফৰুয়াত (ফাৰায়াত) মছলাক লৈ মতভেদ আছে। আমি মীলাদ শ্বৰীফৰ ক্বিয়াম কৰা মুস্তাহাব বোলো, তেওঁলোকে



বাংলাৰ বাতিল ফিৰকা ফুৰফুৰা

নাজায়েজ, হাৰাম আৰু শ্বিৰ্ক বোলে। মৌঃ ৰচিদ আহমদ গংগুহীয়ে ওৱাহাবী সকলৰ প্ৰশংসা কৰিছে আমি তেওঁলোকক বিদআ'তী ভাবো। মৌঃ আশ্ৰফ আ'লী থানৱীয়ে 'হিফ্‌জুল ঈমান'ৰ ৮ পৃঃত হুজুৰ পাক স্বাল্লাল্লাহু আলাইহি ৱা ছাল্লামৰ ইল্‌মক সৰু ল'ৰা, পাগল, জন্তুৰ লগত তুলনা কৰিছে। মৌঃ ৰচিদ আহমদ গংগুহীয়ে ফাতাৱা মীলাদ শ্বৰীফৰ ১৩ পৃঃত নবী (স্বাঃ)ৰ মীলাদ শ্বৰীফক হিন্দুসকলৰ শ্ৰীকৃষ্ণৰ সঙ কৰাৰ লগত তুলনা কৰিছে। মৌঃ খলিল আহমদ আম্বেঠীয়ে 'বাৰাহীনে কাত্বীয়া'ৰ ৫১ পৃঃত হুজুৰ পাক স্বাল্লাল্লাহু আলাইহি ৱা ছাল্লামৰ ইল্‌মক শ্বয়তানতকৈ কম বুলি কৈছে। এই ধৰণৰ আৰু কেইটামান মছলাত তেওঁলোকে দুনীয়াৰ ছুন্নী আলীম সকলৰ বিপৰীত মত ধাৰণ কৰিছে। এই বাবে হয়তো হিন্দুস্তানৰ এদল আলীমে তেওঁলোকৰ ওপৰত কুফ্‌ৰী ফত্‌ৱা দিবলৈ কুণ্ঠাবোধ কৰা নাই। আমি কওঁ মানুহ মাত্ৰেই ভুল ভ্ৰান্তি আছে। তেওঁলোকৰ ভ্ৰান্তিমূলক মছলাবিলাকৰ ওপৰত আমি আ'মল নকৰোঁ। কিন্তু তেওঁলোকক কাফিৰ, ওৱাহাবী ইত্যাদি বুলি নিজৰ ৰচনাক কলুষিত কৰা উচিত নহয়।"

ফুৰফুৰাপন্থী সকল! আপোনালোকৰ জগত বিখ্যাত মৌঃ ৰুহুল আমীন চাহেব। যিয়ে ওৱাহাবীসকল সম্পৰ্কে তীব্ৰ ভাষাত প্ৰতিবাদ কৰি ধৰ্মদ্ৰোহী, গোমৰাহ বুলি কৈছে আৰু দেওবন্দীসকলক ওৱাহাবী বুলি চিনাক্ত কৰিছে। আজি তেওঁ 'দেওবন্দীসকল ওৱাহাবী নহয় বুলি' গোমৰাহ নহ'লনে? মৌঃ ইছমাঈল দেহ্‌লৱীৰ তৌবাহ সম্পৰ্কে মৌঃ ৰুহুল আমীন চাহেবে গোকাট মিছা কথা কৈছে। কোনো কিতাপত তেওঁৰ তৌবাহ নামাৰ উল্লেখ নাই। আজি পৰ্যন্ত কোনো দেওবন্দী আলীমে ইছমাঈল দেহ্‌লৱীৰ তৌবাহৰ কথা স্বীকাৰ কৰা নাই। সঁচাকৈ যদি তেওঁ তৌবাহ কৰিছে তেনেহ'লে আজি পৰ্যন্ত ফুৰফুৰা পন্থীসকলে তেওঁৰ বিৰুদ্ধে বিষোদগাৰ কৰি বেঈমান হৈছে কিয়? চোৰৰ স্বীকাৰোক্তিৰ পিছতো চোৰক চোৰ বুলিবলৈ ৰাজী নহয় অথবা চোৰক চোৰ নহয় বুলি প্ৰচাৰ কৰি থাকে সেই ব্যক্তি চোৰতকৈ কম দোষী নহয়। বৰং সি চোৰতকৈ অধিক অপৰাধী। ৰুহুল আমীন চাহেবে যিসকলক ওৱাহাবী নহয় বুলি কৈছে। অৱশ্যে তেওঁলোকে নিজকে 'ওৱাহাবী' বুলিহে গৌৰৱবোধ কৰিছিল। উ'লামাএ দেওবন্দৰ খ্যাতনামা আলীম মৌঃ মঞ্জুৰ নোঅ'মানী আৰু তব্‌লীগী নিছাবৰ লেখক মৌঃ জাকাৰিয়া কান্দলৱী চাহেবানে এক বিশেষ মছলা আলোচনা প্ৰসঙ্গত নিজকে ওৱাহাবী বুলি পৰিচয় দিছে। নোঅ'মানী চাহেবে কৈছে– "মই মোৰ সম্পৰ্কে পৰিষ্কাৰ ঘোষণা কৰিছোঁ মই ডাঙৰ কঠোৰ ওৱাহাবী হওঁ।" (চাৱানিহে মৌলানা ইউছুফ, পৃঃ ১৯১) ইয়াৰ উত্তৰত মৌঃ জাকাৰিয়া চাহেবে ক'লে – "মৌলৱী চাহেব! মই নিজে তোমাতকৈ ডাঙৰ ওৱাহাবী হওঁ।" (চাৱানিহে মৌলানা ইউছুফ, পৃঃ ১৯৩)

pdf By Syed Mostafa Sakib



মৌঃ আশ্রফ আলী থানৱী চাহেবে কয়- “ভাইহঁত ইয়াত ওৱাহাবীসকল থাকে ফাতিসাহৰ চিন্নী নপথাব।” (আশ্রাফুচ চাৱানিহ, ১ম খণ্ড, পৃঃ ৪৫০) থানৱী চাহেবে আৰু কয়- “যদি মোৰ হাতত ১০,০০০ টকা থাকিলহেঁতেন তেন্তে উপঢৌকন দি মানুহক ওৱাহাবী বনালোহেঁতেন।” (আল্ ইফাদাতুল ইয়াওমিয়াহ, ৩য় খণ্ড, পৃঃ ৯৭) যদি কোনোৱে খৃষ্টান বুলি নিজকে পৰিচয় দিয়ে, তেনেহ'লে তেওঁক মুছলমান বুলি গণ্য কৰা উচিত নহ'ব। উল্লেখিত আলীমসকল কোনো সাধাৰণ আলীম নহয়। দেওবন্দৰ শীৰ্ষস্থানীয় আলীম। যেতিয়া তেওঁলোকে স্ব ইচ্ছাই নিজকে ওৱাহাবী বুলি পৰিচয় দান কৰিছে তেতিয়াহ'লে ‘তেওঁলোক ওৱাহাবী নহয়’ বুলি ৰুহুল আমীন চাহেবে কিয় ওকালতি কৰিছে? উল্লেখ্য যে এই আলীম সকলেই ভাৰতবৰ্ষত প্ৰথম মীলাদ, ফাতিসাহ ইত্যাদিৰ বিৰোধীতা কৰিছিল। এই আলীমসকল আছিল ব্ৰিটিছৰ সাহায্য পুষ্ট। ইং ১৮৫৭ চনত ভাৰতৰ সমস্ত গণ্য মান্য উ'লামা কিৰামে ইংৰাজৰ বিৰুদ্ধে জিহাদৰ ফত্‌ৱা দি অনেক লাঞ্চনা ভোগ কৰিছিল, নিৰ্বাসিত পৰ্যন্ত হৈছিল। কিন্তু উল্লেখিত মৌলানা সকলৰ মতে - “ৰহম দিল ইংৰাজ সকলৰ প্ৰজা হিচাপে তেওঁলোকক সাহায্য কৰা আছিল ফৰজ (বাধ্যতামূলক)। ইংৰাজ সকলৰ বিৰুদ্ধে জিহাদ সম্পূৰ্ণ হাৰাম।” (হায়াতে তাইবীয়া, পৃঃ ২৯৬, তাৰিখে আজীবা, পৃঃ ৯১) ইয়াৰ উপৰিও তেওঁলোকে ইংৰাজৰ পক্ষালম্বন কৰি ইংৰাজৰ মনোৰঞ্জনৰ বাবে ভাৰতবাসী এনেকি মুছলমান সকলৰ বিৰুদ্ধেও জিহাদ চলাইছিল বুলি ‘তাজ্‌কিৰাতুৰ ৰচিদ, ২য় খণ্ড, পৃঃ ২৭০ আৰু ‘নুয্‌হাতুল খাওৱাতীৰ’ ৭ম খণ্ড ৪০৬ পৃঃত উল্লেখ আছে। তেওঁলোকৰ ইংৰাজ প্ৰীতিৰ আৰু অনেক প্ৰমাণ আছে ‘ছীৰাতে আহমদ শ্বহীদ’, ১ম খণ্ড, ১৯০ পৃঃ, তাৰিখে আজীবা, ৮২/৮৯ পৃঃ, হায়াতে তাইবিয়া ৩০২ পৃঃ, মুকালামাতুচ চাদৰাইন, ৮, ১১ পৃষ্ঠাত।

উপৰোক্ত মৌলৱী সকলে ভাৰতবৰ্ষত ওৱাহাবী আন্দোলন চলাইছিল। আৰবৰ নিচিনা এই দেশৰ ওৱহাবী সকলো ইংৰাজৰ লগত ঘনিষ্ঠ সম্পৰ্ক আছিল। পৰৱৰ্তী সময়ত ইংৰাজৰ আৰ্থিক সাহায্যপুষ্ট এই মৌলৱী সকলকেই ‘মুজাদ্দিদ’, ‘শ্বহীদ’, ‘মুজাহিদ’ আখ্যা দিয়া হৈছে। (আধুনিক ভাৰতেৰ ইতিহাস, পৃঃ ১৯৯, ইতিহাস কথা কয়, পৃঃ ১১৭, লেখক মুহাম্মদ মুদাব্বিৰ, ১ম প্ৰকাশ ১৯৮১ চন, প্ৰকাশক ঃ ইছলামী ফাউণ্ডেশ্বন, বাংলাদেশ) জঘন্য আক্বীদাহৰ বাবে উপৰোক্ত আলীমসকলক মক্কা-মদীনা শ্বৰীফৰ মুফ্‌তীয়ানে কিৰামকে ধৰি ভাৰতবৰ্ষৰ সমস্ত ছুন্নী উ'লামা কিৰামে কুফৰী ফতোৱা প্ৰদান কৰিছে। মক্কা-মদীনা শ্বৰীফৰ ফত্‌ৱা ‘হুচ্ছামুল হাৰমাঈন’ আৰু ভাৰতবৰ্ষৰ ২৬৮ জন আলীমৰ ফত্‌ৱা ‘আশ্ব্ শ্বাৱাৰিমূল হিন্দীয়া’ নামেৰে প্ৰকাশিত





হৈছে। ইনচাফ কৰি কওঁক, তেওঁলোক কি মুছলমান? যদি দেহত এক বিন্দুও ঈমানৰ ৰক্ত থাকে, তেনেহ'লে কি কোনো মুছলমানে ওৱাহাবী সকলক সমৰ্থন কৰিব পাৰিব? হায়, হায়! ফুৰফুৰাবী সকলে বিভ্ৰান্ত কৰা নাইনে?

এইবাৰ কওঁক, ‘হুজুৰ পাক স্বাল্লাল্লাহু আলাইহি ৱা ছাল্লামৰ ইল্‌ম শ্বয়তানতকৈ কম’ (বাৰাহীনে কাত্বীয়া), ‘হুজুৰ পাক (স্বাঃ)ৰ ইল্‌ম পাগল, সৰু ল'ৰাৰ দৰে’ (হিফ্‌জুল ঈমান), ‘ক্বিয়াম কৰা শ্ৰীকৃষ্ণৰ সঙ’ বোলা যদি অপৰাধ আৰু কুফৰী নহয় তেনেহ'লে কোন কৰ্ম আৰু কোন কথা কুফৰী হ'ব? দেওবন্দীসকলৰ পৰা ওৱাহাবী সকললৈ কি জঘন্য অপৰাধ আছিল যাৰ কাৰণে তেওঁলোকক কাফিৰ বোলা হয়? জগত বিখ্যাত আলীম সকলে যেতিয়া এই সমস্ত কথাৰ কাৰণে থানৱী, গংগুহী, নানথৱী, এম্বুটয়ীক কাফিৰ মুৰতাদ বুলি ফতোৱা দিছিল তেতিয়া মৌঃ ৰুহুল আমীন চাহেব ক'ত আছিল? কিয় তাৰ বিৰুদ্ধে প্ৰতিবাদ কৰা নাছিল আৰু যদি সত্যকৈ উক্ত কথা বিলাক দোষৰ কথা নহয় তেনেহ'লে ফুৰফুৰাপন্থীয়ে দেওবন্দী সকলৰ বিৰুদ্ধে বিষোদগাৰ কৰি শ্বয়তানী কৰিছে কিয়? স্বয়ং মৌঃ ৰুহুল আমীন চাহেবে ‘কিশোৰগঞ্জৰ ক্বিয়ামৰ বাহাস'ত থানৱীৰ কাফিৰৰ ফতৱা উত্থাপন কৰিছে কিয়? বাহাসত জয় লাভ কৰিবৰ বাবে নেকি? মৌঃ ৰুহুল আমীন চাহেবৰ দ্বিমুখী মুনাফিকী নীতিৰ বাবে ইছলামৰ এটি বিৰাট অধ্যায় বাদ পৰি নাযায়। নবী পাক (স্বাঃ) সম্পৰ্কে যিমানেই বেআদবী নকৰক কিয় অনুৰূপ ক্বুৰ্‌আন-হাদীচ আৰু ইছলাম সম্পৰ্কে যিমানেই বিৰূপ মন্তব্য নকৰক কিয় কাকো কাফিৰ বোলা নাযাব। নাউ'জুবিল্লাহ!

দাদা হুজুৰে জমিঅ'ত-ই- উ'লামা-ই-হিন্দৰ লগত সদায় সু-সম্পৰ্ক ৰক্ষা কৰিছিল আৰু জমিঅ'তৰ অনেক সভাত তেখেতে সভাপতিত্ব কৰিছিল। চৌমহানীৰ সভাত দেওবন্দীসকলৰ শ্বাইখুল ইছলাম মৌঃ হুছাইন আহমদ মাদানী উপস্থিত আছিল। (ফুৰফুৰাৰ হজৰত, পৃঃ ৬৩) মৌঃ ৰুহুল আমীন চাহেবৰ শিষ্য আইনুদ্দীন গোবিন্দপুৰীয়ে লিখিছে- “জমিঅ'ত উ'লামা-ই- হিন্দ বাংলা, অসমত প্ৰসাৰ লাভ কৰিব পৰা নাছিল। ফুৰফুৰাৰ মহামান্য পীৰ চাহেব কিবলাই জমিঅ'ত উ'লামাক সমৰ্থন কৰাত মৌঃ ৰুহুল আমিন চাহেবৰ প্ৰাণপণ চেষ্টা আৰু প্ৰচাৰৰ ফলত বাংলা, অসমত জমিঅ'ত উ'লামা-ই- হিন্দৰ প্ৰসাৰ প্ৰতিপত্তি পূৰ্ণমাত্ৰাত বিৰাজ কৰিছিল আৰু ফতোৱা প্ৰচাৰ কৰিলে যে দেওবন্দী আলীমসকল ওৱাহাবী, কাফিৰ নহয়। তেতিয়া তেওঁলোকৰ ওপৰৰ পৰা উক্ত কলংক দূৰীভূত হৈছিল।” (তব্‌দিদে এয়াদাতে হাফাওয়াতে ক্বাছিমী, পৃঃ ১২৯) ফুৰফুৰাবীসকল, মৌঃ ৰুহুল আমীন চাহেব ওৱাহাবী সকলৰ কিমান ডাঙৰ পৃষ্ঠপোষক আছিল? দেওবন্দীসকলৰ বৃহৎ শাখাৰ নাম জমিঅ'ত উলামা-ই-

pdf By Syed Mostafa Sakib



হিন্দ। জমিঅ'তৰ প্ৰতিজন সদস্য ওৱাহাবী দেওবন্দী। অথচ এই জমিঅ'তৰ প্ৰসাৰৰ বাবে পীৰ আৰু মুৰীদে প্ৰাণপণ প্ৰচেষ্টা চলাইছে আৰু এওঁলোক ওৱাহাবী, কাফিৰ নহয় বুলি চাৰ্টিফিকেট দিলে কিয়? এই মৌলিক প্ৰশ্নৰ উত্তৰত দৃঢ়তাৰ সৈতে ক'ব পাৰি যে যিহেতু ফুৰফুৰাবী আৰু দেওবন্দীসকলৰ উৰ্দ্ধতন পীৰ ছৈয়্যেদ আহমদ ৰায়বেৰেলৱী 'ওৱাহাবী' আছিল (আধুনিক ভাৰতেৰ ইতিহাস, পৃঃ ১৯৯, ইতিহাস কথা কয়, পৃঃ ১১৭, লেখক মুহাম্মদ মুদাব্বিৰ, ১ম প্ৰকাশ, ১৯৮১ চন, প্ৰকাশক ঃ ইছলামী ফাউণ্ডেশ্বন, বাংলাদেশ) সেয়ে যদি দেওবন্দীসকল ওৱাহাবী কাফিৰ বুলি প্ৰমাণিত হয় তেনেহ'লে ফুৰফুৰাবী সকলো এই কলংকৰে কলংকিত হ'ব। সেয়ে এওঁলোক প্ৰথমতে দেওবন্দীসকলৰ প্ৰতি খড়্গহস্ত হৈছিল কিন্তু অনেক চিন্তা চৰ্চাৰ পিছত পীৰ আৰু মুৰীদ উভয়েই কৈছে- "এওঁলোক ওৱাহাবী কাফিৰ নহয়।" কিমান ডাঙৰ প্ৰবঞ্চক!

দাদাহুজুৰ পীৰ মৌঃ আবুবক্কৰ ছিদ্দিকী চাহেবে মৌঃ ৰুহুল আমীন চাহেবক কৈছিল- "বাবা, তুমি যদি নাথাকিলাহেঁতেন তেতিয়াহ'লে বংগ-অসমৰ মুছলমানসকল ওৱাহাবী, কাদিয়ানী, শ্বিয়া, বিদ্আ'তী আৰু গোমৰাহ হৈ গ'লহেঁতেন।" (ধোকা ভঞ্জন, পৃঃ ৩৫) ধন্য পীৰ আৰু ধন্য পীৰৰ মুৰীদ। পীৰ আৰু মুৰীদ উভয়েই যৎ পৰনাস্তি প্ৰচেষ্টা চলাই বাংলা, অসমত ওৱাহাবী সকলৰ ভেঁটি সুদৃঢ় কৰিছিল। আকৌ কৈছে - "বাবা, তুমি নাথাকিলে সকলোৱে ওৱাহাবী হৈ গ'লহেঁতেন।" এয়াতো ডাঙৰ আশ্চৰ্যৰ কথা! দেওবন্দীসকল যদি ওৱাহাবী নহয় আৰু আহ্‌লে হাদীচ সকল যদি ফুৰফুৰাবী সকলৰ ভাই হয় তেনেহ'লে মৌঃ ৰুহুল আমীন চাহেবে যি 'ওৱাহাবী' নামৰ জন্তু-জানোৱাৰৰ লগত ৩৩ খন বাহাস (ফুৰফুৰা শ্বৰীফ আকিদা আৰু চিলছিলাত 'কিশোৰগঞ্জৰ ক্বিয়ামৰ বাহাস', 'গৌৰীপুৰৰ বাহাস', 'সিৰাজগঞ্জেৰ বাহাস' আদি বাহাসৰ নাম উল্লেখ কৰিছে) কৰিছিল সেই জানোৱাৰ বিলাক ভাৰতবৰ্ষৰ কোন জংগলত বাস কৰে? জানিব পাৰিলে দেখিবলৈ গ'লোহেঁতেন চিৰিয়াখানাতটো 'ওৱাহাবী' নামৰ কোনো জানোৱাৰ দেখা নাযায়।

<u>আইনুদ্দীন গোবিন্দপুৰী ফুৰফুৰাবীৰ গোমৰাহী ঃ</u>

আমি 'ইমাম আহমদ ৰেজা' পত্ৰিকাত লিখিছো মৌঃ ৰুহুল আমীন চাহেবে বেৰেলৱী সকলক খাঁটী আহ্‌লে ছুন্নত বুলি কৈছে। সেয়ে আকৌ দেওবন্দী সকলক আহ্‌লে ছুন্নত বোলা তেওঁৰ মাৰাত্মক ভুল। কাৰণ বেৰেলৱীসকলৰ সৈতে দেওবন্দীসকলৰ মৌলিক মতভেদ আছে। উভয়েই আহ্‌লে ছুন্নত হ'ব নোৱাৰে। অনুৰূপ কাৰণে আজিজুল হক ক্বাছিমী চাহেবেও কৈছে যে - "বেৰেলৱীসকলক





খাঁটী আহ্‌লে ছুন্নত বোলা মৌঃ ৰুহুল আমীন চাহেবৰ মাৰাত্মক ভুল হৈছে।" আইনুদ্দিন গোবিন্দপুৰীয়ে গুৰুক বচাবৰ বাবে লিখিছে- মজমুয়া ফাতাওয়ায় আমিনিয়া, ৪ৰ্থ খণ্ড, পৃঃ ৫১, ১১৮৭ নং মছলা, <u>প্ৰশ্ন ঃ</u> ইমাম আহমদ ৰেজা খাঁ ৰাস্মাতুল্লাহি আলাইহ কেনে আলীম আছিল? তেওঁৰ মাদ্ৰাছাত পঢ়া কি? <u>উত্তৰ ঃ</u> তেওঁ (ৰহঃ) অদ্বিতীয় আলীম আছিল, তেওঁ মীলাদৰ ক্বিয়াম জায়েজ বুলি কৈছিল। আমাৰ অনেক মতৰ লগত তেখেত (ৰহঃ)ৰ মতৰ মিল আছিল। তেওঁ (ৰহঃ)ৰ শ্বাগৰিদ সকলৰ ভিতৰত ডাঙৰ ডাঙৰ প্ৰসিদ্ধ আলীম আছিল। তেওঁলোক খাঁটি ছুন্নী আছিল। দেওবন্দীসকলৰ কেইজনমান আলীমক তেওঁ কাফিৰ ফতৱা প্ৰদান কৰিছে। আমি কিন্তু তেওঁ (ৰহঃ)ৰ এই ফত্‌ৱাৰ ওপৰত আ'মল নকৰোঁ। আমি দেওবন্দী আলীম সকলৰ উক্ত প্ৰকাৰ ভ্ৰান্তিক ইজতিহাদী ভ্ৰম বুলি ধাৰণা কৰোঁ।

ফুৰফুৰাবীসকলে কয় - "মৌঃ ৰুহুল আমীন চাহেবৰ দৰে আলীম পৃথিৱীত বিৰল।" (তৰদিদ, পৃঃ ৪৪) যদি কোনোৱে নিজৰ চাকিটো সূৰ্য বুলি সন্তুষ্ট হয়। তাত কাৰো ক'বলগীয়া নাই। কিন্তু এই প্ৰকাৰ নিৰ্বোধ মানুহৰ ওচৰত উপহাসৰ পাত্ৰ হ'ব। মৌঃ ৰুহুল আমীন চাহেবে 'মজমুয়া ফাতাওয়ায় আমিনিয়া' ১ম খণ্ডৰ ৬ পৃঃত জিহাৰৰ এটি সাধাৰণ মছলাত মাৰাত্মক ভুল উত্তৰ লিখিছিল। এই ভুলটি সৰ্বপ্ৰথম ধৰিছিল আজিজুল হক ক্বাছিমীয়ে। ক্বাছিমী চাহেবে 'ৰক্তে ৰাঙা বালাকোট'ৰ ২৪৫ পৃঃত মৌঃ ৰুহুল আমীন চাহেবৰ ভুল থকা বুলি কৈছে। পৃথিৱী বিখ্যাত আলেমে দ্বীন ৰুহুল আমীন চাহেব (ফুৰফুৰা শ্বৰীফ আক্বীদা আৰু চিলছিলা, পৃঃ ৮৬)ৰ ভুলটি আজি পৰ্যন্ত বিনা সংশোধনে ছপাবলৈ লজ্জাবোধ হোৱা নাই কিয়? ফুৰফুৰাবীসকল! আপোনালোকৰ গুৰু ৰুহুল আমীন চাহেবেতো 'দেওবন্দী ওৱাহাবী কাফিৰ নহয়' বুলি তেওঁলোকৰ পক্ষে ওকালতি কৰিছে আৰু তেওঁলোকৰ কুফৰী বাক্যবিলাক 'ইজতিহাদী ভুল' বুলি স্বীকাৰ কৰিছে। ইয়াৰ পিছতো তেওঁক ছুন্নী হিচাপে অভিহিত কৰাটো যুক্তিসংগত নে? ইছলামী শ্বৰীঅ'তৰ বিধানত যিয়ে হুজুৰ পাক (স্বাঃ)ৰ ব্যক্তিত্ব অথবা তেওঁ (স্বাঃ)ৰ গুণত কোনো প্ৰকাৰ অসন্মানজনক উক্তি প্ৰকাশ কৰে সেয়া ইচ্ছাকৃতভাৱে হওক অথবা অনিচ্ছাকৃতভাৱে হওক সেই ব্যক্তি কাফিৰ। তাৰ তৌবা ক্বুল নহ'ব আৰু তাক কতল কৰা ওৱাজিব। (খোলাছাতুল ফাতাৱা, ৪ৰ্থ খণ্ড, পৃঃ ৩৮৬) উ'লামাএ ইছলামে আৰু কৈছে - "যিয়ে এই ব্যক্তিক কাফিৰ বুলিবলৈ সন্দেহ কৰিব সিও কাফিৰ হ'ব।" (আশ্ব শ্বিফা, ২য় খণ্ড, পৃঃ ১১৫, ১১৬) দেওবন্দী আলীম সকলৰ কুফৰী বাক্য বিলাক 'ইজতিহাদী ভুল' বোলা ৰুহুল আমীন চাহেবৰ কিমান ডাঙৰ প্ৰবঞ্চনা আৰু গোমৰাহী চিন্তা কৰক। ৰুহুল আমীন চাহেবে যিবিলাক ভুল বুলি

pdf By Syed Mostafa Sakib



স্বীকাৰ কৰাৰ পিছতো আকৌ 'ইজতিহাদী ভুল' বোলাটো কিমান ডাঙৰ গোমৰাহী। মুঠ কথা ফুৰফুৰাপন্থী গুৰু-শিষ্য গোমৰাহী আৰু দাম্ভিকতাত কোনো কম নহয়।

'ছুন্নত ৱাল যামাআ'তৰ বৈশিষ্ট্য' নামৰ ইস্তাহাৰখনি ফুৰফুৰাপন্থী বাদুড়িয়া আহ্‌লে ছুন্নত ৱাল যামাআ'ত কৰ্তৃক প্ৰচাৰিত। এই ইস্তাহাৰখনিৰ একাংশ পাঠ কৰক— আহ্‌লে হাদীচ, আজানগাছী, কাদিয়ানী, দেওবন্দী, বেৰেলী, যামাআ'তে ইছলামী, এছ.আই.ও, এছ. আই. এম, তব্‌লীগি যামাআ'ত। প্ৰত্যেকেই তেওঁলোকৰ মতবাদটিয়েই সত্য আৰু সঠিক বুলি প্ৰচাৰ কৰিছে। কিন্তু প্ৰকৃত সত্য আৰু ন্যায়ৰ মাপকাঠিত কোনটি দল তাৰ নিৰ্দেশ প্ৰদানেই এই ক্ষুদ্ৰ ইস্তাহাৰৰ অৱতাৰণা। আমি তেওঁলোকৰ কেইটামান মতবাদ উল্লেখ কৰিছোঁ- দেওবন্দী, এওঁলোক ছুন্নী কিন্তু কেইটামান মছলাত তেওঁলোকৰ সৈতে আমাৰ মতবিৰোধ আছে। যেনেঃ মীলাদ শ্বৰীফৰ ক্বিয়ামক আমি মোস্তাহাচান বোলো তেওঁলোকে শ্বিৰ্ক পৰ্যন্ত বোলে। তেওঁলোকে নবী স্বাল্লাল্লাহু আলাইহি ৱা ছাল্লামৰ ইল্‌মৰ তুলনাত শ্বয়তানৰ ইল্‌মক বেছি বোলে আমি নবী স্বাল্লাল্লাহু আলাইহি ৱা ছাল্লামৰ ইল্‌ম (জ্ঞান)ক বেছি বোলো। তেওঁলোকে হুজুৰ (স্বাঃ)ৰ ইল্‌মে গ্বায়ব (অদৃশ্য জ্ঞান)ক চাৰিঠেঙীয়া জন্তুৰ লগত তুলনা কৰিছে আমি ইয়াক অৱমাননা মনে কৰোঁ। পক্ষান্তৰে ইয়াৰ সম্পূৰ্ণ বিৰোধী বেৰেলী দল তেওঁলোকে ক্বিয়ামক ফৰজ বুলি ভাবে, হুজুৰ পাক (স্বাঃ)ৰ ইল্‌মে গ্বায়ব কুল্লি থকা বুলি ধাৰণা কৰে। ইয়াৰোপৰি কবৰত ফুল দিয়া, চাদৰ দিয়া, ছিজদা কৰা, কবৰত আজান দিয়া ছুন্নত বোলে ইত্যাদি। আহ্‌লে ছুন্নত ৱাল যামাআ'ত উপৰোক্ত বিষয় বিলাকত মধ্যম পন্থা অৱলম্বন কৰে। যিসকল সৰ্বক্ষেত্ৰত প্ৰশংসনীয় আহ্‌লে হাদীচ এওঁলোকে কয় যে কোনো ইমামৰ তাক্‌লীদ কৰা তথা মযহব মান্য কৰা নাজায়েজ। ইমাম আবু হানীফাৰ অনুসাৰীসকলক তেওঁলোকে কাফিৰ ধাৰণা কৰে, সিহঁতে ইজমা-ক্বিয়াছক শ্বৰীঅ'তৰ দলিল বুলি নামানে।" - উল্লেখিত ইস্তাহাৰৰ উদ্ধৃতিৰ পৰা প্ৰমাণ হৈছে যে - (১) দেওবন্দীসকল ছুন্নী, (২) দেওবন্দীসকলে ক্বিয়াম কৰাক শ্বিৰ্ক বোলে, (৩) দেওবন্দীসকলে ৰছূলুল্লাহ (স্বাঃ)ৰ ইল্‌ম (জ্ঞান)তকৈ শ্বয়তানৰ ইল্‌ম বেছি বোলে, (৪) দেওবন্দীসকলে হুজুৰ পাক স্বাল্লাল্লাহু আলাইহি ৱা ছাল্লামৰ ইল্‌মক জন্তুৰ ইল্‌মৰ লগত তুলনা কৰিছে, (৫) বেৰেলৱীসকলে ক্বিয়ামক ফৰজ বুলি ভাবে, (৬) বেৰেলৱীসকলে ৰছূলুল্লাহ স্বাল্লাল্লাহু আলাইহি ৱা ছাল্লামৰ ইল্‌মে গ্বায়ব (অদৃশ্য জ্ঞান) আছে বুলি ভাবে, (৭) বেৰেলৱীসকলে কবৰত ফুল, চাদৰ দিয়ে আৰু ছিজদাহ কৰে, (৮) বেৰেলৱীসকলে কবৰত আজান দিয়া ছুন্নত বোলে, (৯) আহ্‌লে হাদীচ সম্প্ৰদায়ে ইমাম আবু হানীফাৰ অনুসৰণকাৰীক কাফিৰ বোলে,





(১০) ফুৰফুৰাবী সকল মধ্যমপন্থী।

ফুৰফুৰা ছিলছিলাৰ প্ৰথম আৰু প্ৰধান গোমৰাহ মৌঃ ৰুহুল আমীন চাহেব। তেওঁ এই ছিলছিলাক গোমৰাহ কৰি এনে অধঃপতনৰ ফালে ঠেলি দিছে যে আজিলৈ ছিলছিলাৰ কোনো আলীম, উ'লামা, পীৰ, দৰবেচে গোমৰাহ মুক্ত কৰিব পৰা নাই। বৰ্তমান ফুৰফুৰাবী আলিমসকলৰ চিন্তা ভাবনা কৰাৰ অৱকাশ নাই। তেওঁলোকে ভাটৌৰ দৰে ৰুহুল আমীন চাহেবক অনুসৰণ কৰি আছে।

ওপৰোক্ত উদ্ধৃতিৰ পৰা প্ৰমাণিত হৈছে — (১) ফুৰফুৰাবীসকল যে দেওবন্দী, ইয়াত কোনো সন্দেহ নাই। দেওবন্দীসকলক ছুন্নী বুলি চাৰ্টিফিকেট দি আকৌ গোমৰাহ প্ৰমাণ কৰিবলৈ যোৱা চৰম গোমৰাহী, (২) দেওবন্দীসকলৰ ধাৰণা অনুযায়ী ফুৰফুৰাপন্থী মুশ্বৰিক, এই মুশ্বৰিক সকলেই তথাকথিত ছুন্নী, (৩) ফুৰফুৰাবীসকল শ্বয়তানৰ দল কাৰণ নবী পাক(স্বাঃ)ত কৈ শ্বয়তানৰ ইল্‌ম (জ্ঞান) অধিক কোৱাৰ পিছতো দেওবন্দীসকলক ছুন্নী বুলি কৈছে, (৪) হুজুৰ পাক(স্বাঃ)ৰ পবিত্ৰ ইল্‌মক জীৱ-জন্তুৰ ইল্‌মৰ লগত তুলনা কৰাৰ কাৰণে উ'লামাএ ইছলামে দেওবন্দীসকলক কাফিৰ বুলি কৈছে। ফুৰফুৰা পন্থীয়ে দেওবন্দীসকলক ছুন্নী বুলি উ'লামাএ ইছলামক অৱমাননা কৰিছে, (৫) ফুৰফুৰাবীসকল চৰম মিথ্যাবাদী ক্বিয়নো বেৰেলৱীসকলে কোনো কিতাপত ক্বিয়াম কৰা ফৰজ বুলি লিখা নাই, (৬) ফুৰফুৰাবীসকলৰ শ্বয়তানী অপপ্ৰচাৰ। অন্যথা বেৰেলৱীসকলৰ কোনো কিতাপত লিখা নাই যে হুজুৰ পাক (স্বাঃ)ৰ সমস্ত ইল্‌মে গ্বায়ব আছিল, (৭) ফাতাৱা-ই-আলমগিৰী আৰু ফাতাৱা শ্বামী কিতাপ দেখাৰ যাৰ সৌভাগ্য হোৱা নাই তেওঁলোকে ফুল, চাদৰ ইত্যাদিৰ নাম শুনিলে জ্বলি মৰে। উক্ত কিতাপদ্বয়ত বুযুৰ্গ, ৱলী আল্লাহৰ মাঝাৰত চাদৰ, ফুল দিয়াক জায়েজ বোলা হৈছে। (ফাতাৱা-ই-আলমগিৰী, ৫ম খণ্ড, পৃঃ ৩৫১, ৰদ্দুল মুহ্‌তাৰ, ২য় খণ্ড, পৃঃ ২৪৫, তাফ্‌ছীৰে ৰুহুল বয়ান, ৩য় খণ্ড, পৃঃ ৪০০) বেৰেলৱী সকলৰ সমস্ত কিতাপত কবৰ ছিজদাহ হাৰাম বোলা হৈছে। ইমাম আহমদ ৰেজাখাঁ (ৰহঃ)ৰ 'আযযুব্‌দাতুয্‌ যাকিয়াহ' চাওঁক। এতসত্বেও অপপ্ৰচাৰ কৰা ফুৰফুৰাবীসকল শ্বয়তানৰ শিষ্য, (৮) বেৰেলৱীসকলে কবৰত আজান দিয়া ছুন্নত নোবোলে বৰং মুস্তাহাব বোলে যি ফতৱা শ্বামী কিতাপত আছে, (৯) যি আহ্‌লে হাদীচ সম্প্ৰদায় হানাফীসকলক কাফিৰ বুলি থাকে তেওঁলোক ফুৰফুৰাবী সকলৰ ভাই। ফুৰফুৰাৰ বড় হুজুৰ মৌঃ আব্দুল হাই ছিদ্দিকী চাহেবে ১৯৭৫ চনৰ ২২ ফাগুন সন্ধ্যা হাজাৰ হাজাৰ মানুহৰ সন্মুখত প্ৰকাশ্যভাৱে আহ্‌লে হাদীচ পন্থীসকলক আমাৰ ভাই বুলি কৈছে। অৱশ্যে মেজো হুজুৰ মৌঃ আবু জাফৰ ছিদ্দিকী চাহেবে এই

pdf By Syed Mostafa Sakib

কথাৰ তীব্ৰ প্ৰতিবাদ কৰিছিল আৰু পিছদিনা ৰাতিপুৱা এওঁলোকক কাফিৰ বুলি ঘোষণা কৰিছিল, (১০) ঈমান আৰু কুফৰৰ মাজত তৃতীয় কোনো পন্থা নাই, সেয়ে ফুৰফুৰাবীসকল মধ্যমপন্থী নহয় বৰং মুনাফিক পন্থী।

ওৱাহাবী দেওবন্দী তব্‌লীগী সকলৰ পৰা বাচা সহজ। কিন্তু ফুৰফুৰাবীসকলৰ পৰা বাচা কঠিন। কাৰণ এওঁলোকে দেওবন্দী-তব্‌লীগী সকলৰ পৰা দূৰত থাকিবৰ বাবে শতবাৰ সাৱধান কৰিছে (ফুৰফুৰাবীসকলে তবলীগ যামাআ'তৰ বিৰুদ্ধে ডজনাধিক কিতাপ লিখিছে লেখকে তেওঁৰ কিতাপত তাৰ তালিকা দিছে) আকৌ তেওঁলোকেই তব্‌লীগ যামাআ'তক সৰ্বস্তৰে সাহায্য কৰিছে। ফুৰফুৰা তবলীগ যামাআ'তৰ মৰকয হৈ গৈছে। ফুৰফুৰাপন্থী সকলো তব্‌লীগ যামাআ'তৰ অন্তৰ্ভুক্ত হৈ গৈছে। দক্ষিণ ২৪ পৰগণা, সংগ্ৰামপুৰ, মুৰ্শিদাবাদ, ইছলামপুৰ, উত্তৰ ২৪ পৰগণা আদি ঠাইৰ ফুৰফুৰাপন্থী তবলীগ যামাআ'তৰ অন্তৰ্ভুক্ত হৈছে। উত্তৰ ২৪ পৰগণাত দেওবন্দীসকলৰ দ্বাৰা গঢ়ি উঠিছে ডাঙৰ ডাঙৰ দেওবন্দী মাদ্ৰাছা। এই মাদ্ৰাছা বিলাকৰ তুলনাত ফুৰফুৰাপন্থী মৌঃ ৰুহুল আমীন ভক্ত আলীমসকলে দুই এখন মাদ্ৰাছা প্ৰতিষ্ঠা কৰিছে যদিও এই মাদ্ৰাছা বিলাকত পঢ়াবৰ বাবে দেওবন্দী মৌলৱী ৰখা হৈছে। আকাঈদ আৰু আ'মলৰ ক্ষেত্ৰত এওঁলোক আহ্‌লে ছুন্নত ৱাল যামাআ'তৰ বিপৰীত। পশ্চিমবংগৰ এওঁলোকৰ অধিকাংশ ঠাই তবলীগ যামাআ'তৰ অন্তৰ্ভুক্ত হৈছে। তেওঁলোকৰ অনেক খানকাহ তবলীগ যামাআ'তৰ মৰকযলৈ পৰিবৰ্তন কৰি লৈছে। আমাৰ ঘৰৰ ওচৰত (মুৰ্শিদাবাদৰ ইছলামপুৰ কলেজ ৰোড) থকা এটি খানকাহ বৰ্তমান তব্‌লীগ যামাআ'তৰ মৌলৱীয়ে চোৰা চিতা কৰে। ফুৰফুৰাবীসকলে জলছাহত দেওবন্দীসকল থাকিলে ক্বিয়াম নকৰে। অধিকাংশ ঠাইত নিজৰ সন্তানক এওঁলোকে দেওবন্দ আৰু দেওবন্দী মাদ্ৰাছাত পঢ়াইছে। দেওবন্দীসকলৰ কিতাপবোৰ ব্যাপক বিক্ৰী কৰিছে। মৌঃ আশ্ৰফ আ'লী থানৱীকে ধৰি ভালেকেইজন দেওবন্দী আলীমৰ কিতাপ বাংলা ভাষাত অনুবাদ কৰি ফুৰফুৰাৰ পৰা প্ৰকাশ কৰিছে আৰু ব্যাপক ভাবে প্ৰচাৰ কৰিছে।

**মেজো হুজুৰ মৌঃ আবু জাফৰ ছিদ্দিকীৰ প্ৰধান খলিফা ঃ**

ফুৰফুৰাৰ মেজো হুজুৰ মৌঃ আবু জাফৰ ছিদ্দিকী চাহেব সকলো দিশৰ পৰা ফুৰফুৰাবীসকলৰ প্ৰধান। তেওঁ প্ৰথম জীৱনৰ পৰাই বক্তৃতা আৰু লেখনীৰ মাধ্যমেৰে প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে দেওবন্দী-তবলীগী যামাআ'তৰ বিৰুদ্ধে সংগ্ৰাম কৰি আহিছিল। তেখেতৰ খলীফাসকলৰ তালিকাত ৯২ জনৰ ভিতৰত ১ম স্থান অধিকাৰ কৰিছে শ্বাহচুফী মৌঃ নুৰুল হক চাহেব, এম এম, সপ্তগ্ৰাম ছিনিয়ৰ মাদ্ৰাছা,





২৪ পৰগনা। (ফুৰফুৰা শ্বৰীফ আকিদা আৰু চিলছিলা, পৃঃ ৭৮) এখেত মোৰ একালৰ উস্তাদ আছিল। যেতিয়াৰ এওঁ তব্‌লীগ যামাআ'তৰ লগত জড়িত হ'ল তেতিয়াৰ পৰা তেওঁৰ লগত মোৰ মতবিৰোধৰ সূত্ৰপাত হয়। পিছত ই চৰম ৰূপ ধাৰণ কৰি ১৯৮৭ চনৰ ১৩ জুন তাৰিখে মোনাজাৰাৰ দিন ধাৰ্য হয়। অৱশ্যে শেষ পৰ্যন্ত চৰকাৰী পক্ষৰ পৰা বাহাস বয়কোট হৈছিল। যি হওক এই সমস্ত কাৰণে মই তেওঁৰ লগত গুৰু-শিষ্যৰ সম্পৰ্ক ত্যাগ কৰোঁ। মৌঃ নুৰুল হক চাহেব ১৯৯৩ চনৰ ৫ জুলাইত ইন্তেকাল হয়। তেওঁৰ এজন আত্মীয়ই তেখেতৰ জীৱনী প্ৰকাশ কৰিছে। উক্ত জীৱনীৰ পৰা কিছু অংশ উদ্ধৃত কৰা হৈছে- "হুজুৰ ফুৰফুৰা শ্বৰীফৰ পীৰ ছিলছিলাৰ অনুৰাগী আছিল, এয়া সত্য। তেখেত হযৰত দাদা হুজুৰ কিবলা আৰু তেওঁৰ সন্তান-সন্ততি সকলৰ 'পীৰ' ছিলছিলাৰ অনুৰাগী, অন্যদিশে তেওঁ আছিল হযৰত জাকাৰিয়া কান্দলৱী, হযৰত ইলিয়াছ দেহ্‌লৱীৰ ভক্ত। তেওঁলোকৰ সান্নিধ্য লাভৰ উদ্দেশ্যে ৰমদ্বান মাহত তেওঁলোকৰ লগত একেলগে এতেকাফ কৰিবৰ বাবে তেওঁ ছাহাৰাণপুৰলৈ গৈছিল। তেওঁ ফুৰফুৰা শ্বৰীফৰ ছিলছিলা অন্য দিশে তেওঁ সম্পূৰ্ণভাৱে চলাই গৈছিল তব্‌লীগৰ কাম। সংগ্ৰামপুৰত অহাৰ পিছত প্ৰতিদিন ইশ্বাৰ নামাজৰ পিছত দ্বীনী তা'লিমত তেওঁ স্বয়ং বয়ান কৰিছিল। চিল্লাৰ বাবে তাশ্বকীলত অংশ লৈছিল। প্ৰতি সোমবাৰে মহল্লাত গাশ্বত বাহিৰ কৰিছিল। প্ৰতি শুক্ৰবাৰে উপস্থিত হৈছিল মগৰাহাট মাৰকাযত। ... মীলাদৰ দৰূদ পাঠ কেতিয়াবা ক্বিয়াম কৰিছে, কেতিয়াবা বহি পঢ়িছে। ধৰ্ম সম্বন্ধে কেতিয়াও কোনো ধৰণৰ গোঁড়ামী নাছিল।" .... (শ্বাহচুফী মৌঃ নুৰুল হকৰ জীৱনী পৃঃ ৩১, ৩২, ৩৩)

ফুৰফুৰাবীসকল! গভীৰভাৱে চিন্তা কৰক? আপোনালোকৰ দলনেতা মেজো হুজুৰ মৌঃ আবু জাফৰ ছিদ্দিকী চাহেবৰ সাধাৰণ মুৰীদ নহয় বৰং প্ৰধান আৰু প্ৰথম মুৰীদ, খলিফা শ্বাহচুফী মৌঃ নুৰুল হক চাহেব। তেওঁ কেৱল জাকাৰিয়া কান্দলৱী (তব্‌লীগী নিছাবৰ লেখক) আৰু মৌঃ ইলিয়াছ দেহ্‌লৱী (তব্‌লীগ যামাআ'তৰ প্ৰতিষ্ঠাপক) চাহেবৰ ভক্তই নাছিল বৰং তেওঁলোকৰ সাক্ষাৎ আৰু সান্নিধ্য লাভৰ বাবে সুদূৰ চাহাৰাণপুৰলৈ গৈছিল। আল্লাহু আক্‌বাৰ! জাকাৰিয়া চাহেব যিয়ে নিজকে ওৱাহাবী বুলি গৌৰৱবোধ কৰিছিল (চাৱানিহে মৌঃ ইউচুফ, পৃঃ ১৯৩) আৰু ইলিয়াছ চাহেব যিয়ে ধৰ্মৰ নামত অধৰ্ম, দ্বীনৰ নামত বেদ্বীন, মিলনৰ নামত বিচ্ছেদৰ জুই জ্বলাইছিল, তব্‌লীগৰ মাধ্যমত মৌঃ আশ্ৰফ আ'লী থানৱীৰ শিক্ষা আৰু মতবাদ প্ৰচাৰ কৰাই যাৰ উদ্দেশ্য আছিল। যাৰ বিৰুদ্ধে মৌঃ আবু জাফৰ ছিদ্দিকী চাহেবে শয্যাশয়ী অৱস্থাতো সংগ্ৰাম কৰিছিল। সেই আবু জাফৰ (মেজো হুজুৰ)

pdf By Syed Mostafa Sakib



চাহেবৰ প্ৰথম শিষ্য নুৰুল হক তেখেতৰ জীৱদ্দশাতে পৰদুৱাৰী হৈ ওৱাহাবী-দেওবন্দীসকলৰ মৰকয চাহাৰাণপুৰলৈ গৈছিল কিয় ? মুৰ্শিদৰ ওচৰত মুৰীদৰ উপযুক্ত খোৰাক নাছিল ? নে মুৰীদে মুৰ্শিদৰ পৰা উপযুক্ত খোৰাক পাইয়ো পৰিতৃপ্ত হোৱা নাছিল ? দুয়োটিয়ে হ'ল মা'ৰিফাতৰ ময়দানত মাৰাত্মক ক্ষতিকৰ। যদি মুৰ্শিদে মুৰীদৰ উপযুক্ত আহাৰ প্ৰদান কৰিবলৈ অক্ষম হয় তেনেহ'লে তেওঁ মুৰ্শিদ নহয়। অনুৰূপ মুৰীদে যদি মুৰ্শিদৰ আত্মাক শান্তনা দিবলৈ সক্ষম নহয় তেনেহ'লে তেওঁ মুৰীদ নহয়। মৌঃ আবু জাফৰ ছিদ্দিকী চাহেবে যি চিল্লাৰ বিৰুদ্ধে চিৎকাৰ কৰিছে। নুৰুল হক চাহেব সেই চিল্লাৰ সপক্ষে প্ৰাণপন চেষ্টা চলাইছে। আকৌ প্ৰতি শুক্ৰবাৰে হাজিৰ হৈছিল মগৰাহাট মাৰকাযত। আমাৰ এলেকাত দেওবন্দীসকলৰ সৈতে ফুৰফুৰাবী সকলৰ মতভেদৰ সুদৃঢ় প্ৰাচীৰ ভাঙি দিছিল নুৰুল হক চাহেবে। যাৰ প্ৰভাৱত এলেকাৰ ফুৰফুৰাপন্থী মানুহ ব্যাপকভাৱে তবলীগীমুখী হৈছে। এই সময়তে আমি মেজো হুজুৰ মৌঃ আবু জাফৰ ছিদ্দিকী চাহেবক সাক্ষাৎ কৰি মৌঃ নুৰুল হক চাহেবৰ কথা কৈছিলোঁ। আপুনি যাৰ ওপৰত এলেকাৰ দায়িত্ব দিছে তেওঁ তবলীগী যামাআ'তৰ আমীৰ হৈছে। তেওঁ কিছু সময় মৌন হৈ থকাৰ পিছত ক'লে - "তেওঁকটো তেনেধৰণৰ বুজা নাযায়।" দুই মাহ পিছত যেতিয়া আকৌ সাক্ষাৎ কৰিছিলো তেতিয়া তেওঁ ক'লে - "কি হে ছামদানী, নুৰুল হক চাহেবে সম্পূৰ্ণ অস্বীকাৰ কৰি কৈছে যে তবলীগ যামাআ'তৰ লগত তেওঁৰ কোনো সম্পৰ্ক নাই আৰু তেওঁ মগৰাহাটৰ মাৰকাযলৈও নাযায়...।" তেতিয়া আমি মৃদু হাঁহি কৈছিলো- "আপুনি এলেকাৰ সাধাৰণ মানুহৰ পৰা আচল সংবাদ গ্ৰহণ কৰক।" আল্‌হামদুলিল্লাহ! প্ৰায় এক যুগৰ পিছত মৌঃ নুৰুল হক চাহেবৰ জীৱনীকাৰে তেওঁৰ তবলীগী খিদ্‌মত সম্পৰ্কে যথাৰ্থই লিপিবদ্ধ কৰিছে। কিমান ডাঙৰ প্ৰবঞ্চক শ্বাহচুফী মৌঃ নুৰুল হক চাহেব, চিন্তা কৰক!

এইবাৰ কওঁক ফুৰফুৰাবীসকল, তবলীগ যামাআ'তৰ বিৰুদ্ধে সংগ্ৰাম কৰিছেনে শ্বয়তানী কৰিছে? যদি এই সংগ্ৰাম সত্য হয় তেনেহ'লে মেজো হুজুৰৰ ১ম খলিফা শ্বাহচুফী মৌঃ নুৰুল হক চাহেবৰ খিলাফত বাতিল কৰি দিয়া ঈমানী কৰ্তব্য। অন্যথা মানুহক বিভ্ৰান্ত নকৰি তবলীগৰ বিৰুদ্ধে বিষোদগাৰ বন্ধ কৰা উচিত। ধন্যবাদ মোনাফিক আহমাদুল্লাহ মেদিনীপুৰী চাহেব। যিয়ে সমগ্ৰ জীৱন দেওবন্দী সকলৰ বিপক্ষে থাকি শেষত তবলীগ যামাআ'তত যোগদান কৰি ৬-১১-৮৮ চনত দেওবন্দীসকলৰ সৈতে মিলি 'যৌথ বিবৃতি' নামেৰে এখনি ইস্তাহাৰ প্ৰচাৰ কৰি দেওবন্দীসকলক আহ্‌লে ছুন্নত বুলি ঘোষণা কৰিছিল। তেতিয়া আবু জাফৰ ছিদ্দিকী চাহেবে কোনো বিৰুদ্ধাচাৰণ কৰা নাছিল। এক কথাত এওঁলোকৰ নীতি আদৰ্শ বুলি





কিছুই নাই। য'ত যি সেইদৰে তালত তাল মিলাই চলি আছে। এনেধৰণৰ আৰু অলেখ তথ্য আমাৰ হাতত আছে। সময় আৰু কলেবৰ বৃদ্ধিৰ তাগিদাত উল্লেখ নকৰিলোঁ।

'ফুৰফুৰা শ্বৰীফ আকিদা আৰু চিলছিলা' গ্ৰন্থত ফুৰফুৰাৰ পৰা প্ৰকাশিত ওৱাহাবী বিৰোধী কেইখনমান কিতাপৰ নাম প্ৰকাশ কৰিছে। এই সম্পৰ্কত আমিও একমত। ফুৰফুৰাপন্থী আলীম মৌঃ আব্দুল কাইয়ুম চাহেবে 'দেওবন্দীদেৰ কতিপয় ভ্ৰান্ত মতবাদ ও তাৰ ৰদ্দ' কিতাপত দেওবন্দীসকলক গোমৰাহ প্ৰমাণ কৰি সাধাৰণ মানুহক এই যামাআ'তৰ পৰা দূৰত থাকিবৰ বাবে সাৱধান কৰিছে। সেই গোমৰাহ দেওবন্দীসকলক ফুৰফুৰাবীসকলৰ শিৰোমণি মৌঃ ৰুহুল আমীন আৰু আহমাদুল্লাহ মেদিনীপুৰী চাহেবানে 'আহ্‌লে ছুন্নত' বুলি চাৰ্টিফিকেট দিছে। আহ্‌লে ছুন্নতক গোমৰাহ বোলা গোমৰাহী। অনুৰূপ গোমৰাহক আহ্‌লে ছুন্নত বোলা গোমৰাহী। মৌঃ আব্দুল কাইয়্যুম চাহেব সুস্থ মগজুৰে উত্তৰ দিয়ক ৰুহুল আমীন চাহেবে গোমৰাহ দেওবন্দীসকলক আহ্‌লে ছুন্নত বুলি গোমৰাহ হৈছে নে আপুনি আহ্‌লে ছুন্নত দেওবন্দীক গোমৰাহ বুলি গোমৰাহ হৈছে। আপোনালোকৰ বেৰিষ্টাৰ ৰুহুল আমীন চাহেবে যাক আহ্‌লে ছুন্নত বুলি কৈছে, তেওঁলোকক গোমৰাহ প্ৰমাণ কৰিব যোৱা আপোনাৰ চৰম গোমৰাহী হৈছে। মানুহে বিষ খালে নিজেই মৃত্যু মুখত পৰে। কিন্তু বিশ্বাস খালে তেওঁৰ বংশ মৰি যায়। ওৱাহাবী সকলৰ ৱাফাদাৰ ৰুহুল আমীন চাহেবে হানাফী মযহবৰ ওচৰত বিশ্বাসঘাতকতা কৰিছে। আজিও আপোনালোকে বিশ্বাসঘাতকতা কৰিছে। যাৰ কাৰণে ফুৰফুৰা ছিলছিলা বাতিল ছিলছিলা হিচাপে পৰিগণিত হৈছে। ৰুহুল আমীন চাহেবৰ পৰা আপোনালোক সকলোৱে দ্বিমুখী মুনাফিকী নীতিৰ কাৰণে হাজাৰ হাজাৰ মানুহৰ ঈমান ধ্বংসৰ ফালে গতি কৰিছে। মহান ৰাব্বুল আ'লামিন আল্লাহে যাক কৰুণা কৰিছে তেওঁলোকে ছিলছিলা বাদ দি ঈমানৰ হিফাজতৰ বাবে আহ্‌লে ছুন্নত বেৰেলৱী সকলৰ ওচৰত আশ্ৰয় গ্ৰহণ কৰিছে।

"আমি ফুৰফুৰাপন্থী সকলে কাকো কাফিৰ বুলি আমাৰ জবান আৰু লেখনীক কলুষিত নকৰোঁ।" (দেওবন্দীদেৰ কতিপয় ভ্ৰান্ত মত ও তাৰ ৰদ্দ, ২৬, ২৭ পৃঃ) ফুৰফুৰাবীসকল আপোনালোকৰ ছিলছিলাত কি কুকুৰ, মেকুৰীক কাফিৰ বোলা হয় ? হুজুৰ পাক স্বাল্লাল্লাহু আলাইহি ৱা ছাল্লামক অপমান আৰু তেখেত (স্বাঃ) সম্পৰ্কে কু-মত প্ৰকাশ কৰাৰ পিছতো দেওবন্দীসকল যদি কাফিৰ নহয়, তেনেহ'লে কোন অপৰাধৰ বাবে জন্তু-জানোৱাৰক কাফিৰ বুলিব ? আকৌ আপোনালোকৰ বড় হুজুৰ মৌঃ আব্দুল হাই ছিদ্দিকীয়ে কৈছে - "পীৰ, ৱলী, নবী ও আল্লাহৰ প্ৰতি ওৱাহাবী ক্বাছিমীসকল (দেওবন্দী)ৰ যি ধৰণৰ আকিদা দেখা যায় তাত ইহঁত নিশ্চয় কাফিৰ,

pdf By Syed Mostafa Sakib



কাফিৰ, কাফিৰ।" (ওৱাজে বে নজিৰ, ৩২ পৃঃ) অনুৰূপ বড় হুজুৰৰ উক্ত ফতৱাটি 'গোঁজামিল ধৰ্মেৰ প্ৰতিবাদ' পুস্তিকাৰ ১০ পৃঃত আৰু 'গোমৰাহী যুগ' ইস্তাহাৰৰ ২ পৃঃত উল্লেখ আছে। এইবোৰ কওঁক আপোনালোকৰ বড় হুজুৰে কি কুকুৰ, মেকুৰীক কাফিৰ বুলি কৈছে? এই কুফ্ৰী ফতোৱা উল্টি বড় হুজুৰৰ বুকুত লগা নাইতো? কিয় তেওঁ কাফিৰ (ৰুহুল আমীন চাহেবে ওৱাহাবীসকল কাফিৰ নহয় বুলি কৈছে) বুলি জবান কলুষিত কৰিছে। হাদীচ বুজাৰ চেষ্টা কৰক। বিনা কাৰণে কাকো কাফিৰ বোলা নিষেধ। যদি কোনোৱে বোলে তেনেহ'লে সি নিজেই কাফিৰ হৈ যাব আৰু যদি শ্বৰীঅ'তৰ বিধান অনুযায়ী কোনো কাফিৰ হৈ যায় তেনেহ'লে তাক কাফিৰ বুলিবই লাগিব। অন্যথাই নিজে কাফিৰ হ'ব। নবী পাকস্বাল্লাল্লাহু আলাইহি ৱা ছাল্লামৰ লগত বেআদবী কৰা ব্যক্তি সম্পৰ্কে হানাফী মযহবৰ ফিকাহৰ বিখ্যাত গ্ৰন্থ 'দুৰৰুল মুখ্তাৰ'ৰ মুৰ্তাদিন অধ্যায়ত আছে "যি ব্যক্তি নবুঅ'তৰ মহান দৰবাৰৰ লগত বেআদবী কৰিছে, সি কাফিৰ হ'ব আৰু তওবাৰ দ্বাৰাও কতল হোৱাৰ পৰা পৰিত্ৰাণ নেপায়।" (শ্বানে হবিবুৰ ৰহমান, পৃঃ ১১৬)

আপোনালোকে কাদিয়ানী সকলোকো কাফিৰ নোবোলে নেকি? মৌঃ আব্দুল কাইয়ুম চাহেবে 'দেওবন্দীদেৰ কতিপয় ভ্ৰান্ত মতবাদ ও তাৰ ৰদ্দ' পুস্তিকাৰ ২৬ পৃঃত লিখিছে "বেৰেলৱীসকলৰ ৰছুল পাক (স্বাঃ)ক হাজিৰ-নাজিৰ জানা, হুজুৰ পাক (স্বাঃ)ৰ সমস্ত গ্বাইব জনাৰ বিশ্বাসী হোৱা, .... যি সমস্ত আহ্‌লে ছুন্নত ৱাল যামাআ'তৰ বহিৰ্ভূত কাৰ্য, সেয়ে ফুৰফুৰাপন্থীসকল খাঁটি আৰু মধ্যমপন্থী হোৱা বেৰেলৱীসকলৰ ইত্যাদি বিষয়ৰ সৈতে একমত নহয়।" সেয়ে দেওবন্দী লেখক আজিজুল হক ক্বাছিমী চাহেবে তেওঁৰ পুস্তক বিলাকত ফুৰফুৰাপন্থী সকলক বুজাবৰ বহু চেষ্টা কৰিছে যে ফুৰফুৰা ছিলছিলা দেওবন্দীসকলৰ পৰা মুঠেই পৃথক নহয়। কথাটি আচলতে সত্য। তেওঁলোকে সত্য স্বীকাৰ কৰাতো ভাল। আব্দুল কাইয়ুম চাহেব, আপুনি মোনাফিক হৈ মধ্য পন্থী বুলি দাবী কৰিছে কিয়? হুজুৰ পাক (স্বাঃ)ক হাজিৰ-নাজিৰ জানা যদি আহ্‌লে ছুন্নতৰ বহিৰ্ভূত কাৰ্য হয় তেনেহ'লে আহমাদুল্লাহ মেদিনীপুৰীক ছিলছিলাৰ পৰা বাহিৰ কৰা নাই কিয়? তেওঁ 'হকীকতে মুহাম্মদী' পুস্তকৰ ১৮৩ পৃঃত হুজুৰ পাক (স্বাঃ)ক হাজিৰ-নাজিৰ বুলি কৈছে। বেৰেলৱীসকলৰ কোনখন কিতাপত হুজুৰ পাক (স্বাঃ)ৰ সমস্ত ইলমে গ্বায়ব আছিল বুলি উল্লেখ আছে?? মিথ্যাবাদী ফুৰফুৰাবীসকল, আপোনালোকৰ ছিলছিলাৰ অৱস্থা চাওঁক আৰু ই বাতিল ফিৰকা নে নহয় চিন্তা কৰক।

'ফুৰফুৰা শ্বৰীফ আকিদা আৰু চিলছিলা' গ্ৰন্থৰ ৫৩, ৫৪, ৫৬ পৃঃত





লিখিছে— "মেজলা হুজুৰৰ ১ম খলিফা ২৪ পৰগণাৰ সপ্তগ্ৰাম ছিনিয়ৰ মাদ্ৰাছাৰ ভুতপূৰ্ব ছুপাৰিণ্টেন্দেন্ট শ্বাহচুফী মৌঃ নুৰুল হক এম.এম চাহেবৰ প্ৰতিবেশী কিছু লোকে তবলীগ জামাআ'তত যোগ দিছে.... ইয়াৰ বাবে.... দায়ী নহয়....। ২৪ পৰগণাত দেওবন্দী মাদ্ৰাছা গঢ়ি উঠা হাস্যকৰ কথা! অসমত 'দাৰুল উ'লুম গুৱাহাটী' আৰু 'দাৰুল উ'লুম বাশকান্দি' প্ৰতিষ্ঠাৰ বাবে ছুন্নী আলীমসকল দায়ীনে...?" ইয়াৰ উত্তৰত ক'ব বিচাৰিছো উত্তৰ ২৪ পৰগণাত ফুৰফুৰাবীসকলৰ প্ৰত্যক্ষ পৃষ্ঠপোষকতা আৰু সাহায্যত এই দেওবন্দী মাদ্ৰাছা সমূহ গঢ়ি উঠিছে। ইয়াত অধ্যয়ন ৰত ছাত্ৰসকল ফুৰফুৰাপন্থী। ইয়াৰ বাবে দায়ী কোন?? মেজলা হুজুৰৰ ১ম খলিফা মৌঃ নুৰুল হক চাহেব মোৰ একালৰ উস্তাদ আছিল। তেওঁ যেতিয়া তব্‌লীগ যামাআ'তৰ লগত সংপৃক্ত হ'ল তেতিয়াৰ পৰা তেখেতৰ সৈতে আমাৰ মতানৈক্য ঘটে। ইয়াৰ ফলস্বৰূপে ১৯৮৭ চনৰ ১৩ জুন তাৰিখে মোনাজাৰাৰ দিন ধাৰ্য হয়। অৱশ্যে শেষ পৰ্যন্ত চৰকাৰী পক্ষৰ পৰা এইবাহাস বয়কোট হৈছিল। তেখেতৰ জীৱনীকাৰে লিখা অনুসৰি তেখেত তবলীগ যামাআ'তৰ লগত জড়িত আছিল। তবলীগ যামাআ'তৰ প্ৰতিষ্ঠাপক মৌঃ ইলিয়াছ দেহ্‌লৱী আৰু তবলীগী নিছাবৰ লেখক মৌঃ জাকাৰিয়া কান্দলৱী চাহেবানৰ প্ৰতি আকৰ্ষণ থকা বাবে তেখেত সকলৰ লগত এতেকাফ কৰিবলৈ ৰমদ্বান মাহত ছাহাৰাণ পুৰলৈ গৈছিল। প্ৰতি সোমবাৰে মহল্লাত গাশ্ত বাহিৰ কৰিছিল, সংগ্ৰামপুৰত প্ৰতিদিন ইছাৰ নামাজৰ পিছত দ্বীনী তা'লিমৰ বয়ান কৰিছিল, প্ৰতি শুক্ৰবাৰে মগৰাহাট মৰকযত উপস্থিত হৈছিল। (মৌঃ নুৰুল হকৰ জীৱনী, পৃঃ ৩১, ৩২, ৩৩) ইয়াৰোপৰি নুৰুল হক চাহেবৰ পুত্ৰ ইহছানুল হক চাহেবে এলেকাৰ মানুহক নাদৱামুখী কৰি দিছে। ইহছানুল হক চাহেবে কেইজনমান নাদৱী আলীমক আনি তেওঁলোকক সংগ্ৰামপুৰ মাদ্ৰাছাত শিক্ষক হিচাপে নিয়োগ কৰিছে।

'ফুৰফুৰা শ্বৰীফ আকিদা আৰু চিলছিলা'ৰ ৮৭ পৃঃত লিখিছে- "মৌঃ আব্দুল হাই ছিদ্দিকী ওৱাহাবীৰ সমৰ্থক হোৱাহেঁতেন এনে এগৰাকী আলীমৰ হাতত মৌঃ ৰুহুল চাহেব কেতিয়াও বায়াত গ্ৰহণ নকৰিলেহেঁতেন।" ইয়াৰ উত্তৰ আগতেই দিয়া হৈছে। মৌঃ আব্দুল হাই ছিদ্দিকীয়ে আহ্‌লে হাদীচ পন্থীক ভাই বুলি সম্বোধন কৰিছে ১৯৭৫ চনৰ ২২ ফাগুনত ঈছালে চাৱাবত উপস্থিত জনসাধাৰণৰ সন্মুখত। তেখেতৰ ডাঙৰ চাহেবজাদা আনছাৰ চাহেবে অনেক জলছাহত প্ৰকাশ্য কৈছে- "মই থানৱীৰ জোতা মূৰত লৈ ওৱাজ কৰিম।" তেখেতে থানৱীৰ কিতাপ বাংলা ভাষাত অনুবাদ কৰাইছে আৰু বহুল প্ৰচাৰৰ কামনা কৰিছে।

'ফুৰফুৰা শ্বৰীফ আকিদা আৰু চিলছিলা' গ্ৰন্থৰ ১২৭ পৃঃ অষ্টম অধ্যায়ত

pdf By Syed Mostafa Sakib

'ছৈয়্যদ আহমদ বেৰেলৱী, ত্বৰীকায়ে মুহাম্মদীয়া আৰু অপপ্ৰচাৰকৰ ভ্ৰম' শিৰোনামাৰে ভালেকেইটা ইতিহাস বিৰুদ্ধ কথা লিখিছে। ১৩২ পৃঃত লিখিছে- "অতি কম বয়সতেই শ্বাহ আব্দুল আজিজ মুহাদ্দিচ দেহ্‌লৱীৰ হাতত শিক্ষা লাভ কৰি কোৰাণ, হাদিচ, ফেকাহ আৰু ইছলামী আকাইদ শাস্ত্ৰৰ ওপৰত গভীৰ পাণ্ডিত্য অৰ্জন কৰে।.... তেওঁ (ছৈয়্যদ আহমদ ৰায়বেৰেলৱী) ভাৰতবৰ্ষৰ অসাধাৰণ সাহসী তেজস্বী আলেম আৰু সুবিখ্যাত সমাজ সংস্কাৰক....।" লেখকৰ উক্তিৰ পৰা প্ৰমাণিত হয় যে ছৈয়্যদ আহমদ ৰায়বেৰেলৱী ভাৰতবৰ্ষৰ এজন বিখ্যাত আলীম আছিল। তেখেতৰ উক্তি সম্পূৰ্ণ মিথ্যা ও ভিত্তিহীন। এই সম্পৰ্কে তেওঁ নিজৰ কাল্পনিক কথা প্ৰকাশ কৰিছে। এই উক্তিৰ সপক্ষে কোনো ঐতিহাসিক দলিল নাই।

এই সম্পৰ্কত তেখেতৰ জীৱনী গ্ৰন্থ চাওঁ আহক- ছৈয়্যদ আহমদ ৰায়বেৰেলৱী চাহেব সম্ভ্ৰান্ত ঘৰৰ এজন বুদ্ধিহীন বালক আছিল। তেওঁ অত্যন্ত স্মৃতি শক্তি শূন্য শিশু আছিল। অশেষ চেষ্টা কৰিও তেওঁক লিখা-পঢ়া শিকোৱা সম্ভৱ হোৱা নাই। মুঠ কথা তেওঁৰ ভাগ্যত লিখা-পঢ়া নাছিল। ছৈয়্যদ চাহেবৰ কোনো জীৱনীকাৰে তেওঁক আলীম বুলি চিহ্নিত কৰিব পৰা নাই। গোলাম ৰছুল মোহৰে লিখিছে - "যেতিয়া ছৈয়্যদ চাহেবৰ বয়স ৪ বছৰ ৪ (চাৰি) মাহ, চাৰি দিন হৈছিল তেতিয়া ভদ্ৰ ঘৰৰ নিয়মানুযায়ী তেওঁক মক্তৱত পঠোৱা হৈছিল। তেওঁ আছিল সেই বংশৰ একমাত্ৰ সম্পদ। সেয়ে তেওঁক উপযুক্ত ভাৱে শিক্ষিত কৰি তুলিবলৈ কোনো প্ৰকাৰ চেষ্টাৰ ক্ৰুটি কৰা নাছিল। কিন্তু শত চেষ্টা কৰা সত্ত্বেও লিখা পঢ়াৰ প্ৰতি তাৰ কোনো উৎসাহ নাছিল। মৌঃ আব্দুল কাইয়্যুমে কৈছে - "কিতাপ পাঠ কৰাৰ সময়ত ছৈয়্যদ চাহেবৰ দৃষ্টিৰ পৰা কিতাপৰ আখৰবিলাক অদৃশ্য হৈ গৈছিল। ৰোগ মনে কৰি চিকিৎসাও কৰা হ'ল কোনো ফল নহ'ল। শ্বাহ আব্দুল আজিজ মুহাদ্দিচ চাহেবে এই কথা শুনি উপদেশ দিলে যে কোনো সূক্ষ্ম বস্তুৰ ফালে দৃষ্টিপাত কৰি চোৱা, এয়া অদৃশ্য হয় নে নহয়। দেখা গ'ল অতি সূক্ষ্মৰ পৰা সূক্ষ্মতম বস্তুও তেওঁ দেখিবলৈ নাপায়। শ্বাহ চাহেবে ক'লে- লিখা-পঢ়া বাদ দিয়া। কাৰণ সূক্ষ্ম বস্তু দেখিবলৈ নাপালে ভাবিলোহেঁতেন, ই কোনো ৰোগ। সেয়ে ভবা হয় যে ইল্‌মে জাহিৰ তাৰ ভাগ্যত নাই।" (হযৰত ছৈয়্যদ আহমদ শ্বহীদ, বাংলা ৪২, ৪৩ পৃষ্ঠা) উপৰোক্ত উদ্ধৃতিৰ পৰা বুজা যায় যে সঁচাকৈ তেওঁ আখৰ দেখা নাপায়। ই তেওঁৰ বাবে খোদায়ী অভিশাপ আছিল। ছৈয়্যদ আহমদ ৰায়বেৰেলৱীৰ স্মৃতিশক্তিহীনতা সম্পৰ্কে মিৰ্যা হায়ৰাত দেহ্‌লৱীয়ে লিখিছে- "কাৰীমা বাহ বখশ্বায়ে বৰ হালিমা এই ছন্দটি মুখস্থ কৰিবলৈ ছৈয়্যদ চাহেবৰ ৩ দিন সময় লাগিছিল। আকৌ ইয়াৰ মাজত





কেতিয়াবা 'কাৰীমা' পাহৰি গৈছে আকৌ কেতিয়াবা 'বৰ হালিমা' পাহৰি গৈছে।" (হায়াতে তাইয়েবা, পৃষ্ঠা ৩৯০) মিৰ্যা হায়ৰাত চাহেবে আৰু কৈছে - "তিনি ঘন্টাৰ পিছত ঘন্টা পঢ়াৰ পিছত সামান্য কিছু মুখস্থ কৰিছিল, আকৌ পিছৰ দিনা সেয়া পাহৰি গৈছিল। যেতিয়া ছৈয়্যদ চাহেবৰ এনে অৱস্থা হ'ল তেতিয়া তেওঁৰ পিতা-মাতাই তাক তিৰস্কাৰ আৰু মাৰপিট পৰ্যন্ত কৰিছিল। ইয়াতো পিতা-মাতাৰ আশা পূৰ্ণ নহ'ল। তেওঁলোকে লক্ষ্য কৰিছিল আল্লাহৰ তৰফৰ পৰা তাৰ জ্ঞান-বুদ্ধিত তলা লাগাই দিছে। কোনো প্ৰকাৰ চেষ্টাতে পঢ়া-শুনা নহ'ব। তেতিয়া তেওঁলোকে বাধ্য হৈ পঢ়াৰ পৰা উঠাই লৈছিল।" (হায়াতে তাইয়েবা, পৃষ্ঠা ৩৯১) বোকা বালকৰ পিতা-মাতাই সন্তানক সহজে লিখা-পঢ়া বাদ দিব নিদিয়ে। কিন্তু ছৈয়্যদ চাহেব এনে বোকাৰ বোকা আছিল যে পিতা-মাতা নিৰাশ হৈ তাৰ পঢ়া-শুনা বন্ধ কৰিবলৈ বাধ্য হৈছিল।

মিৰ্যা হায়ৰাতে আৰু লিখিছে "ছৈয়্যদ আহমদ ৰায়বেৰেলৱী এজন নাম কৰা নিৰ্বোধ বালক আছিল। মানুহৰ ধাৰণা আছিল যে তাক লিখা-পঢ়া শিক্ষা দিয়া অৰ্থহীন হ'ব। কিছুই শিকিব নোৱাৰিব। ছৈয়্যদ চাহেব কেৱল বাল্যকালত লিখা-পঢ়াৰ প্ৰতি অনাগ্ৰহী আছিল এনে নহয় বৰং তেওঁ যুৱক হোৱা পৰ্যন্ত কোনো সময়তে লিখা-পঢ়াৰ প্ৰতি আগ্ৰহী হোৱা নাই।" (হায়াতে তাইয়েবা, পৃঃ ৩৮৯) মিৰ্যা হায়ৰাতৰ বৰ্ণনা অনুযায়ী বুজা যায় যে, ছৈয়্যদ চাহেব লিখা-পঢ়াৰ প্ৰতি কোনো সময়ত উৎসাহী নাছিল। তেওঁৰ মূৰ্খামী, নিবুৰ্দ্ধিতা আৰু অজ্ঞতা সম্পৰ্কে মিৰ্যা হায়ৰাতে আৰু লিখিছে- "ছৈয়্যদ চাহেব ১৯ বছৰ বয়সত প্ৰথমবাৰ লক্ষ্ণৌত গৈছিল। সেই সময়ত লক্ষ্ণৌত শ্বিয়া-ছুন্নীৰ চৰম মতবিৰোধ আছিল। এই সময়লৈ তেওঁ এই দুই সম্প্ৰদায়ৰ মাজত মৌলিক মতভেদ কি সেয়া জনা নাছিল। যেতিয়া ছৈয়্যদ চাহেব জনৈক আমীৰৰ ওচৰত উপস্থিত হৈছিল তেতিয়া তেওঁক প্ৰশ্ন কৰিছিল আপুনি, খাৰিজী নে শ্বিয়া নে আলী? ইয়াত তেওঁ নিৰৱ আছিল কাৰণ এই শব্দ দুটি 'শ্বিয়া-ছুন্নী' সৰ্বপ্ৰথম তাৰ কাণত পৰিছিল। সেয়ে ইয়াৰ অৰ্থ কি বুজিব পৰা নাই।" (হায়াতে তাইয়েবা, পৃষ্ঠা ৩৯৫, ৩৯৬)

'ফুৰফুৰা শ্বৰীফ আকিদা আৰু চিলছিলা'ৰ ১২৭ পৃঃত লেখকে ছৈয়্যদ আহমদ ৰায়বেৰেলৱী সম্পৰ্কত কিছু জ্ঞান আহৰণ কৰিবলৈ পৰামৰ্শ দিছে। লেখক চাহেব ধন্যবাদৰ পাত্ৰ। কাৰণ তেখেতে মুখ নোখোলাহেঁতেন এই তথ্য সমূহ ৰাইজৰ অজ্ঞাততেই থাকিলহেঁতেন। উক্ত গ্ৰন্থত লেখকে ছৈয়্যদ আহমদ ৰায়বেৰেলৱীক 'বিচক্ষণ আলীম', 'মুজাদ্দিদ', 'শ্বাহ ৱালিউল্লাহ মুহাদ্দিচৰ উত্তৰসূৰী', 'বালাকোটৰ শ্বহীদ', 'সুবিখ্যাত সমাজ সংস্কাৰক', (পৃঃ ১৩২, ১৩৩) বুলি অভিহিত কৰিছে। অৱশ্যে

pdf By Syed Mostafa Sakib



ইতিহাস তথা তেখেতৰ জীৱনী গ্ৰন্থত এই কথাৰ উল্লেখ নাই। এইখিনিতে উল্লেখ্য যে ভাৰতবৰ্ষৰ স্বাধীনতা সংগ্ৰামৰ মহানায়ক আছিল মুহাদ্দিচ আব্দুল আজিজ দেহ্‌লৱীৰ শিষ্য হযৰত আ'ল্লামা ফজ্‌লে হক্ক খাইৰাবাদী ৰাস্‌মাতুল্লাহি আলাইহ।

শিক্ষা-দীক্ষা নাথাকিলেও সাধাৰণ জ্ঞান ও বুদ্ধি যিমানখিনি থকাৰ প্ৰয়োজন সেইখিনিও ছৈয়্যদ চাহেবৰ নাছিল। ওপৰত তেখেতৰ জীৱনীকাৰৰ উদ্ধৃতি সমূহে সেয়াই প্ৰমাণিত কৰিছে। ছৈয়্যদ মুহাম্মদ আলীয়ে লিখিছে- "দীৰ্ঘ ৩ বছৰৰ ভিতৰত ছৈয়্যদ আহমদ ৰায়বেৰেলৱীয়ে কেৱল কুৰ্‌আন শ্বৰীফৰ কেইটামান ছুৰা পঢ়িছিল আৰু আৰবী আখৰবিলাক লিখিবলৈ শিকিছিল।" (মাখজানে আহমাদী, ১২ পৃষ্ঠা) ছৈয়্যদ আহমদ ৰায়বেৰেলৱী চাহেবৰ বাল্যকালৰ পৰাই কাফিৰ বোলাৰ অভ্যাস আছিল। তেওঁৰ সম বয়সীয়া বালকসকলৰ এদলক কাফিৰ বুলি আক্ৰমণ কৰিছিল। তেওঁৰ এই স্বভাৱৰ পৰিবৰ্তন হোৱা নাছিল। তেওঁ শ শ নিৰপৰাধ মুছলমানক তথাকথিত ওৱাহাবী আন্দোলন (স্বৰীক্বায়ে মুহাম্মদীয়া বুলি কয় যদিও ই ওৱাহাবী আন্দোলন হিচাপে ভাৰতীয় ইতিহাসত বৰ্ণিত)ৰ দ্বাৰা কাফিৰ, মুৰতাদ ঘোষণা কৰিছিল।

<u>জীৱনীকাৰ আৰু ইতিহাসৰ তথ্য ঃ</u>

ছৈয়্যদ আহমদ ৰায়বেৰেলৱীৰ বিদ্যা-বুদ্ধি কিমান আছিল সেই সম্পৰ্কে জীৱনীকাৰসকলে খুব উদাৰতাৰ সৈতে প্ৰকাশ কৰিছে সেয়া আপোনালোকে ইতিমধ্যে অৱগত হৈছে। উপ মহাদেশৰ কোনো ঐতিহাসিকে তেওঁক আলীম বুলি চিহ্নিত কৰিব পৰা নাই। ওপৰত যি সমস্ত জীৱনীকাৰৰ মতামত উদ্ধৃত কৰা হৈছে তেওঁলোক প্ৰত্যেকেই ছৈয়্যদ চাহেবৰ ভক্ত আছিল। 'ফুৰফুৰা শ্বৰীফ আকিদা আৰু চিলছিলা' গ্ৰন্থখনত লেখকে ছৈয়্যদ আহমদ চাহেব সম্পৰ্কে নতুন ইতিহাস ৰচনা কৰিছে। তেখেতৰ কিতাপত নানা নাভুত-নাশ্ৰুত কথা লিখিছে। ইছলাম ধৰ্মৰ দুটি দল 'শ্বিয়া' আৰু 'ছুন্নী' কি? যি ছৈয়্যদ চাহেবে ১৯ বছৰ বয়সত বুজিবলৈ সক্ষম হোৱা নাই তেওঁ কেনেদৰে সুবিখ্যাত সমাজ সংস্কাৰক হৈছিল সেয়া চিন্তাৰ বিষয়। এইক্ষেত্ৰত মৌঃ কেৰামত আলী জৌনপুৰী, মৌঃ ৰুহুল আমীনৰ কিতাপৰ উদ্ধৃতি দিলে নহ'ব। ছৈয়্যদ আহমদৰ শিক্ষা জীৱনৰ সত্য ইতিহাস গোপন কৰি লেখকৰ নতুন ইতিহাস ৰচনা কৰাৰ পিছত এটি উদ্দেশ্য আছে যে ওৱাহাবী দেওবন্দী, ফুৰফুৰাবীসকলৰ উৰ্ধতন ধৰ্মগুৰু আছিল ছৈয়্যদ আহমদ ৰায়বেৰেলৱী চাহেব। উৰ্ধতন মহান গুৰুক অশিক্ষিত, জাহিল, সাধাৰণ মানুহ হিচাপে পৰিচয় দিয়া কি লজ্জাৰ বিষয় নহয়!

'ফুৰফুৰা শ্বৰীফ আকিদা আৰু চিলছিলা' গ্ৰন্থৰ ১৩২ পৃষ্ঠাত ছৈয়্যদ আহমদ বেৰেলৱী শ্বাহ আজিজ মুহাদ্দিচ দেহ্‌লৱীৰ একান্ত অনুগত শিষ্য, মুৰীদ, খলিফা





আছিল....। বুলি উল্লেখ কৰিছে যদিও এই সম্পৰ্কে বিস্তাৰিত ভাৱে আলোচনা কৰা নাই। সেয়েহে আমি এই সম্পৰ্কে তেখেতৰ জীৱনী গ্ৰন্থৰ সহায়ত কিছু কথা উল্লেখ কৰিছোঁ যাৰ দ্বাৰা এই সন্দৰ্ভত পাঠক সমাজ অৱগত হয়। অৱশ্যে ইয়াৰ দ্বাৰা কোনো বিতৰ্ক সৃষ্টি কৰা আমাৰ উদ্দেশ্য নহয়।

ছৈয়্যদ চাহেব জীৱিকাৰ সন্ধানত ১৯ বছৰ বয়সত লক্ষ্ণৌত গৈছিল। তাত দীৰ্ঘদিন থকাৰ পিছত কোনো উপযুক্ত চাকৰি নাপাই দিল্লীলৈ গৈছিল। এই সময়ত তেওঁৰ বয়স আছিল ২০ বছৰ। আৰ্থিক অভাৱত দিল্লীত যোৱাত তেওঁৰ খুব কষ্ট হৈছিল। তাত নিৰূপায় হৈ হযৰত শ্বাহ আব্দুল আজিজ মুহাদ্দিচ দেহ্‌লৱীৰ মাদ্ৰাছাত আশ্ৰয় গ্ৰহণ কৰিছিল। (The Indian Muslims) যিহেতু অখণ্ড ভাৰতৰ স্বনামধন্য ব্যক্তি আছিল শ্বাহ চাহেব। সেইহেতু ছৈয়্যদ চাহেবে তেওঁৰ ওচৰৰ পৰা যিকোনো প্ৰকাৰে ডিগ্ৰী লাভ কৰি বিখ্যাত হোৱাৰ ইচ্ছাত তেওঁৰ ওচৰত পঢ়া-শুনা কৰিছিল। ছৈয়্যদ চাহেবৰ জীৱনীকাৰ মিৰ্যা হায়ৰাতে লিখিছে- "ছৈয়্যদ চাহেবৰ আচল উদ্দেশ্য আছিল যে যিকোনো প্ৰকাৰে লিখা-পঢ়া কৰি সুবিখ্যাত হোৱা। কিন্তু তেওঁৰ জন্মগত স্বভাৱৰ পৰিবৰ্তন নহ'ল।" "কেই মাহ মান পঢ়িছিল কিন্তু কিছুই শিকিব নোৱাৰিলে। হাজাৰ চেষ্টা কৰিছিল যে ছৈয়্যদ চাহেবৰ কিছু শিক্ষা হওক কিন্তু কিছুই কামত নাহিল। শ্বাহ চাহেব নিৰাশ হ'ল আৰু নিজৰ মূল্যবান সময় অযথা নষ্ট হ'ব বুলি ধাৰণা কৰি ছৈয়্যদ চাহেবক পঢ়োৱা বাদ দিলে আৰু তেওঁৰ সাধাৰণ সভাত অংশগ্ৰহণ কৰাৰ অনুমতি দিলে। শ্বাহ চাহেবে অনুমতি দিছিল যে তেওঁ যেন কুৰ্‌আন খোৱানী আৰু হাদীচ পঢ়িবৰ সময়ত উপস্থিত থাকে।" (হায়াতে তাইয়েবা, ৪০৫, ৪০৮, ৪০৯ পৃঃ)

ছৈয়্যদ চাহেব শিক্ষা লাভৰ এই দ্বিতীয় সুযোগটি হেৰুৱাই পেলালে। পৰৱৰ্তী জীৱনত 'পীৰ', 'মুজাদ্দিদ', 'পাদৰী', 'শ্বহীদ' যি হৈছিল সেয়াই হৈছিল। কিন্তু জাহালত বা মুৰ্খামিৰ দাগ কোনো দিনে মচিব পৰা নাই। ছৈয়্যদ চাহেব সুবিখ্যাত হোৱাৰ ফিকিৰত শ্বাহ চাহেবৰ ওচৰত বয়াত গ্ৰহণ কৰি স্বৰীক্বত পন্থী হ'ল। যেতিয়া শ্বাহ আব্দুল আজিজ মুহাদ্দিচ দেহ্‌লৱী চাহেবে ছৈয়্যদ আহমদ ৰায়বেৰেলৱীক 'তাছাব্বুৰে শ্বাইখ'ৰ চবক প্ৰদান কৰিলে যি ইল্‌মে মা'ৰিফতৰ এটি স্তৰ। তেতিয়া ছৈয়্যদ চাহেবে ক'লে- মই এয়া নকৰোঁ, কাৰণ 'তাছাব্বুৰে শ্বাইখ' আৰু প্ৰতিমা পূজা একেই প্ৰকাৰৰ নিকৃষ্টতম কুফৰ আৰু শ্বিৰ্ক। শ্বাহ চাহেবে হাফিজ শ্বীৰাজীৰ এটি ছন্দ পাঠ কৰি বুজাবৰ চেষ্টা কৰিলে যে ইল্‌মে মা'ৰিফত হাস্বিল কৰিবৰ বাবে পীৰৰ নিৰ্দেশ পালন কৰা চৰ্ত। ইয়াৰ উত্তৰত ছৈয়্যদ আহমদ ৰায়বেৰেলৱী চাহেবে ক'লে

pdf By Syed Mostafa Sakib



-"আপুনি যি ক'ব তাকেই কৰিম কিন্তু 'তাছাব্বুৰে শ্বাইখ' পীৰৰ অৱৰ্তমানত তেওঁৰ মনত কৰা তেওঁৰ ওচৰত সাহায্য চোৱা এইবিলাক আচলতে প্ৰতিমা পূজা আৰু প্ৰকাশ্য শ্বিৰ্ক আমি এয়া কোনো সময়ত নকৰোঁ। (মাখযানে আহমাদী, ১৯ পৃষ্ঠা, হাকায়েকে তাহ্‌ৰীকে বালাকোট, ২৮, ২৯ পৃষ্ঠা)

এইজনেই সেই ছৈয়্যেদ আহমদ ৰায়বেৰেলৱী চাহেব যিয়ে পবিত্ৰ কুৰ্‌আনৰ মাত্ৰ কেইটিমান ছুৰাৰ বাহিৰে কুৰ্‌আন শ্বৰীফ পঢ়িব নোৱাৰিছিল, যিয়ে 'কাৰীমা বা বখ্‌শ্বায়ে বৰ হালিমা' ছন্দটি তিনিদিন ধৰি মুখস্থ কৰাৰ পিছত কেতিয়াবা ইয়াৰ দুই এটি শব্দ পাহৰি গৈছিল, যিজনে ১৯ বছৰ বয়সলৈ শ্বিয়া আৰু ছুন্নীৰ পাৰ্থক্য বুজি পোৱা নাছিল, যাক শ্বাহ আব্দুল আজিজ মুহাদ্দিচ দেহ্‌লৱী চাহেবৰ দৰে এজন মহান মুহাদ্দিচে পাঠ পঢ়াব নোৱাৰি ছুটী দিছিল আজি তেওঁ শ্বাহ চাহেবৰ ওচৰত থিয় হৈ ইল্‌মে তাচাউফৰ অন্যতম মাছআলা 'তাছাব্বুৰে শ্বাইখ' কৰাক প্ৰতিমা পূজা আৰু শ্বিৰ্ক বুলি বিতৰ্কৰ সৃষ্টি কৰিছে। যদি ছৈয়্যেদ চাহেবৰ ফতোৱা মানি লোৱা হয় তেনেহ'লে শ্বাহ আব্দুল আজিজ চাহেবৰ পৰা আৰম্ভ কৰি চৰকাৰে বাগদাদ শ্বাইখ আব্দুল ক্বাদীৰ জিলানী, ছুলতানুল হিন্দ খাজা মঈনুদ্দীন চিস্তী আজমিৰী, হযৰত বাহাউদ্দীন নকশ্বৱন্দী, মুজাদ্দিদে আলফে ছানী ৰাস্‌মাতুল্লাহি আ'লাইহিম সকলোৱেই মুশ্বৰিক হৈ যাব। নাউ'জুবিল্লাহ! যিদৰে জুইৰ লগত পানীৰ মিল নহয় ঠিক তেনেকৈ ঈমানৰ লগত কুফৰ আৰু শ্বিৰ্কৰ মিল নহয়। পীৰে যি ঈমান আৰু ইছলামৰ অংগ বুলি আদেশ কৰিছে মুৰীদে তাক শ্বিৰ্ক ও কুফৰ বুলি কৈছে ইয়াৰ পিছতো কি পীৰ-মুৰীদৰ সম্পৰ্ক থাকিব পাৰে? 'তাছাব্বুৰে শ্বাইখ'ৰ মাছআলাত শ্বাহ চাহেবৰ সৈতে ছৈয়্যেদ চাহেবৰ মতবিৰোধ হোৱাৰ লগে লগেই আধ্যাত্মিক সম্পৰ্ক ছিন্ন হৈ গৈছে। বৰ্তমান দেওবন্দী, আহ্‌লে হাদীচ, ফুৰফুৰাবী যিসকলৰ উৰ্ধতম পীৰ ছৈয়্যেদ আহমদ ৰায়বেৰেলৱী তেওঁলোকে যেন নিজৰ ছিলছিলাৰ সৰ্বনাশৰ কথা গভীৰভাৱে চিন্তা কৰে। ইয়াৰ পিছতো ছৈয়্যেদ আহমদ ৰায়বেৰেলৱীক 'ভাৰতবৰ্ষৰ অসাধাৰণ সাহসী তেজস্বী আলেম', 'মুহাদ্দিচ চাহেবৰ একান্ত অনুগত শিষ্য', 'সুবিখ্যাত সমাজ সংস্কাৰক'... (ফুৰফুৰা শ্বৰীফ আকিদা আৰু চিলছিলা, ১৩২ পৃঃ) বোলাটো হাস্যকৰ কথা!

উ'লামাএ দেওবন্দৰ নিৰ্ভৰযোগ্য কিতাপ 'আৰৱাহে চালাচা'ৰ ২৯০ পৃষ্ঠাত আছে এবাৰ ৰচিদ আহমদ গংগুহী চাহেবে জোচত কৈছিল 'মই ক'মনে?' ইৰ্শ্বাদ কৰা হ'ল কওঁক? আকৌ কৈছে- 'মই কৈ দিমনে?' ইৰ্শ্বাদ কৰা হ'ল কওঁক? তেতিয়া তেওঁ ক'লে- "সম্পূৰ্ণ ৩ বছৰ হযৰত হাজী ইমদাদুল্লাহ চাহেবৰ চেহেৰা মুবাৰক মোৰ অন্তৰত আছিল। মই তেওঁক নোসোধাকৈ কোনো কাম কৰা নাই?" - ছৈয়্যেদ আহমদ





ৰায়বেৰেলৱী চাহেবৰ ধাৰণা অনুযায়ী ওৱাহাবী হাইকোৰ্টৰ প্ৰধান বিচাৰপতি মৌঃ ৰচিদ আহমদ গংগুহী চাহেব 'প্ৰতিমা পূজাৰী' হৈ প্ৰকাশ্য কাফিৰ মুশ্বৰিক হৈ গ'ল। কাৰণ তেওঁ কেৱল 'তাছাব্বুৰে শ্বাইখ'ৰ মাছআলাই মনা নাছিল বৰং তেওঁ 'তাছাব্বুৰে শ্বাইখ' কৰিছিল। এতিয়া ইনচাফৰ সৈতে কওঁক গংগুহী চাহেবক প্ৰতিমা পূজাৰী 'কাফিৰ' মুশ্বৰিক ক'ব নে ছৈয়্যেদ আহমদ ৰায়বেৰেলৱীক জাহিল বুলি ক'ব।

'ফুৰফুৰা শ্বৰীফ আকিদা আৰু চিলছিলা'ৰ ১৪০ পৃঃত আছে- "ছৈয়্যেদ আহমদ বেৰেলৱীৰ এই ওৱাহাবী আন্দোলনৰ লগত অলপো সম্পৰ্ক নাই। ছৈয়্যেদ চাহেব এনে সমালোচনাৰ বলি হৈছিল তেখেতৰ আন্দোলনৰ বিৰোধী আৰু বৃটিছসকলৰ চক্ৰান্তৰ বাবে। ছৈয়্যেদ চাহেবক ওৱাহাবী বুলি প্ৰথমবাৰৰ বাবে প্ৰচাৰ চলাইছিল ইংৰাজ ঐতিহাসিক W.W. Hunter চাহাবে ১৮৭১ চনত...।" লেখকে 'ওৱাহাবী' সম্পৰ্কে যি তথ্য পৰিৱেশন কৰিছে সেয়া মুঠেই সত্য নহয়। শাক দি মাছ ঢকাৰ দৰে চেষ্টা কৰিছে। এই বিষয়ে বিস্তাৰিত আলোচনাৰ প্ৰয়োজন আছে কিন্তু স্থানাভাৱত সম্ভৱ নহ'ব। 'ওৱাহাবী' আন্দোলনৰ নায়ক আছিল 'মুহাম্মদ'। মুহাম্মদৰ পিতা আছিল আব্দুল ওৱাহাব। আৰবী প্ৰথাত অনেক ক্ষেত্ৰত পুত্ৰক পিতাৰ ফালৰ পৰা সম্বোধন কৰা হয়। যেনেঃ ইছলামৰ ৪টি মযহবৰ ভিতৰত এটি হ'ল 'হাম্বলী'। এই 'হাম্বলী' মযহবৰ ইমাম হ'ল আহমদ'। (ফাৰহাংগে আছফিয়া, ১ম খণ্ড, পৃঃ ২২৯) ইমাম আহমদৰ পিতাৰ নাম 'হাম্বল'। 'হাম্বল' চাহেব কোনো মযহবৰ জনক নাছিল। ইমাম আহমদ মযহবৰ জনক বা নায়ক আছিল। অথচ মযহবৰ নামাকৰণ 'আহমদী' নহৈ 'হাম্বলী' হৈছে। ইয়াতো কি ইংৰাজৰ চক্ৰান্ত আছে? - হুজুৰ পাক (স্বাঃ)ৰ পবিত্ৰ নাম 'মুহাম্মদ' শব্দৰ সন্মান দিয়া ঈমান আৰু ইছলামৰ অংগ। যিহেতু ওৱাহাবী মতবাদৰ নায়কৰ নাম 'মুহাম্মদ।' সেইহেতু উলামাএ কিৰামসকলে লক্ষ্য কৰিছে এই 'মুহাম্মদ'ৰ ইছলাম বিৰোধী মতবাদৰ প্ৰতি ক্ষুদ্ধ হৈ সাধাৰণ মানুহে 'মুহাম্মদ' নাম উচ্চাৰণ কৰি অশ্লীল ভাষা প্ৰয়োগ কৰিব পাৰে। য'ত পবিত্ৰ 'মুহাম্মদ' শব্দৰ বেআদবী হ'ব। এই কাৰণে উ'লামাএ কিৰামসকলে এই দলৰ নাম 'মুহাম্মদী' আখ্যা নিদি 'ওৱাহাবী' আখ্যা দিছিল। (আনওৱাৰে আহমাদী, ৩১৪ পৃষ্ঠা)

ওৱাহাবী ফিৰকাই স্বীকাৰ কৰিছে যে তেওঁলোকে বৃটিছ চৰকাৰৰ ওচৰত আবেদন কৰি 'ওৱাহাবী' নামৰ পৰিৱৰ্তে 'আহ্‌লে হাদীচ' নাম অনুমোদন কৰিছিল। (মুকাদ্দামায় হায়াতে ছৈয়্যেদ আহমদ, ২৬ পৃঃ, প্ৰফেচাৰ আয়্যুব ক্বাদেৰী, নফীচ একাডেমী কৰাচী, ঈচাআতুছ ছুন্নাহ, খণ্ড ১১, পৃঃ ২৮, সংখ্যা ২) সেই আবেদনখনৰ একাংশৰ অসমীয়া ভাঙনি এনেধৰণৰ - "ওৱাহাবী শব্দটো সাধাৰণতে বিদ্ৰোহী আৰু

pdf By Syed Mostafa Sakib



নিমখ হাৰামৰ অৰ্থত ব্যৱহাৰ হয়। গতিকে এই শব্দটো ভাৰতীয় মুছলমানৰ সেই যামাআ'তৰ ক্ষেত্ৰত যি যামাআ'ত সদায় বৃটিছ চৰকাৰৰ কৃতজ্ঞ, শুভাকাংক্ষী আৰু নিমক হালাল হৈ থকাটো বাবে পতি প্ৰমাণিত হৈছে আৰু চৰকাৰী চিঠি পত্ৰতো মানি লোৱা হৈছে সেই যামাআ'তৰ ক্ষেত্ৰত ব্যৱহাৰ কৰা হয়। আমি অতি বিনম্ৰভাৱে চৰকাৰৰ ওচৰত আবেদন জনাওঁ যে চৰকাৰীভাৱে 'ওৱাহাবী' শব্দটো বাতিল কৰি আমাৰ ক্ষেত্ৰত শব্দটো ব্যৱহাৰ নিষিদ্ধ ঘোষণা কৰি 'আহলে হাদীচ' শব্দটো ব্যৱহাৰ কৰাৰ হুকুম জাৰী কৰিব লাগে।" ইয়াৰ পিছতো বৃটিছৰ চক্ৰান্ত বুলি ক'ব পাৰিবনে?

ইংৰাজসকলৰ তত্ত্বাৱধানত মৌঃ ইছমাঈল দেহ্লৱী আৰু ছৈয়্যদ আহমদ ৰায়বেৰেলৱীৰ মাধ্যমত ভাৰতবৰ্ষত ওৱাহাবীয়তৰ বীজ ৰোপণ হৈছিল। ধুৰন্ধৰ ইংৰাজে সু-কৌশলৰে সৰ্বদিশেৰে এই ওৱাহাবী ফিৰকাক পুষ্ট আৰু বলিষ্ঠ কৰি সীমান্ত এলেকাৰ পাঠানৰ দেশত প্ৰেৰণ কৰিছিল। এফালে যেনেকৈ এই ওৱাহাবী আন্দোলনৰ মাধ্যমত তথাকথিত জিহাদৰ নামত সীমান্তপ্ৰদেশত মুছলমান পাঠান আৰু শিখ সকলক আক্ৰমণ কৰিছে তেনেদৰে ভাৰতবৰ্ষৰ মুছলমানৰ মাজত বিচ্ছেদৰ জুই জ্বলাইছে। ১৯৪৭ চনৰ পূৰ্ব পৰ্যন্ত উ'লামাএ দেওবন্দে 'বৃটিছৰ দোস্ত' হিচাপে ছৈয়্যদ আহমদ আৰু মৌঃ ইছমাঈল দেহ্লৱীৰ প্ৰতি গৌৰৱ কৰি আহিছিল। ইয়াৰ পিছৰ পৰাই বৃটিছৰ শত্ৰু প্ৰমাণ কৰিবৰ বাবে ধাৰাবাহিক মিথ্যা ক'বলৈ আৰম্ভ কৰিছে। বিশেষ কৰি পাকিস্তান স্বাধীন হোৱাৰ লগে লগে শত বছৰৰ সমস্ত ৰেকৰ্ড আৰু ইতিহাসক পৰিবৰ্তন কৰাৰ চেষ্টা কৰিছে। অৱশ্যে এই পৰ্যন্ত তেওঁলোকৰ সমস্ত চেষ্টা ব্যৰ্থ আৰু বিফল হৈছে। কাৰণ এওঁলোকে ইতিহাসৰ অপব্যাখ্যা কৰি প্ৰমাণ কৰিব বিচাৰিছে যে মৌঃ ইছমাঈল দেহ্লৱী আৰু ছৈয়্যদ আহমদ ৰায়বেৰেলৱী পীৰ, মুজাহিদ, মুজাদ্দিদ, শ্বহীদ ইত্যাদি আছিল আৰু এওঁলোকে ভাৰতৰ স্বাধীনতা সংগ্ৰামত মুখ্য ভূমিকা গ্ৰহণ কৰিছিল। কিন্তু প্ৰকৃত ইতিহাসে প্ৰমাণ কৰিছে যে এওঁলোকে পীৰ ভেশ ধৰি পাদৰীৰ ভূমিকা পালন কৰিছিল। তথাকথিত জিহাদৰ নামত ইংৰাজৰ জয়ৰ ডংকা বজাইছিল। তৃৰীকায়ে মুহাম্মদীয়া (ওৱাহাবী আন্দোলন)ৰ সংস্কাৰৰ নামত মুছলমানৰ সৰ্বনাশ কৰিছিল। এই দুৰ্নীতিবাজ অত্যাচাৰী চাহেবান শ্বাহাদতৰ পৰিবৰ্তে মুছলমানৰ হাতত নিহত হৈছিল। 'ফুৰফুৰা শ্বৰীফ আকিদা আৰু চিলছিলা' গ্ৰন্থৰ ৬০, ৬১, ৬২, ৬৩ পৃঃত লেখকে ওৱাহাবী সকলৰ ৩৪ টা আকিদা উল্লেখ কৰিছে যদিও ১৪০ পৃঃত ছৈয়্যদ আহমদ ৰায়বেৰেলৱীক ওৱাহাবী নহয় বুলি তাৎপৰ্যপূৰ্ণ মন্তব্য কৰিছে। সেয়েহে ছৈয়্যদ আহমদ যে ওৱাহাবী আছিল সেই সম্পৰ্কত কিছু কথা উল্লেখ কৰা হৈছে— মুহাম্মদ বিন আব্দুল ওৱাহাব নজ্দীৰ সৈতে ছৈয়্যদ আহমদ চাহেবৰ সাক্ষাত নহ'লেও তেখেত





ওৱাহাবী মতাবলম্বী আছিল। আলীগড় বিশ্ববিদ্যালয়ৰ প্ৰতিষ্ঠাতা ছাৰ ছৈয়্যদ আহমদ খাঁনে কৈছে- "হিন্দুস্তানৰ উত্তৰ পশ্চিম সীমান্তত যি পাহাড়ী সম্প্ৰদায় থাকে, এওঁলোক ছুন্নী মযহব হানাফী সম্প্ৰদায় ... এই পাহাড়ী সম্প্ৰদায় এওঁলোক (ছৈয়্যদ আহমদ আৰু ইছমাঈল দেহ্লৱী)ৰ আকাঈদৰ বিপৰীত আছিল। সেয়ে ছৈয়্যদ আহমদে তেওঁৰ ওৱাহাবী মতবাদ পাহাড়ী সকলক মুঠেই মনাব পৰা নাছিল। কিন্তু পাহাড়ীসকল (হানাফী মযহবৰ লোকসকল) শিখৰ অত্যাচাৰত জৰ্জৰিত হৈছিল। সেই সুযোগতে শিখৰ লগত আক্ৰমণৰ চলেৰে ওৱাহাবী মত প্ৰচাৰত অংশগ্ৰহণ কৰিছিল। কিন্তু এই সম্প্ৰদায়টো মযহব বিৰোধীতাত অত্যন্ত কঠোৰ আছিল। তেওঁলোকে ছৈয়্যদ আহমদৰ চক্ৰান্ত বুজি পায়। ওৱাহাবী সকলৰ সৈতে প্ৰতাৰণা কৰি শিখৰ লগত সন্ধি কৰে আৰু মৌঃ ইছমাঈল দেহ্লৱী আৰু ছৈয়্যদ আহমদক হত্যা কৰিছিল।" (মাকালাতে ছাৰ ছৈয়্যদ, ৯ম খণ্ড, পৃঃ ১৩৯, ওৱাহাবী আন্দোলন, পৃঃ ৫৫-৬৭, দেওবন্দ আন্দোলন, প্ৰকাশকঃ বাংলাদেশ কৌমী শিক্ষা বোৰ্ড, পৃঃ ৯১-১৩৪, The Indian Muslims) ছাৰ ছৈয়্যদ আহমদ চাহেবৰ উক্তিৰ পৰা আচল ৰহস্য প্ৰকাশ হ'ল যে অৰ্থ আৰু পাৰ্থিৱ স্বাৰ্থৰ কাৰণে ছৈয়্যদ চাহেবৰ সৈতে পাহাড়ীসকলৰ মতবিৰোধ নাছিল বৰং ছৈয়্যদ চাহেবৰ ওৱাহাবী মতবাদক পাহাড়ীসকলে প্ৰত্যাখান কৰিছিল। যাৰ কাৰণে ছৈয়্যদ চাহেবে পাহাড়ী হানাফী ছুন্নী সকলৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিছিল। পাহাড়ীসকলে ৰণ কৌশল অৱলম্বনত শিখ সকলৰ সৈতে সন্ধি কৰি ইছলামৰ মহা শত্ৰু ওৱাহাবী ছৈয়্যদ আহমদ চাহেব আৰু তেওঁৰ বাহিনীক উপযুক্তভাৱে শাস্তি প্ৰদান কৰিছিল। এই মুহূৰ্তত কোৱা কি অন্যায় হ'ব? ছৈয়্যদ চাহেবৰ মৃৰ ভাৰতবাসীৰ বাবে উপহাৰ নাছিল, মুছলমানৰ বাবেও উপহাৰ নাছিল এয়া প্ৰকৃত পক্ষে ওৱাহাবীসকলৰ বাবে উপহাৰ আছিল। হয়তো লেখকে ক'ব পাৰে যে ছাৰ ছৈয়্যদ আহমদ চাহেবে ইংৰাজ ঐতিহাসিক W. W. Hunter ৰ প্ৰভাৱত পৰি ছৈয়্যদ আহমদ ৰায়বেৰেলৱীক 'ওৱাহাবী' বুলি চিহ্নিত কৰিছিল। এই ধাৰণা কিন্তু মুঠেই সত্য নহয়। ইয়াত সন্দেহ নাই যে ছৈয়্যদ আহমদ ৰায়বেৰেলৱী ওৱাহাবী আছিল আৰু তেওঁৰ দ্বাৰাই অখণ্ড ভাৰতবৰ্ষত ওৱাহাবী মতবাদ সৰ্বপ্ৰথম প্ৰচাৰ হৈছিল। ভাৰত আৰু বাংলাদেশৰ ইতিহাসত ছৈয়্যদ আহমদ ৰায়বেৰেলৱীক ওৱাহাবীয়তৰ বীজ ৰোপণকাৰী বোলা হৈছে। যেনে ঃ 'স্বদেশ কথা আধুনিক যুগ'ৰ ৯৫ পৃঃত কোৱা হৈছে - "ছৈয়্যদ আহমদ ৰায়বেৰেলৱীকেই ওৱাহাবী আন্দোলনৰ নেতা বুলি উল্লেখ কৰা হয়। আৰবত হজ্ব কৰিবলৈ গৈ তাৰ ওৱাহাবী সম্প্ৰদায়ৰ ইছলাম ধৰ্মৰ পুনৰুজ্জীবন আৰু পবিত্ৰ কৰণৰ আন্দোলন সম্পৰ্কে ছৈয়্যদ আহমদে প্ৰত্যক্ষ জ্ঞান লাভ কৰিছিল।" 'ভাৰত পৰিচয়'ৰ

pdf By Syed Mostafa Sakib



২৭২ পৃঃত উল্লেখ আছে- "ভাৰতত এই (ওৱাহাবী) আন্দোলনৰ প্ৰবক্তা হ'ল ছৈয়্যদ আহমদ নামৰ উত্তৰ প্ৰদেশৰ ৰায়বেৰেলীৰ এজন অধিবাসী। ১৭৮৬ খ্ৰীঃত ছৈয়্যদ আহমদৰ জন্ম হয়! মক্কাত হজ্ব যাত্ৰাত গৈ তেওঁ আৰবৰ ওৱাহাবী আন্দোলনৰ সৈতে পৰিচিত হয়। ১৮২২ খ্ৰীঃত দেশলৈ ঘূৰি আহি তেওঁ ভাৰতত ওৱাহাবী আদৰ্শ ধৰ্ম ৰাষ্ট্ৰ প্ৰতিষ্ঠাত উদ্যোগ গ্ৰহণ কৰে।" 'সৰল উচ্চ মাধ্যমিক ইতিহাস'ৰ ৭৫ পৃঃত কোৱা হৈছে- "ছৈয়্যদ আহমদ ৰায়বেৰেলৱীকেই ভাৰতৰ ওৱাহাবী আন্দোলনৰ প্ৰতিষ্ঠাতা বোলা হয়।" বাংলাদেশ ইছলামীক ফাউণ্ডেশ্বনৰ পৰা ১৯৮১ চনত ১ম প্ৰকাশিত মুহাম্মদ মুদাব্বিৰৰ 'ইতিহাস কথা কয়'ৰ ১১৭ পৃঃত আৰু 'আধুনিক ভাৰতেৰ ইতিহাস'ৰ ১৯৯ পৃঃত ছৈয়্যদ আহমদ ৰায়বেৰেলৱীক ওৱাহাবী আন্দোলনৰ নেতা বোলা হৈছে। দেওবন্দীসকলৰ পৰম বুযুৰ্গ শ্বাইখ আব্দুল হক্ব হাক্বানীৰ উক্তিৰ পৰাও ই প্ৰমাণিত হয়। তেখেতে 'তাফছীৰে হাক্বানী'ৰ ১ম খণ্ডৰ ১১২ পৃঃত লিখিছে- "ছৈয়্যদ আহমদ ৰায়বেৰেলৱী চাহেব ১ম জীৱনত মৌঃ মাখছুছুল্লাহৰ ওচৰত সামান্য আৰবী ব্যাকৰণ শিক্ষা কৰিছিল, তাবীজ আৰু জৰা ফুঁকাও শিকিছিল কিন্তু যেতিয়া এই ব্যৱসায় নচলিল, তেতিয়া তেওঁ বৃটিছ চৰকাৰৰ পিনে ধাবিত হৈছিল। পিছত কট্টৰ ওৱাহাবী আৰু মৌলৱী ইছমাঈল চাহেবৰ অনুসাৰী হৈ যায়।"

ওপৰোক্ত ছাৰ ছৈয়্যদ আহমদ আলীগড়ী, মৌঃ আব্দুল হক্ব হাক্বানীৰ উদ্ধৃতি, মাধ্যমিকৰ পৰা আৰম্ভ কৰি ডিগ্ৰী কোৰ্চ পৰ্যন্ত সমস্ত ইতিহাসত ছৈয়্যদ আহমদ ৰায়বেৰেলৱীক ভাৰতবৰ্ষত ওৱাহাবীয়তৰ বীজ ৰোপণ কাৰী বোলা হৈছে। ইছলামীক ফাউণ্ডেশ্বন, বাংলাদেশৰ পৰা প্ৰকাশিত গ্ৰন্থ সমূহতো ছৈয়্যদ আহমদক ওৱাহাবী বুলি চিহ্নিত কৰা আছে। লেখকৰ জ্ঞাতাৰ্থে জনাব বিচাৰিছো যে ইতিহাসৰ কোনো স্থানত কোৱা হোৱা নাই যে ছৈয়্যদ আহমদ ৰায়বেৰেলৱী আৰবৰ ওৱাহাবী আন্দোলনৰ নেতা মুহাম্মদ বিন আব্দুল ওৱাহাব নজ্‌দীৰ পৰা ওৱাহাবী দীক্ষা গ্ৰহণ কৰিছিল। বৰং কোৱা হৈছে যে তেওঁ ১৮২২ খ্ৰীঃত আৰবৰ পৰা ওৱাহাবী দীক্ষা গ্ৰহণ কৰি দেশলৈ ঘূৰি আহিছিল। সেয়ে এই অভিশপ্ত মুহাম্মদ বিন আব্দুল ওৱাহাব নজ্‌দীৰ সৈতে সাক্ষাৎ নহ'লেও ছৈয়্যদ চাহেবে তাৰ ওৱাহাবী সকলৰ পৰা কুমন্ত্ৰণা লৈ দেশলৈ ঘূৰি আহিছিল ইয়াত সন্দেহ নাই। ওৱাহাবী সকল যে কবৰ ভঙাৰ দল সেই কথা লেখকে স্বীকাৰ কৰিছে। অনুৰূপ ছৈয়্যদ চাহেবো কবৰ ভঙাত কম নাছিল। দেওবন্দীসকলৰ নিৰ্ভৰযোগ্য কিতাপ 'আৰৱাহে চালাচা'ৰ ১২৯, ১৪১ পৃঃত কোৱা হৈছে- "ছৈয়্যদ চাহেবে স্বয়ং কেইবা হাজাৰ ইমাম বাড়া ভাঙিছে আৰু ৫০,০০০ ইমাম বাড়া ভাঙিছে। অনুৰূপ তেওঁ কবৰো ভাঙিছে।" যেতিয়া চৌদীৰ ওৱাহাবী





বৰ্বৰ সকলে পবিত্ৰ মক্কা- মদীনা শ্বৰীফৰ মাঝাৰ শ্বৰীফ বিলাক আৰু পবিত্ৰ স্থানবিলাক ধুলিসাৎ কৰি অপবিত্ৰ কাম কৰিছিল তেতিয়া ছৈয়্যদ চাহেবৰ ছিলছিলাৰ ওৱাহাবী পন্থী 'জমিঅ'ত-ই-উ'লামা-ই- হিন্দ'ৰ তৰফৰ পৰা বৰ্বৰসকললৈ অভিনন্দন বাৰ্তা পঠোৱা হৈছিল। বৰ্তমান ছৈয়্যদ চাহেবৰ মতানুসাৰী উ'লামাএ দেওবন্দে নবী আৰু ৱলীসকলৰ মাঝাৰবিলাক ধ্বংস কৰাৰ পৰিকল্পনাত দৃঢ় আছে। এওঁলোকৰ কথা হ'ল যি স্থানত পূৰ্ণ শক্তি আছে মাঝাৰবিলাক ধ্বংস কৰিলে হাঙ্গামা সৃষ্টি নহ'ব সেই স্থানত ধ্বংস কৰিব লাগিব আৰু যদি হাঙ্গামা সৃষ্টি হোৱাৰ আশংকা থাকে তেনেহ'লে অপেক্ষা কৰিব লাগিব।" (ফাতাৱা-ই-দাৰুল উ'লুম দেওবন্দ, ১ম খণ্ড, পৃঃ ৩৭৩)

লেখকে তেওঁৰ গ্ৰন্থত ছৈয়্যদ আহমদ ৰায়বেৰেলৱীয়ে বৃটিছ সাম্ৰাজ্যৰ ভেঁটি থৰক বৰক কৰি তুলিছিল (পৃঃ ১৩৪) বুলি উল্লেখ কৰিছে। অৰ্থাৎ তেওঁ এজন বৃটিছ বিৰোধী ব্যক্তি আছিল। তেওঁ আৰু লিখিছে ছৈয়্যদ আহমদ চাহেব মাতৃভূমিৰ আজাদী আৰু ন্যায় প্ৰতিষ্ঠাৰ হকে ইংৰাজ আৰু শিখসকলৰ হাতত শ্বাহাদত বৰণ কৰে। (ফুৰফুৰা শ্বৰীফ আকিদা আৰু ছিলছিলা, পৃঃ ১৩৪) ইতিহাসে প্ৰমাণ কৰে যে ছৈয়্যদ আহমদ ৰায়বেৰেলৱীয়ে কোনো সময়তে বৃটিছৰ বিৰোধীতা কৰা নাছিল। বৰং তেওঁ বৃটিছৰ ৰাজত্বক সুদৃঢ় আৰু দীৰ্ঘস্থায়ী কৰাত সকলো প্ৰকাৰে সহায়-সহযোগিতা কৰিছিল। বৃটিছ তেওঁৰ প্ৰতি অত্যন্ত সন্তুষ্ট আছিল আৰু তেওঁক স-সন্মানে 'পাদৰী' বুলি সম্বোধন কৰিছিল আৰু তেওঁৰ সকলো দিশৰ সুখ-সুবিধাৰ প্ৰতি লক্ষ্য ৰাখিছিল। বৃটিছৰ পক্ষৰ পৰা ছৈয়্যদ চাহেবৰ ওপৰত অত্যাচাৰ ও আহত হোৱাৰ কথা সম্পূৰ্ণ মিছা। অনুৰূপ তেওঁৰ শ্বহীদ হোৱাৰ কথাও কাল্পনিক।

**<u>ছৈয়্যদ চাহেবৰ সৈতে বৃটিছ চৰকাৰৰ সম্পৰ্ক ঃ</u>**

মৌঃ আবুল হাচান আলী নাদৱীয়ে লিখিছে- "ছৈয়্যদ আহমদ চাহেবৰ কাফিলা নৌকাত গৈছিল। হঠাৎ তেওঁলোকক দেখিবলৈ পাই জনৈক ইংৰাজ ঘোঁৰাত আহি কেইখনমান পাক্কীত খাদ্য লৈ নৌকাত আহি জিজ্ঞাসা কৰিলে - "পাদৰী চাহেব ক'ত?" হযৰত (ছৈয়্যদ আহমদ) নৌকাৰ পৰাই উত্তৰ দিলে - "মই ইয়াত আছো।" ইংৰাজ ঘোঁৰাৰ পৰা নামি (মূৰৰ) টুপি হাতত লৈ নৌকাত আহি অৱস্থা জিজ্ঞাসা কৰাৰ পিছত ক'লে- আমি তিনি দিনৰ পৰা ইয়াত মানুহ ৰাখি দিছো আপোনাৰ সংবাদ জনাবৰ বাবে। সি আজি জনাইছে আপোনাৰ কাফিলা অহাৰ কথা। এয়া অৱগত হৈ আমি সূৰ্য অস্ত যোৱা পৰ্যন্ত খাদ্য তৈয়াৰ কৰাত ব্যস্ত আছিলো। তৈয়াৰ কৰি আনিছো। ছৈয়্যদ চাহেবে আদেশ কৰিলে "খাদ্য আমাৰ পাত্ৰত ঢালি দিয়া।" খাদ্য লৈ কাফিলাৰ মাজত ভগাই দিয়া হ'ল। ইংৰাজ দুই-তিনি ঘন্টা থাকি গুচি গ'ল।

pdf By Syed Mostafa Sakib



(ছীৰাতে আহমদ শ্বহীদ, ১৯০ পৃষ্ঠা, মাখযানে আহমাদী, ২৭ পৃঃ, ছৱানিহে আহমাদী ৪৯ পৃঃ, ইম্‌তিয়াজে হক্ব, ৮৪, ৮৫ পৃঃ) 'ছাব'তকৈ পাদৰী উপাধিৰ মূল্য কম নহয়। আকৌ কিমান সুন্দৰ ৰেচনৰ ব্যৱস্থা। আকৌ ৰেচন দিবলৈ তিনিদিনৰ পৰা অপেক্ষা। যিহেতু পীৰ ছৈয়্যদ চাহেব এতিয়া পাদৰী হৈ গৈছে। সেইহেতু ইংৰাজৰ খাদ্য বিনা দ্বিধাই গ্ৰহণ আৰু কাফিলাৰ মাজত বিতৰণ কৰে। এইপ্ৰকাৰ পৰহেজগাৰী নাথাকিলে আধ্যাত্মিক উন্নতি কিদৰে হ'ব? 'পাদৰী চাহেব ক'ত'? ছৈয়্যদ চাহেবে তৎক্ষণাত উত্তৰ দিছিল - 'মই ইয়াত আছো।' ছৈয়্যদ চাহেবৰ উত্তৰৰ পৰা বুজা গৈছে যে ইংৰাজৰ সৈতে তেওঁৰ পূৰ্বৰ পৰাই যোগাযোগ আছিল। সেয়ে 'পাদৰী' কোন? ই বুজাত সামান্য বিলম্ব হোৱা নাই। অৱশ্যে ইংৰাজ বিষয়াৰ সৈতে ২-৩ ঘন্টা কি আলোচনা হ'ল সেয়াহে প্ৰকাশ নহ'ল।

মিৰ্যা হায়ৰাত দেহ্‌লৱীয়ে লিখিছে - "লৰ্ড হেষ্টিংছ চাহাব ছৈয়্যদ আহমদৰ অসাধাৰণ কৰ্ম দেখি অত্যন্ত সন্তুষ্ট হৈছিল। দুই পক্ষৰ সৈনিকসকলৰ মাজত এটি তম্বু কৰা হৈছিল। ইয়াৰ ভিতৰত লৰ্ড চাহাব, আমীৰ খান আৰু ছৈয়্যদ চাহেবৰ মাজত এটি চুক্তি কৰিছিল। ছৈয়্যদ চাহেবে আমীৰ খাঁনক অত্যন্ত কষ্ট কৰি বশ কৰিছিল। (হায়াতে তাইয়েবা, পৃঃ ২৯৪) লৰ্ড চাহাব ছৈয়্যদ আহমদৰ প্ৰতি কিয় অত্যন্ত সন্তুষ্ট আছিল সেয়া ব্যাখ্যা কৰাৰ প্ৰয়োজন নাই। কাৰণ ওপৰৰ উদ্ধৃতিৰ পৰা দিবালোকৰ দৰে পৰিষ্কাৰ হৈ গৈছে যে লৰ্ড চাহাবে ছৈয়্যদ চাহেবক কাঠৰ পুতলা হিচাপে ব্যৱহাৰ কৰিব পাৰিছিল আৰু যি সমস্ত আলীমক তেওঁলোকৰ পক্ষলৈ অনাত লৰ্ড চাহাবৰ অসম্ভৱ হৈছিল ছৈয়্যদ চাহেবে সেয়া সম্ভৱ কৰি দিছিল। যেনেঃ আমীৰ খাঁনৰ দৰে এজন কট্টৰ বৃটিছ বিৰোধী মানুহক ছৈয়্যদ চাহেবে স্বপক্ষে কৰি পেলালে। নিশ্চয় ই লৰ্ড চাহাবৰ পৰে সম্ভৱ নাছিল। এইবাৰ কওঁক, ইংৰাজসকলে কোন দোষত তেওঁলোকৰ মনৰ এজেন্ট ছৈয়্যদ চাহেবক অত্যাচাৰ আহত, শ্বহীদ কৰিব?

<u>বৃটিছৰ ৰাজত্বৰ প্ৰতি ছৈয়্যদ চাহেবৰ আন্তৰিকতা ঃ</u>

মৌঃ জাফৰ থানেশ্বৰীয়ে লিখিছে - "ইংৰাজ চৰকাৰৰ সৈতে জিহাদ কৰাৰ ইচ্ছা ছৈয়্যদ চাহেবৰ মুঠেই নাছিল। তেওঁ বৃটিছৰ ৰাজত্বক নিজৰ ৰাজত্ব মনে কৰিছিল। ইয়াত সন্দেহ নাই যে যদি ইংৰাজ চৰকাৰ এই সময়ত ছৈয়্যদ চাহেবৰ বিৰুদ্ধে হ'লহেঁতেন তেনেহ'লে হিন্দুস্তানৰ পৰা ছৈয়্যদ চাহেবৰ ওচৰত কোনো সাহায্য নগ'লহেঁতেন। কিন্তু ইংৰাজ চৰকাৰে এই সময়ত বিচাৰিছিল শিখ সকলৰ শক্তি কম হৈ যাওঁক।" (চাৱানিহে আহমদী, পৃঃ ১৩৯) দেওবন্দী জগতৰ খ্যাতিসম্পন্ন আলীম ও মুনাজিৰ মৌঃ মঞ্জুৰ নোঅ'মানিও উল্লেখিত উদ্ধৃতিৰ সৈতে একমত। তেওঁ লিখিছে





- "ছৈয়্যদ চাহেবে ইংৰাজসকলৰ বিৰোধীতা কৰিবলৈ ঘোষণা কৰা নাই বৰং কলিকতা অথবা পাটনাত তেওঁলোকক সাহায্য কৰাৰ কথা উল্লেখ কৰিছে আৰু এয়াও প্ৰচাৰ আছে ইংৰাজে কিছু কিছু ক্ষেত্ৰত তেওঁৰ সাহায্য কৰিছে।" (আল ফুৰকান শ্বহীদ, ৭৮ পৃঃ) ইয়াৰ পৰা ভালদৰে বুজা গৈছে ছৈয়্যদ আহমদ ৰায়বেৰেলৱী চাহেব মুঠেই ইংৰাজ বিৰোধী নাছিল। তেওঁলোকৰ ৰাজত্বক নিজৰ ৰাজত্ব মনে কৰিছিল। ইংৰাজসকলেও তেওঁৰ প্ৰতি সাহায্য আৰু সহানুভূতিৰ হাত আগবঢ়াইছিল। ইয়াৰ পিছতো কোনোৱে ইংৰাজৰ পক্ষৰ পৰা ছৈয়্যদ চাহেবৰ ওপৰত অত্যাচাৰৰ অভিযোগ তুলি নতুন ঐতিহাসিক হ'বলৈ ইচ্ছা কৰে আমাৰ তাত ক'বলগীয়া নাই।

ছৈয়্যদ চাহেবে বৃটিছৰ বিৰোধীতা কৰিবলৈ নিষেধ কৰিছে। মৌঃ জাফৰ থানেশ্বৰীয়ে লিখিছে "তেওঁৰ জীৱনী বিলাকত আৰু চিঠি পত্ৰ ২০ ৰ বেছি স্থান পোৱা গৈছে, ছৈয়্যদ চাহেবে প্ৰকাশ্যভাৱে শ্বৰীঅ'তৰ দলিলৰ দ্বাৰা তেওঁৰ অনুসৰণকাৰী সকলক ইংৰাজ চৰকাৰৰ বিৰোধীতা কৰিবলৈ নিষেধ কৰিছে।" (চাৱানিহে আহমদী, ২৪৬ পৃঃ) ওপৰোক্ত উদ্ধৃতিৰ পৰা এই কথা প্ৰমাণ হয় ছৈয়্যদ চাহেবে কেৱল বৃটিছৰ বিৰোধীতা কৰিবলৈ নিষেধ কৰা নাই বৰং বৃটিছৰ বিৰোধীতা কৰা ইছলাম বিৰোধী কাম বুলি গণ্য কৰিছিল। আমাৰ ধাৰণা হয় ছৈয়্যদ চাহেবৰ নিচিনা সুদক্ষ দ্বিতীয় কোনো পাদৰী ইংৰাজৰ অনুগত নাছিল। এই পাদৰীৰ প্ৰতি ইংৰাজৰ অত্যাচাৰৰ কথা কোৱাই প্ৰকৃত ইতিহাস ঢাকি দিয়াৰ বাহিৰে কিছুই নহয়।

<u>ছৈয়্যদ আহমদ ৰায়বেৰেলৱী চাহেবৰ চিঠিৰ একাংশ নকল ঃ</u>

"ইংৰাজ চৰকাৰৰ সৈতে আমাৰ কোনো শত্ৰুতা নাই। কাৰণ আমি তেওঁলোকৰ প্ৰজা। বৰং এওঁলোকৰ স্বপক্ষে প্ৰজা সকলৰ অত্যাচাৰ সমূলি নিৰ্মূল কৰাই আমাৰ দায়িত্ব।" (মাক্‌তুবাতে ছৈয়্যদ আহমদ শ্বহীদ, অনুবাদক ঃ শ্বাখাৱাত মিৰ্যা, ৩২ পৃঃ) ছৈয়্যদ আহমদ ৰায়বেৰেলৱী চাহেবৰ বৃটিছ বিৰোধী মনোভাৱ কিমান সুদৃঢ় আছিল আৰু বৃটিছ বিতাড়ন পৰিকল্পনা কিমান আছিল পাঠক সমাজে সেয়া উপলব্ধি কৰিব পাৰিছে। এইবাৰ কওঁক - ইংৰাজৰ নিমকখোৰ দালাল, ভাৰতৰ ওৱাহাবী আন্দোলনৰ নেতা ছৈয়্যদ আহমদ ৰায়বেৰেলৱীক 'স্বাধীনতা সংগ্ৰামৰ মহানায়ক', 'মহাবিপ্লৱী', 'অমৰ শ্বহীদ', 'বালাকোটৰ শ্বহীদ', 'মুজাহিদ', 'মুজাদ্দিদ', 'লৌহ মানব', 'বৰেণ্য সন্তান'..... বুলি চিহ্নিত কৰা ইতিহাস বিকৃত কৰা নহয়নে? লেখকে ইতিহাসৰ ইতিহাস লিখিছে কিন্তু এই ইতিহাসবিলাক কিয় লিপিবদ্ধ কৰা নাই? যদি নজনাৰ কাৰণে লিখা নাই তেনেহ'লে তেওঁ কেনে লেখক? যিয়ে ইতিহাসৰ ইতিহাস লিখিব তেওঁ আকৌ সমস্ত ইতিহাস নাজানে? আৰু যদি জনা সত্ত্বেও লুকাই

pdf By Syed Mostafa Sakib



থাকে তেনেহ'লে তেওঁ আচল ইতিহাস বিকৃত কৰিছে।

**ছৈয়্যদ আহমদ ৰায়বেৰেলৱী চাহেবৰ অমুছলিমৰ দাঅ'ৱাত গ্ৰহণ ঃ**

গোলাম ৰছুল মোহৰে লিখিছে- "ছাহাৰাণপুৰৰ তহছিলদাৰ ধোকাল সিঙে ছৈয়্যদ আহমদ চাহেবক দাঅ'ৱাত কৰিছিল।" (ছৈয়্যদ আহমদ শ্বহীদ, ১২৮ পৃঃ) "কানপুৰৰ ইংৰাজৰ জনৈক স্ত্ৰীয়ে ৰায়বেৰেলীৰ পৰা ছৈয়্যদ চাহেবক মাতিছিল। তেওঁ গঙ্গা পাৰ হৈ উপস্থিত হৈছিল।" (ছৈয়্যদ আহমদ শ্বহীদ, ১৫৯ পৃঃ) ছৈয়্যদ আহমদ ৰায়বেৰেলৱী চাহেব কেনে পৰহেজগাৰী পীৰ আছিল সেয়া চিন্তা কৰক? যেন দাঅ'ৱাত গ্ৰহণ কৰাই তেওঁৰ পেছা। হিন্দু, শিখ, খৃষ্টান যিয়েই নহওক কিয়...।

**বৃটিছৰ জঘন্য পৰিকল্পনা ঃ**

বৃটিছ পৰিকল্পনা অনুযায়ী ইংৰাজৰ এজেন্ট, দুই দেশদ্ৰোহী, গাদ্দাৰ ছৈয়্যদ আহমদ ৰায়বেৰেলৱী আৰু মৌঃ ইছমাঈল দেহ্লৱীৰ পৰামৰ্শ মতে সিদ্ধান্ত হৈছিল যে—(১) সোনকালে শিখ সকলৰ বিৰুদ্ধে জিহাদৰ ডংকা বজাই দিয়া, (২) পাঞ্জাবৰ মুছলমানৰ ওপৰত অত্যাচাৰৰ কথা খুব প্ৰচাৰ কৰি সমগ্ৰ হিন্দুস্তানৰ মুছলমানক উত্তেজিত কৰা, (৩) জিহাদৰ নামত ধোকা দি টকা-পইচা সংগ্ৰহ কৰিব লাগিব আৰু সেই সমস্ত টকা মুছলমানৰ মাজত বন্টন কৰি নিজৰ আয়ত্বত আনিব লাগিব, (৪) সীমান্ত প্ৰদেশত পৌছি শিখসকলৰ বিৰুদ্ধে জিহাদৰ বাবে প্ৰেৰণা দিয়া, (৫) ইয়াৰ পিছত পাঠানসকলৰ পৰা ছৈয়্যদ চাহেবৰ ইমাম হোৱাৰ স্বীকৃতি লোৱা হ'ব, যদি এওঁলোকে স্ব-ইচ্ছাই ছৈয়্যদ চাহেবক স্বয়ং সম্পন্ন আমীৰ আৰু 'ইমামে বৰহক' বুলি স্বীকৃতি দান কৰে তেনেহ'লে খুবেই ভাল অন্যথা তলোৱাৰৰ সাহায্যত স্বীকাৰ কৰা হ'ব, (৬) এই প্ৰকাৰ শিখ আৰু পাঠান সকলৰ লগত যুদ্ধ কৰি তেওঁলোকৰ কিছু এলাকা কাঢ়ি ল'ব লাগিব আৰু তাত ওৱাহাবী ৰাজত্ব কায়েম কৰিব লাগিব। অৱশ্যে এই ৰাজত্ব ছৌদী ৰাজত্বৰ নিচিনা ইংৰাজসকলৰ অনুসৰণ কৰি চলিব।

এই পৰিকল্পনাৰ পিছত ইংৰাজসকলৰ উদ্দেশ্য আছিল যে - (১) যদি হিন্দুস্তানত 'ওৱাহাবী ষ্টেট' কায়েম হৈ যায় তেনেহ'লে আৰবৰ ওৱাহাবী ষ্টেটৰ নিচিনা বৃটিছ চৰকাৰৰ সাহায্যকাৰী হৈ বৃটিছৰ শক্তিক সমৃদ্ধ কৰিব আৰু ৰাজত্বক প্ৰশস্ত কৰি দিব, (২) ছৈয়্যদী ফৌজসকলৰ আক্ৰমণত শিখসকলৰ দৰে যুদ্ধবাজ সম্প্ৰদায় হয় একেবাৰেই শেষ হৈ যাব অথবা খুব দুৰ্বল হৈ সহজে ইংৰাজ সকলৰ আশ্ৰয় গ্ৰহণ কৰিব, (৩) সীমান্ত প্ৰদেশৰ স্বাধীন পাঠান সম্প্ৰদায় যিসকলে কোনো সময় কাৰো নেতৃত্ব মানিবলৈ ৰাজী নহয় তেওঁলোকো দুৰ্বল হৈ পৰিব আৰু কোনো সময়তেই বৃটিছ শক্তিৰ বিৰুদ্ধে মূৰ উঠোৱাৰ সাহস নাপাব, (৪) আৰু যদি কোনোটোৱে





নহয় তেনেহ'লে কম পক্ষে সমগ্ৰ হিন্দুস্তানৰ বৃহত্তম মুছলিম সকলৰ ফৌজী শক্তি শিখ আৰু পাঠান সকলৰ সৈতে যুদ্ধ কৰি দুৰ্বল হৈ যাব। ভৱিষ্যত কোনো দিন দেশ স্বাধীনৰ বাবে ইংৰাজ বিৰোধী আন্দোলন কৰিব নোৱাৰিব। (বৃটিছ ৰিপ'ৰ্ট, ছীৰাতে আহমদ শ্বহীদ)

**ইংৰাজৰ ইংগিতত হজ্ব গমন ঃ**

বৃটিছে তেওঁলোকৰ পৰিকল্পনা অনুযায়ী কাম আৰম্ভ কৰিবৰ বাবে তেওঁলোকৰ দুই এজেন্ট ছৈয়্যদ আহমদ ৰায়বেৰেলৱী আৰু মৌঃ ইছমাঈল দেহ্লৱীক হজ্বত পঠাবৰ বাবে প্ৰস্তুত কৰিলে। এই চফৰ কৰোৱাৰ মাজত ইংৰাজৰ মুখ্য উদ্দেশ্য আছিল এই হিন্দুস্তানী গেৰিলাদ্বয় আৰবৰ নজদী গেৰিলা সকলৰ পৰা মিল্লাতে ইছলামীয়াৰ বিৰুদ্ধে ৰণকৌশলৰ ট্ৰেনিং দিয়া। দুই ইংৰাজ এজেন্টে বিনা পয়চাত হজ্ব কৰোৱাৰ নামত হিন্দুস্তানৰ পৰা বহু সংখ্যক মানুহক লগত নিছিল। সেই যুগত হজ্ব চফৰৰ বন্দৰ আছিল ছুৰাত আৰু বোম্বাই (মুম্বাই)। ছৈয়্যদ আহমদ ৰায়বেৰেলৱী আৰু ইছমাঈল দেহ্লৱী চাহেবান প্ৰসিদ্ধ দুই বন্দৰ এৰি উল্টাদিশে বহু দূৰ কলিকতালৈ আহিছিল কাৰণ এই সময়ত কলিকতাত ইষ্ট ইণ্ডিয়া কোম্পানীৰ হেড কোৱাৰ্টাৰ আছিল। কলিকতাত উপস্থিত হৈ কোম্পানীৰ ডাঙৰ ডাঙৰ অফিচাৰ সকলৰ সৈতে সাক্ষাৎ কৰি তেওঁলোকৰ পৰা জৰুৰী নিৰ্দেশাৱলী সমূহ সংগ্ৰহ কৰিছিল। ইংৰাজেও তেওঁলোকৰ প্ৰিয় এজেন্টদ্বয়ক যথাৰ্থ ট্ৰেনিং দি জাহাজত উঠাই দিছিল। এই প্ৰকাৰে ছৈয়্যদ কাফিলাৰ হজ্ব কলিকতাৰ পৰা আৰম্ভ হৈছিল। সেয়ে ইংৰাজসকলৰ গোলাম আৰবৰ ওৱাহাবী নজ্দী যিসকলে বৃটিছৰ পৰা গাদ্দাৰী আৰু মাক্কাৰীত ট্ৰেনিং প্ৰাপ্ত হৈ তুৰ্কীসকলৰ পৰা দেশ স্বাধীন কৰি ওৱাহাবী ৰাষ্ট্ৰ প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছিল। এই গাদ্দাৰৰ দলে তেওঁলোকৰ প্ৰভু বৃটিছ চৰকাৰৰ হিন্দুস্তানী এজেন্ট সকলৰ আগমনৰ শুভ সংবাদ পাই অভ্যৰ্থনা জনাবৰ বাবে বন্দৰত উপস্থিত আছিল। তেওঁৰ জীৱনীকাৰ মিৰ্যা হায়ৰাতে লিখিছে- "নজ্দী লোকসকল আহি সাক্ষাৎ কৰিছিল আৰু তুৰ্কীসকলৰ সৈতে তেওঁলোকৰ যুদ্ধৰ কাহিনী কৈছিল।" (হায়াতে তাইয়েবা, নাংগে দ্বীন, পৃঃ ৫২) এই সাক্ষাতৰ বিস্তৃত বিৱৰণ দিবলৈ গৈ পাদৰী হোজীয়ে লিখিছে- "ইব্নে আব্দুল ওৱাহাবৰ প্ৰতিনিধি সকলে ছৈয়্যদ আহমদ ৰায়বেৰেলৱীক ওৱাহাবী ফৰমুলা বিলাকৰ শিক্ষা দিছে আৰু বুজাই দিছে যে মাযহাবী উন্মাদনা মানুহৰ মাজত প্ৰয়োগ কৰাৰ পিছত কৃতকাৰ্য হোৱা যায় আৰু এই প্ৰকাৰে দেশ জয় কৰা যায়।" (Dictionary of Islam, নাংগে দ্বীন ৫২ পৃঃ)

ওপৰৰ উদ্ধৃতি বিলাকৰ পৰা প্ৰমাণিত হয় যে বৃটিছৰ দুই নিমকখোৰ

pdf By Syed Mostafa Sakib



এজেন্ট ছৈয়্যদ আহমদ ৰায়বেৰেলৱী আৰু মৌঃ ইছমাঈল দেহ্লৱী পবিত্ৰ হজ্বৰ বাহানা লৈ গেৰিলা ট্ৰেনিং ল'বলৈ গৈছিল। চিন্তা কৰাৰ বিষয় যে হজ্বলৈ সকলো যায়। নজ্‌দীসকলে কাকো ৰাজনৈতিক শিক্ষা নিদিয়ে, দেশ জয় কৰাৰো পৰামৰ্শ নিদিয়ে। দুনীয়াৰ সমস্ত হাজী পবি ৰ'ল কেৱল এই দুই হিন্দুস্তানী পাজীৰ ওপৰত তেওঁলোকৰ দৃষ্টি পৰিল কিয়? তেওঁলোকে পূৰ্বৰ পৰাই অৱগত আছিল এই দুই গাদ্দাৰ আমাৰ নিচিনা বৃটিছৰ এজেন্সী গ্ৰহণ কৰি ট্ৰেনিংৰ বাবে আহিছে। এক কথাত আৰবৰ পৰা তুৰ্কী চুলতানাত খতম কৰাৰ পিছত হিন্দুস্তানৰ পৰা মোগল ৰাজত্ব খতম কৰাৰ এয়াই আছিল ইংৰাজ সকলৰ মাষ্টাৰ প্লেন।

কা'বা শ্বৰীফত পৃথক যামাআ'ত ঃ

ছৈয়্যদ আহমদ ৰায়বেৰেলৱী আৰু মৌঃ ইছমাঈল দেহ্লৱী চাহেবানে নজ্‌দী ওৱাহাবী সকলৰ পৰা কুমন্ত্ৰণা লৈ বিশ্ব মুছলমানৰ বিৰোধীতা কৰি পবিত্ৰ কা'বা শ্বৰীফত পৃথক যামাআ'ত কৰি চৰম ফিৎনা আৰম্ভ কৰিছিল। এই সময়ত কা'বা শ্বৰীফত যথাক্ৰমে চাৰিটি মুছল্লা আছিল। হানাফী, শ্বাফী, মালিকী, হাম্বলী মযহবৰ মানুহে নিজ নিজ ইমামৰ পিছত নামাজ আদায় কৰাৰ ব্যৱস্থা আছিল। কিন্তু এই দুই চাহেবানৰ এই চাৰি মযহবৰ কোনো এটি মুছল্লা পছন্দ নাছিল। যথা ছৈয়্যদ আহমদ ৰায়বেৰেলৱী চাহেবৰ জীৱনীকাৰ সকলে লিখিছে- "পৰামৰ্শ অনুযায়ী সিদ্ধান্ত হৈছিল যে যেতিয়া মানুহ হাৰাম শ্বৰীফত নামাজ পঢ়িব তেতিয়া পৰ্যন্ত তেওঁ ইয়াৰ মানুহৰ কুৰ্‌আন পাঠ শুনিব। শেষত মাতাফত নিজৰ যামাআ'ত পৃথকে কৰিব।" (ছীৰাতে ছৈয়্যদ আহমদ শ্বহীদ, পৃঃ ২৬৬, ছৈয়্যদ আহমদ শ্বহীদ, পৃঃ ২২২)

এতিয়া প্ৰশ্ন হৈছে তেওঁলোকক কোনে পৰামৰ্শ দিছিল যে, নিজৰ যামাআ'ত পৃথক কৰি পবিত্ৰ কা'বাত নতুন ফিৎনাৰ বীজ ৰোপণ কৰিব? নিশ্চয় এই পৰামৰ্শ তেওঁলোকৰ, যিসকলে হিন্দুস্তানৰ পৰা ট্ৰেনিং দি পঠাইছিল অৰ্থাৎ বৃটিছে। উল্লেখ্য যে সেই সময়ত কা'বাৰ ইমাম সকল আছিল খাঁটি ছুন্নী - হানাফী, শ্বাফী, মালিকী আৰু হাম্বলী। যিহেতু তেওঁলোকৰ হজ্ব কৰাৰ উদ্দেশ্য নাছিল বৰং বৃটিছ প্ৰভুৰ নিমখ হালাল কৰাই আছিল মুখ্য উদ্দেশ্য। সেইহেতু ছুন্নী ইমামসকলৰ ইক্তিদা নকৰি বিশ্ব মুছলিম সকলৰ একতাত ফিৎনাৰ জুই জ্বলাই পৃথক যামাআ'ত কৰিবলৈ বাধ্য হৈছিল। ওৱাহাবী সম্প্ৰদায়ে চাৰি মযহবৰ কোনো এটি মযহবক নিৰ্দিষ্টভাৱে অনুসৰণ কৰি চলাক হাৰাম ও শ্বিৰ্ক বোলে। (কিতাবুত্তাওহীদ) ওৱাহাবীসকলৰ ভাৰতীয় নায়ক ছৈয়্যদ আহমদ চাহেবৰ এয়াই ধাৰণা আছিল। তেওঁ কৈছে - "চাৰি ইমামৰ মযহবৰ মাজত কোনো মযহব আমাৰ পছন্দ নহয়। আউলীয়া সকলৰ বিখ্যাত





ত্বৰীকা বিলাকৰ মাজত কোনো ত্বৰীকা আমাৰ পছন্দ নহয়।" (হায়াতে ছৈয়্যদ আহমদ শ্বহীদ, ১৫৩, ১৫৪ পৃঃ) নিশ্চয় ছৈয়্যদ চাহেবৰ পছন্দ নাছিল কোনো মযহব অথবা কোনো ত্বৰীক্বা। কাৰণ হানাফী, শ্বাফী, মালিকী, হাম্বলী মযহবৰ ভিতৰত কোনো মযহবে ইংৰাজ সকলৰ এজেন্সি গ্ৰহণ কৰাৰ কোনো শিক্ষা দিয়া নাই।

অনুৰূপ ক্বাদেৰীয়া, চিশ্বতীয়া, নক্সবন্দীয়া আৰু মোজাদ্দেদীয়া ত্বৰীক্বাৰ ভিতৰতো কোনো ত্বৰীক্বাত বৃটিছৰ গোলামী কৰাৰ শিক্ষা পোৱা নাযায়। ওপৰৰ উদ্ধৃতিৰ পৰা আৰু প্ৰমাণ হয় যে ছৈয়্যদ চাহেব কট্টৰ ওৱাহাবী আছিল। তেওঁ চাৰি মযহব আৰু চাৰি ত্বৰীকা কিছু নামানিছিল। অৱশ্যে তেওঁ ধোকা দিয়াৰ উদ্দেশ্য মুহাম্মদ ইব্‌নে আব্দুল ওৱাহাব নজ্‌দীৰ মতানুযায়ী এটি নতুন ত্বৰীক্বা আৱিষ্কাৰ কৰি নাম দিছিল 'ত্বৰীক্বায়ে মুহাম্মদীয়া।' যাক ভাৰতীয় ইতিহাসত 'ওৱাহাবী আন্দোলন' হিচাপে অভিহিত কৰা হৈছে। এই ভণ্ড পীৰৰ ভুৱা ত্বৰীক্বা অবলম্বন কৰি যিসকলে পীৰ সাজি মুৰীদ কৰি মানুহক গোমৰাহ কৰিছে, তেওঁলোকে সোনকালে তৌবাহ কৰি কোনো খাঁটি ছুন্নী পীৰৰ হাতত বয়াত গ্ৰহণ কৰা জৰুৰী। বৰ্তমান ছৈয়্যদ আহমদ ৰায়বেৰেলৱী ছিলছিলা একমাত্ৰ ওৱাহাবী, দেওবন্দী, আহ্‌লে হাদীচ তথাকথিত ছুন্নী মধ্যপন্থী ফুৰফুৰাবী সকলৰ মাজত চলিছে।

নজ্‌দী ওৱাহাবী গুৰু সকলৰ পৰা ট্ৰেনিং লৈ হিন্দুস্তানলৈ ঘূৰি অহাৰ পিছত ইংৰাজসকলৰ পৰিকল্পিত প্লেন অনুযায়ী কাম আৰম্ভ কৰিলে। ছৈয়্যদ আহমদ চাহেব আৰু মৌঃ ইছমাঈল দেহ্লৱীয়ে চহৰে-নগৰে, গাঁৱে-ভূঞে শিখ সকলৰ অত্যাচাৰৰ কথা শুনাই খুব কন্দা-কটা আৰম্ভ কৰিলে। শিখ সকলৰ বিৰুদ্ধে প্ৰকাশ্য জিহাদ ঘোষণা কৰাৰ পূৰ্ণ প্ৰস্তুতি আৰম্ভ কৰিলে। ছৈয়্যদ আহমদ ৰায়বেৰেলৱী চাহেবে শিখতকৈ মুছলমানৰ সৈতে বেছি যুদ্ধ কৰিছিল। শীধুৰ যুদ্ধত পৰাজয়ৰ পিছত ছৈয়্যদ চাহেবে খোদায়ী ইল্‌হাম বা শিখ সকলৰ বিৰুদ্ধে জিহাদ কৰাৰ খোদায়ী নিৰ্দেশ পাহৰি সীমান্ত প্ৰদেশৰ কট্টৰ ছুন্নী হানাফী মুছলমান সকলক প্ৰকৃত মুছলমান (ওৱাহাবী) বনোৱাৰ নামত নতুন কৌশল অবলম্বন কৰি নিজকে 'আমীৰুল মু'মিনীন' বুলি ঘোষণা কৰিলে। ইয়াৰ পৰামৰ্শদাতা আছিল মৌঃ ইছমাঈল দেহ্লৱী। ছৈয়্যদ চাহেব ব্যস্ত হৈ পৰিল কি ভাবে ছুন্নী মুছলমান সকলক প্ৰকৃত মুছলমান (ওৱাহাবী) কৰা যায়। মৌঃ ইছমাঈল দেহ্লৱীয়ে উপলব্ধি কৰিছিল যে কট্টৰ হানাফী ছুন্নী মুছলমান সকলে তেওঁলোকৰ ওৱাহাবী মতবাদ গ্ৰহণ নকৰিব, ছৈয়্যদ চাহেবকো কোনো মতেই 'আমীৰুল মু'মিনীন' বুলি স্বীকাৰ নকৰিব। ঘোষণা কৰি দিলে যে যি ব্যক্তি ছৈয়্যদ চাহেবৰ ইমামত প্ৰথমৰ পৰা কবুল নকৰিব অথবা কবুল কৰাৰ পিছত

pdf By Syed Mostafa Sakib



অস্বীকাৰ কৰিব সেই ব্যক্তি এনে বিদ্ৰোহ বুলি গণ্য হ'ব যে তেওঁক হত্যা কৰা হালাল হ'ব, কতল কৰা কাফিৰ সকলৰ কতল কৰাৰ দৰে জিহাদ হ'ব। কাৰণ বিশুদ্ধ হাদীচৰ হুকুমানুযায়ী এই প্ৰকাৰ মানুহ কুকুৰৰ স্বভাৱত যোৱাৰ কাৰণে অভিশপ্ত বদমাইচ। বিৰোধীতা সকলৰ উত্তৰ একমাত্ৰ তলোৱাৰৰ আঘাত।" (মাকতুবাতে ছৈয়্যদ আহমদ শ্বহীদ, পৃঃ ১৬৯, মকতুবাত নং - ৩১)

পাঠক সকল লক্ষ্য কৰক! ওৱাহাবী কামাণ্ডাৰ মৌঃ ইছমাঈল দেহলবীয়ে কিমান কঠোৰ কানুন জাৰী কৰিছে। ওৱাহাবী আমীৰ বা ইমাম ছৈয়্যদ আহমদ চাহেবক যিসকলে নামানিব তেওঁলোক অভিশপ্ত বদমাইচ আৰু তেওঁলোক কুকুৰৰ দৰে। তেওঁলোকক কতল কৰি দিয়া কাফিৰৰ কতলৰ দৰে জিহাদ বুলি গণ্য হ'ব - যি বিশুদ্ধ হাদীচৰ পৰা প্ৰমাণিত। এই প্ৰকাৰ শ্বয়তানী ঘোষণা কৰিছিল মুহাম্মদ ইবনে আব্দুল ওৱাহাব নজ্‌দীয়ে। তেওঁ কৈছিল- "আমি তোমালোকক দ্বীনৰ দাঅ'ৱাত প্ৰদান কৰিছোঁ। সাত আকাশৰ তলত যি মখলুক আছে সকলোৱেই মুশ্বৰিক। যি ব্যক্তিয়ে মুশ্বৰিকক কতল কৰিব তেওঁৰ বাবে যান্নাত।" (নাংগে দ্বীন, ৯৪, ৯৫ পৃঃ) এই ধাৰণা অনুযায়ী ওৱাহাবীসকলে আহ্‌লে ছুন্নত আৰু আহ্‌লে ছুন্নতৰ উ'লামা সকলক হত্যা কৰাক হালাল ঘোষণা কৰিছিল। যেনেঃ হানাফী মযহবৰ ফিকাহৰ বিখ্যাত গ্ৰন্থ 'ৰদ্দুল মুহ্‌তাৰ'ৰ ৩য় খণ্ডৰ ৩০৯ পৃঃত আ'ল্লামা ইবনে আবিদীন শ্বামী (ৰহঃ)এ, মৌঃ হুছেইন আহমদ মাদানীয়ে 'আশ্ব শ্বিহাবুশ্ব শ্বাকিব'ৰ ৪২ পৃঃত ওৱাহাবীসকলৰ হত্যা যজ্ঞৰ বিষয়ে উল্লেখ আছে। এই সম্পৰ্কে 'ফুৰফুৰা শ্বৰীফ আকিদা আৰু চিলছিলা'ৰ ১৩৭ পৃঃত সুন্দৰভাৱে বৰ্ণনা কৰিছে। সেইহেতু উক্ত বৰ্ণনা পুনৰ উল্লেখ কৰাৰ প্ৰয়োজনবোধ নকৰিলো। উল্লেখ্য যে লেখকে উক্ত পৃষ্ঠাত মাওলানা হুছাইন আহমদ মাদানী (ৰহঃ) বুলি উল্লেখ কৰিছে। ই কি সূচায়? লেখক দেওবন্দী অনুসাৰী নহয়নে?

সেই একেই পদ্ধতি অৱলম্বন কৰি মৌঃ ইছমাঈল দেহ্‌লৱীয়ে ছৈয়্যদ আহমদ ৰায়বেৰেলবীক 'ইমাম' আৰু 'আমীৰুল মু'মিনীন' ঘোষণা কৰি সেই সমস্ত আহ্‌লে ছুন্নতক হত্যা কৰা ওৱাজীব বুলি কৈছে, যিসকলে ছৈয়্যদ আহমদক 'ইমাম' আৰু 'আমীৰুল মু'মিনীন' বুলি মানিবলৈ অস্বীকাৰ কৰিব। সুচতুৰ মৌঃ ইছমাঈল দেহ্‌লৱী চাহেব অৱগত আছিল যে সীমান্তপ্ৰদেশৰ পাঠান মুছলমানসকলে ওৱাহাবী মতবাদ সহজে গ্ৰহণ নকৰিব। এই কাৰণে পাঁজতাৰৰ ইজতেমাত নিজৰ অনুগত উ'লামাসকলৰ দ্বাৰা এটি ফত্‌ৱা ৰচনা কৰিছিল। ফত্‌ৱাটি - (১) ইমাম প্ৰমাণ হোৱাৰ পিছত ইমামৰ আদেশ অগ্ৰাহ্য কৰা কঠিন গুনাহ আৰু জঘন্য অপৰাধ, (২) বিৰোধীসকলৰ বিৰোধীতা যদি চৰম পৰ্যায়লৈ যায় যে বিনা যুদ্ধত অনুগত কৰা





সম্ভৱ নহয় তেনেহ'লে তেওঁলোকৰ সৈতে যুদ্ধ কৰা সমস্ত মুছলমানৰ ওপৰত ফৰ হ'ব আৰু জোৰ পূৰ্বক বিৰোধীসকলক ইমামৰ অনুগত কৰিবই লাগিব, (৩) এ যুদ্ধত ইমামৰ নিহত সৈন্য শ্বহীদ আৰু যান্নাতী বুলি গণ্য হ'ব আৰু বিৰোধীসকল নিহতসকল জাহান্নামী বুলি গণ্য হ'ব। এওঁলোকৰ অৱস্থা ব্যভিচাৰী ও চোৰতকৈ নিকৃষ্ট হ'ব। এই কাৰণে জেনাকাৰ, চোৰ প্ৰভৃতি ফাচিকৰ যানাঝাৰ নামাজ পঢ়া ওৱাজি কিন্তু এই সমস্ত বিৰোধীৰ যানাঝা নামাজ পঢ়া জায়েজ নহয়। (ছৈয়্যদ আহমদ শ্বহী ৪৬৩ পৃঃ)

ছৈয়্যদ চাহেব 'আমীৰুল মু'মিনীন' ঘোষিত হোৱাৰ পিছত বিভিন্ন মানুহলৈ চিঠি প্ৰেৰণ কৰিছিল। এখন চিঠিত তেওঁ লিখিছিল - "সেই ব্যক্তি আল্লাহৰ দৰবাৰ গৃহীত, যি আমাক আমীৰুল মু'মিনীন বুলি স্বীকাৰ কৰিব আৰু যিয়ে আমাক মানিবলৈ অস্বীকাৰ কৰিব সি আল্লাহৰ দৰবাৰৰ পৰা বিতাৰিত।" (মাক্‌তুবাতে আহমদী, ২৪ পৃঃ) - এনেদৰে ছৈয়্যদ চাহেব আমীৰুল মু'মিনীন হোৱাৰ পিছত তেওঁৰ হাতত বয়া হোৱাৰ বাবে মানুহক বিভিন্ন দিশৰ পৰা কঠোৰ নিৰ্দেশ জাৰী কৰিছিল। কিন্তু ইয়া তেওঁ কৃতকাৰ্য হ'ব পৰা নাছিল। মুন্সী মুহাম্মদ হুছাইন বিজনূৰীয়ে লিখিছে- "যেতিয় কোনো মুছলমান আমীৰ আৰু পাঞ্জাবী আলিমে ছৈয়্যদ চাহেবৰ প্ৰতি আকৃষ্ট নহ'ল তেতিয়া তেওঁ তেওঁলোকক কাফিৰ বুলি ঘোষণা কৰিলে। এই অনাধিকাৰ কুফ ফতৱা প্ৰদানত সমস্ত পাঞ্জাবৰ আমীৰ আৰু আলিম সকল চৰম ক্ষুব্ধ হৈ উত্তৰ লিখিছি - "আপুনি ওৱাহাবী, আপোনাৰ হাতত বয়াত কৰা উচিত নহয়।" (ফৱইয়াদে মুছলিমীন পৃঃ ৯৮)

পৃথিৱীত এই প্ৰকাৰ কোনো ইমাম, মুজতাহিদ, গৌছ আৰু কুতুবৰ নজী পোৱা নাযায় যে তেওঁ কৈছে - "মোক নামানিলে কাফিৰ হৈ যাবা।" কিন্তু ছৈয়্য চাহেব এনে 'ইমাম' ও 'আমীৰুল মু'মিনীন' আছিল যে তেওঁক নামানিলে কাফি মৰদুদ, জাহান্নামী হৈ যাব। কলিমা, নামাজ, ৰোজা, হজ্জ, যাকাত সকলোৱেই বাতিল চাওঁক, কুৰ্‌আন আৰু হাদীচ পৰিয়ে ৰ'ল ছৈয়্যদ আহমদ চাহেবক ইত্তেবা নকৰিলে হিদায়ত ও নাজাত পোৱা নাযাব, ইয়াৰ নামে 'ওৱাহাবী ধৰ্ম'। তৌবা, তৌবা!

<u>ছৈয়্যদ চাহেবৰ হাতত মুৰীদ নোহোৱা সকলৰ পৰিণতি ঃ</u>

হযৰত শ্বাইখ আব্দুল গফুৰ আৰু হযৰত খাজা শ্বাহ ছুলাইমানক ছৈয়্য আহমদৰ হাতত বয়াত গ্ৰহণ নকৰাৰ কাৰণে যেনেকৈ মৰদুদ আৰু জাহান্নামী বো হৈছিল তেনেদৰে চৰ্দাৰ পায়েন্দা খাঁনক কাফিৰ আৰু চৰদাৰ খাদী খাঁনক মোনাফি বোলা হৈছিল। (ছৈয়্যদ আহমদ শ্বহীদ, ৫৪১ পৃঃ) "ছৈয়্যদ মুৰাদ আলীগড়ী

pdf By Syed Mostafa Sakib



লিখিছিল - চৰদাৰ পায়েন্দা খাঁন খলীফা ছৈয়্যদ আহমদৰ হাতত বয়াত নোহোৱাৰ কাৰণে ছৈয়্যদ চাহেব তেওঁৰ প্ৰতি বেয়া ধাৰণা পোষণ কৰিছিল আৰু তেওঁক কাফিৰ ফতোৱা দি তেওঁৰ সৈতে যুদ্ধ কৰাৰ বাবে প্ৰস্তুত হৈছিল।" (তাৰিখে তানা বুলিয়া, ৪৯, ৫০ পৃঃ)

চৰ্দাৰ খাদী খান প্ৰথম অৱস্থাত ছৈয়্যদ চাহেবৰ সাহায্যকাৰী আছিল। গোলাম ৰছুল মোহৰে লিখিছে - "খাদী খাঁন সীমান্ত এলেকাৰ ডাঙৰ নেতা আছিল। ছৈয়্যদ চাহেবৰ অতি প্ৰিয় মানুহ আছিল। তেওঁৰ হাতত বয়াত গ্ৰহণ কৰিছিল আৰু নিজৰ ঘৰত লৈ গৈছিল।" (ছৈয়্যদ আহমদ শ্বহীদ, ৪৮৭ পৃঃ) উল্লেখ্য যে যেতিয়া চৰ্দাৰ খাদী খানে ছৈয়্যদ চাহেবৰ ওৱাহাবী মতবাদৰ বিৰোধীতা আৰম্ভ কৰিছিল, তেতিয়া তেওঁক মুনাফিক ঘোষণা কৰা হৈছিল। ছৈয়্যদ চাহেবৰ জীৱনীকাৰ মৌঃ জাফৰ থানেশ্বৰীয়ে লিখিছে - "এই মুনাফিক (খাদী খান)ও মুছলমান সকলৰ গুলিত নিহত হৈছে। মৌঃ ইছমাঈল দেহ্লৱীয়ে এই মুনাফিকৰ যানাঝাৰ নামাজ পঢ়িবলৈ অস্বীকাৰ কৰিছে। কিন্তু দেশৰ মোল্লা দুনীয়াৰ লোভত ৰাতি তেওঁৰ যানাঝা পঢ়ি গোপনে দফন কৰিছে।" (ছাৱানিহে আহমাদী, ২৪৩ পৃঃ)

'ফুৰফুৰা শ্বৰীফ আকিদা আৰু চিলছিলা'ৰ ১৩৯ পৃঃত 'মুজাদ্দিদ আহমদ বেৰেলৱী আৰু শ্বাহ ইছমাঈল দেহ্লৱী চাহেবৰ মত পাৰ্থক্য' শিৰোনামাৰে ইছমাঈল দেহ্লৱীৰ লগত ছৈয়্যদ চাহেবৰ কোনো যোগাযোগ নাছিল বুলি উল্লেখ কৰিছে। কিন্তু ছৈয়্যদ চাহেবৰ জীৱনী গ্ৰন্থ 'ছৈয়্যদ আহমদ শ্বহীদ', 'মকতুবাতে ছৈয়্যদ আহমদ', 'ছীৰাতে ছৈয়্যদ আহমদ'ত দুয়োজন একেলগে হজ্বত যোৱাৰ পৰা আৰম্ভ কৰি শিখৰ লগত যুদ্ধলৈকে একেলগে থকা বুলি উল্লেখ হৈছে।

## অভিশপ্ত সকলৰ প্ৰতি খোদায়ী গজব ঃ

কথাত কোৱা হয় 'পাপ লুকাই নাথাকে আৰু সাগৰ নুশুকায়' - ইছলামৰ মহা শত্ৰু শ্বয়তান জাতি বৃটিছৰ নিমকখোৰ দুই দালাল ছৈয়্যদ আহমদ ৰায়বেৰেলৱী আৰু মৌঃ ইছমাঈল দেহ্লৱী নিমখ হালাল কৰিবৰ বাবে শিখ সকলৰ সৈতে যুদ্ধ কৰিব গৈছিল। তেতিয়া মৌঃ ইছমাঈল দেহ্লৱীয়ে দিল্লীত মাহবুবে ইলাহী হযৰত নিজামুদ্দীন আউলীয়া (ৰাসঃ)ৰ ৰৌজা পাক সম্পৰ্কে কৈছিল - "শিখ সকলৰ সৈতে যুদ্ধৰ পৰা ঘূৰি আহি এই ঠাকুৰ ঘৰক ভাঙি দিম।" (আত্ইয়াবুল বায়ান, ৭১,৭২ পৃঃ, তোহফায়ে নাইয়াব, ৪৫, ৪৬ পৃঃ) 'ফুৰফুৰা শ্বৰীফ আকিদা আৰু চিলছিলা'ৰ ২৪ পৃঃত এটি হাদীচ পাক উল্লেখ কৰিছে- "যি ব্যক্তিয়ে মোৰ ৱলীসকলৰ লগত দুচমনী (শত্ৰুতা) কৰিলে, সেই সকল ব্যক্তিয়ে মোৰ লগতহে যুদ্ধৰ ঘোষণা কৰিলে।"





(বুখাৰী, তালিমে তৰিকত, পৃঃ ৬৭) এই হাদীচে কুদচীটি এইক্ষেত্ৰত প্ৰযোজ্য। আল্লাহৰ বৰহক ৱলী মাহবুবে ইলাহীৰ ৰৌজা পাকক 'বুৎখানা' বা 'ঠাকুৰ ঘৰ' বোলা আৰু ৰৌজা পাকক ধ্বংস কৰাৰ পৰিকল্পনা কৰাত ভণ্ড পীৰ ও তদ্বীয় মুৰীদৰ সাত পাপ পূৰ্ণ হৈ গৈছিল। আল্লাহ তাআ'লাৰ হাজাৰ শুকুৰ যে এওঁলোক যুদ্ধৰ পৰা উভতিব নোৱাৰিলে। এওঁলোকৰ ওপৰত এনে খোদায়ী গজব নামি আহিছিল যে বালাকোটত বলি হৈছিল আৰু তেওঁলোকৰ দেহ মুছলিম ও অমুছলিমৰ হাতত ছিন্ন ভিন্ন হৈ গৈছিল। যতদূৰ সম্ভৱ ছৈয়্যদ চাহেবৰ মৃতদেহ কবৰস্থ, শ্বৰীঅ'ত অনুযায়ী কফন-দাফন হোৱা নাই। পাপী সকলৰ পৰিণাম এয়াই হৈ থাকে।

ওপৰোক্ত তথ্য আৰু দলিল সমূহে স্পষ্টভাৱে প্ৰমাণ কৰে যে বাংলাৰ বাতিল ফিৰকা ফুৰফুৰা। আকাঈদ আৰু কৰ্মত আহ্লে ছুন্নত ৱাল যামাআ'তৰ বিপৰীত দিশত অৱস্থান কৰিছে আৰু ছৈয়্যদ আহমদ বায়বেৰেলৱী তেওঁলোকৰ প্ৰধান পীৰ। যিজন কোনো আলীম নাছিল। এওঁ আছিল অখণ্ড ভাৰতৰ ওৱাহাবী মতবাদৰ প্ৰতিষ্ঠাপক। দেওবন্দী, আহলে হাদীচৰো পীৰ। সেয়ে এই ত্বৰীকাত যিসকল আছে সোনকালে তৌবাহ কৰা উচিত। নহ'লে উপায় নাই। মহান আল্লাহ পাকে আমাক সকলোকে এক আৰু নেক হৈ আহ্লে ছুন্নত ৱাল যামাআ'তৰ ছায়াত থাকিবলৈ তৌফিক দান কৰক। ওৱা আখিৰু দাঅ'ৱান আনিল হাম্দু লিল্লাহি ৰাব্বিল আ'লামিন।

## সহায়ক গ্ৰন্থ আৰু অন্যান্য ঃ


(১) মজমুয়া ফাতাওয়ায় আমিনিয়া - মৌঃ ৰুহুল আমিন।

(২) তাহকীকুল মাছায়েল - মৌঃ আবু জাফৰ ছিদ্দিকী।

(৩) The Indian Muslims- W.W. Hunter

(৪) ইতিহাস কথা কয় - মুহাম্মদ মুদাব্বিৰ (১৯৮১)

(৫) দেওবন্দীদেৰ কতিপয় ভ্ৰান্ত মতবাদ ও তাৰ ৰদ্দ- মৌঃ আব্দুল কাইয়্যুম

(৬) শ্বানে হবিবুৰ ৰহমান (২০০২), জা-আল হাক্ব (২০০২) - মুফ্তী আহমদ ইয়াৰ খা নাঈমী (ৰহঃ)

(৭) ফাতাৱা-ই-হুচ্চামুল হাৰমাঈন (১৩২৫ হিজ্ৰী)- ইমাম আহমদ ৰেজাখাঁ (ৰহঃ)

(৮) তাৰীখে নজ্দ ও হেজ্জাজ (১৯৯২) - মুফ্তী আব্দুল কাইয়্যুম কাদেৰী

(৯) ছৈয়্যদ আহমদ শ্বহীদ, বাংলা - মৌঃ আব্দুল কাইয়্যুম

pdf By Syed Mostafa Sakib



(১০) হায়াতে তাইয়েবা - মির্যা হায়ৰাত দেহ্লৱী
(১১) মুকাদ্দামায় হায়াতে ছৈয়্যদ আহমদ - প্ৰফেচাৰ আয়্যুব ক্বাদেৰী
(১২) মাকালাতে ছাৰ ছৈয়্যদ - ছাৰ ছৈয়্যদ আহমদ খাঁ আলীগড়ী
(১৩) তাফ্ছীৰে হাক্কানী - মৌঃ আব্দুল হক্ব হাক্কানী
(১৪) ছীৰাতে আহমদ শ্বহীদ - মৌঃ আবুল হাচান আলী নাদৱী
(১৫) চাৱানিহে আহমদী - মৌঃ জাফৰ থানেশ্বৰী
(১৬) মাক্তুবাত ছৈয়্যদ আহমদ শ্বহীদ - শ্বাখাৱাত মির্যা
(১৭) ফাতাৱা-ই-দাৰুল উ'লুম দেওবন্দ - মৌঃ ইজাজ আলী
(১৮) ফুৰফুৰা শ্বৰীফ আকিদা আৰু চিলছিলা - মুহাঃ চফিকুল হক (২০১৫)
(১৯) তালিমুন নেছা- মূলঃ মৌঃ আশ্ৰফ আ'লী থানবী, অনুঃ মৌঃ আবুল বাশ্বাৰ জিহাদী (খলিফা ফুৰফুৰা) (১৯৯৯)
(২০) হযৰত মাদানী (ৰঃ) ও মোহাম্মাদ বিন আব্দুল অহ্হাব নাজ্দী- সংকলক- মৌঃ চাইফুদ্দিন ছিদ্দিকী
(২১) ভাৰত পৰিচয়, স্বদেশ কথা আধুনিক যুগ, সৰল উচ্চ মাধ্যমিক ইতিহাস
(২২) ৰেজা দাৰুল ইফ্তা ছ'ছাইটি, মুর্শিদাবাদ (পশ্চিমবঙ্গ)
(২৩) ইদাৰা-ই- তাহ্কীকাতে ৰিজৱীয়্যাহ যামালিয়াহ, ৰামপুৰ (ইউ.পি)
(২৪) ইমাম আহমদ ৰেজা ছ'ছাইটি, কোলকাতা
(২৫) সদৌ অসম ছুন্নী উ'লামা কাউন্সিল।

---

**ৰেজা দাৰুল ইফ্তা ছ'ছাইটিৰ সদস্য উ'লামা কিৰামৰ একাংশঃ**

(১) শ্বাইখুল হাদীচ মাকবুল আহমদ ক্বাদেৰী, দক্ষিণ ২৪ পৰগণা।
(২) মুফ্তী নুৰ আলম ৰিজৱী, কোলকাতা নাখোদা মছজিদৰ ইমাম।
(৩) মুফ্তী মোখতাৰ আহমদ, ক্বাজী কোলকাতা।
(৪) মাওলানা শ্বাহিদুল ক্বাদেৰী, চেয়াৰমেন ইমাম আহমদ ৰেজা ছ'ছাইটি কোলকাতা।
(৫) শ্বাইখুল হাদীচ মোমতাজুদ্দীন হাবিবী, ৰাজমহল।
(৬) শ্বাইখুল হাদীচ মুজাহিদুল ক্বাদেৰী, গাড়ীঘাট মাদ্ৰাছা।
(৭) মুফ্তী আশ্ৰফ ৰেজা নাঈমী, ৰাজমহল।
(৮) মুফ্তী আয়েজুল হক হাবিবী, ৰাজমহল।
(৯) মৌলানা আব্দুল গফুৰ হাবিবী, মেদিনীপুৰ।
(১০) মৌলানা কাবীৰুল ইছলাম ৰিজৱী, মিত্ৰপুৰ বীৰভূম।



ফুৰফুৰাৰ বড় হুজুৰ মৌঃ আব্দুল হাই ছিদ্দীকীৰ ডাঙৰ চাহেবজাদা মৌঃ আবুল আনছাৰ আব্দুল কাহ্হাৰ ছিদ্দীকীয়ে মৌঃ আশ্ৰফ আ'লী থানবীৰ কিতাপ বাংলাত অনুবাদ কৰাই বহুল প্ৰচাৰৰ কামনা কৰিছে। উল্লেখ্য যে তেখেতে থানবীৰ জোতা মূৰত লৈ ওৰাজ কৰিব বিচাৰিছিল। তলত তেখেতৰ অভিমতৰ প্ৰতিলিপি—

ফুরফুরা শরীফের পীর হযরত
মাওঃ আবুল আনসার মোঃ আব্দুল কাহ্হার সিদ্দীকী ছাহেবের

## দোয়া ও অভিমত

হাকীমুল উম্মত হযরত মাওঃ আ'শরাফ আলী থানভী (রহঃ) কর্তৃক প্রণীত 'তালীমুন নিসা' কেতাবটি আমি দেখেছি। আমার বিশ্বাস—এ কেতাবটি মুসলিম মহিলাদেরকে তাদের দায়িত্ব কর্তব্য ও জীবনযাপন পদ্ধতি সম্পর্কে সচেতন করবে।

আমি এ কেতাবটি পড়ে উপকৃত হবার জন্যে সকলের প্রতি আহবান জানাচ্ছি।

আল্লাহপাক এ কেতাবকে কবুল করুন। আমি এ কেতাবের বহুল প্রচার কামনা করছি।

আরজগুজার

(মাওঃ) আব্দুল কাহ্হার সিদ্দিকী
(পীর ছাহেব, ফুরফুরা শরীফ)

লেখক নূৰী চাহেব এগৰাকী দ্বীনে ইছ্লামৰ বিভিন্ন দিশ সম্পৰ্কে গৱেষণাত ৰত আৰু আহ্লে ছুন্নত ৱাল যামাআ'ত, অসমৰ এগৰাকী অন্যতম কৰ্মী, উ'লামাএ আহ্লে ছুন্নত কাউন্সিলৰ উপদেষ্টা, অসম যুৱ আহ্লে ছুন্নতৰ উপদেষ্টা। মুছলিমঘোপা, দৰং নিবাসী মুসাম্মদ ফাৰুক আব্দুল্লাহ নূৰী চাহেবে এতিয়ালৈ আঠোখনকৈ গ্ৰন্থ লিখি উলিয়াইছে। সেইবোৰ হ'ল— ক্বুৰ্আন হাদীচৰ আলোকত ইল্মে গ্বায়্বৰ আক্বীদাহ (ডিচেম্বৰ, ২০১২), ইছলামত সংস্কাৰবাদ (ফেব্ৰুৱাৰী, ২০১৩), ঈদে মীলাদুন্নবী স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লাম (অক্টোবৰ, ২০১৩), তব্লীগ যামাআ'ত (ফেব্ৰুৱাৰী, ২০১৪), উত্তৰ জীৱনজ্যোতি আৰু অন্যান্য- ১ম খণ্ড (এপ্ৰিল, ২০১৪), ফাজ্বাঈল ৱা মাছাইলে স্বালাতুল যানাঝা ৱা গ্বাইৰহ (আগষ্ট, ২০১৪), নূৰুল হুদা মিন্ নুৰিল্লাহ স্বাঃ (ফেব্ৰুৱাৰী, ২০১৫), বাংলাৰ বাতিল ফিৰকা ফুৰফুৰা (জুলাই, ২০১৫)। সদ্য প্ৰকাশিতব্য গ্ৰন্থসমূহ—অসমৰ মোনাজিৰা, মুছ্নাদে ইমামে আ'যম, স্বালাতে মুস্তাফা বা ছুন্নী নামাজ শিক্ষা, ফাজ্বাঈলে দৰূদ শ্বৰীফ, এই সত্য গোপন কিয়, দেওবন্দী-বেৰেলী মতবিৰোধৰ আঁৰৰ কথা, ছদ্মবেশৰ অন্তৰালত ফুৰফুৰাপন্থী, ইমাম আহমদ ৰেজাখাঁ (ৰাসঃ) আৰু মৌঃ আশ্ৰফ আ'লী থানৱী, পথভ্ৰষ্ট ডাঃ জাকিৰ নাঈক, ফুৰফুৰাৰ হজৰতৰ খণ্ডনত একলম...। তাৰোপৰি বিভিন্ন পত্ৰিকা, আলোচনী, স্মৃতিগ্ৰন্থ ইত্যাদিত নিজৰ লেখা প্ৰকাশ কৰি আহিছে। অসমৰ প্ৰায় আটাইকেইখন দৈনিক বাতৰি কাকতত ইছলামী প্ৰবন্ধ তথা নিবন্ধ প্ৰকাশ কৰি এক ইছলামী আন্দোলনৰ গুৰি ধৰি থকা নূৰী চাহেব এজন চফল ডেকা। তেখেতৰ অধ্যয়নশীলতা আমাৰ বাবে এক উপযোগী সম্পদত পৰিণত হৈছে।

—প্ৰকাশক

ৰেজা দাৰুল ইফ্তা ছ'ছাইটি

মুৰ্শ্বিদাবাদ, পশ্চিমবঙ্গ

# বাংলাৰ বাতিল ফিৰকা ফুৰফুৰা

pdf By Syed Mostafa Sakib

"যদি তোমালোকে নাজানা তেন্তে আহ্লে ইল্ম (জ্ঞানী) সকলৰ পৰা জানি লোৱা।" (ছুৰা নাহল, আঃ ৪৩)

"মু'মিনসকলে কোনো তিৰস্কাৰকাৰীৰ তিৰস্কাৰক ভয় নকৰে।" (ছুৰা মাইদাহ)

"বাতিল আৰু গোমৰাহ সম্প্ৰদায় কেতিয়াও হক্বপন্থীসকলৰ ওপৰত প্ৰাধান্য লাভ কৰিব নোৱাৰে।" (মিশ্বকাত, আবু দাউদ শ্বৰীফ)

"যিসকলে সৎ কাৰ্যৰ আদেশ আৰু অসৎ কাৰ্যক বাধা নিদিয়ে তেওঁলোক মুছলমান নহয়।" (আহমদ, তিৰমিজী)

"শ্বয়তান মানুহৰ আকৃতি ধাৰণ কৰি মানুহৰ ওচৰত আহে আৰু মিছা কথা কৈ মানুহক ধোকা দিয়ে।" (মুছলিম শ্বৰীফ)

"আল্লাহৰ বাবে সত্য কথা কওঁতে কাকোৰে ভয় নকৰিবা।" (আহমদ)

সম্পাদনা

মুসাম্মদ ফাৰুক আব্দুল্লাহ নূৰী